# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## ( BUDGET SESSION )

## No. 3

The 11th March. 1997

Price— Rs. 22·50

## CONTENTS

## BUDGET SESSION

No.—3

Dated, the 11th March, 1997


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Zero Hour Notices | 63 |
| 3. | Ruling From the Chair | 65 |
| 4. | Matter Under Rule 301 | 70 |
| 5. | Discussion on Private Members Pending Resolution | 86 |
| 6. | Adjournment | 119 |
| 7. | Annexure — I & II | 120—122 |

# Debates of the Assam Legislative Assembly

Tuesday, the 11th March 1997

The House met at 9 A. M. of the clock in the assembly chamber at Dispur with Shri Ganesh Kutum Speaker in the chair.

STARRED

QUESTIONS AND ANSWERS

( To which oral answers were given )

Mr. Speaker : Now, Starred Question No. 21 Hon'ble Member Sri Etuwa Munda.

Re : APPOINTMENT TO TEACHERS

Sri Etuwa Munda, asked :

★ 21. Will the Minister of Education ( Elementary & Secondary ) be pleased to state :

(a) Whether Government has decided to form Advisory Board at Sub-Divisional Level for appointment of Teachers in L. P. M. E. M. V. High School and Higher Secondary Schools ?

(b) If so, what is the critria for the formation of such Advisory Board ?

Sri Jatin Mali ( Minister ) replied :

(a) Government have been planning to constitute Advisory Boards at the Sub-Divisional Level and at the District Level but the modalities are yet to be finalised.

(b) I shall inform you leter on.

★ শ্ৰীএটোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে এই পৰ্য্যন্ত এডভাইচোৰী বোৰ্ড গঠণ হোৱা নাই। কি কাৰণত গঠণ কৰিব পৰা নাই মন্ত্ৰী মহোদয়ে জনাব নেকি। আৰু ভবিষ্যতে গঠণ কৰিবলৈ ললে উক্ত এডভাইচোৰী কমিটিত দল নিৰ্ব্বিশেষে সকলো দলৰ বিধায়কক উক্ত বোৰ্ডত সন্নিবিষ্ঠ কৰা হব নেকি ?

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮/১২/৯৬ ইং তাৰিখে শিক্ষা বিভাগে বিজ্ঞাপন দিছে আৰু ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত স্ক্ৰুটিনিৰ কাম সম্পূৰ্ণ কৰিছে। এই সময় ছোৱাত উপদেষ্টা কমিটি গঠন কৰা সম্পৰ্কত প্ৰক্ৰীয়া সম্পূৰ্ণ কৰাৰ কাৰণে আলোচনা কৰি কৰা হব। শিক্ষাবিদ আৰু সমাজ কৰ্ম্মীক অন্তৰভুক্ত কৰি এই বোৰ্ড গঠন কৰা হব। সমাজ কৰ্ম্মী আৰু শিক্ষা বিদৰ কোনো ৰাজনৈতিক প্ৰভাব নেথাকে, গতিকে তেওঁলোকক লোৱা হব।

★ ডা: অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক কেণ্ডিডেট এম, এল, এ হিচাবে কণটেষ্ট কৰি ডিফিট হৈছে তেওঁলোকক এই বোৰ্ডত অন্তভুক্ত কৰিব নেকি ?

★ যতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই উত্তৰত কৈছো যে এই পৰ্য্যন্ত মোডেলিটি ফাইনেল হোৱা নাই। গতিকে পিচত জানিব পৰা হব।

★ Speech not corrected

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এতিয়া কৈছে যে মোডেলিটিজ এতিয়াও হোৱা নাই। কিন্তু আনহাতে তেখেতে কৈছে যে উক্ত বোৰ্ডত শিক্ষা বিদ আৰু সমাজ কৰ্মীক অন্তভুক্ত কৰা হব। সেই কাৰণে আমি জানিব বিচাৰিছো ডিফিটেড কেণডিডেটক ইয়াত লোৱা হব নে নহয়।

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিদ যদি ডিফিটেড কেণ্ডিডেট হয় তেতিয়াহলে অন্তভুক্ত কৰিব নোৱাৰাৰ কাৰণ দেখা নাযায়।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কোনো পলিটিকেল মানুহকে লোৱা নহয়। এতিয়া আকৌ কৈছে যে শিক্ষা বিদ যদি পলিটিকেল মানুহ হয় লোৱা হব। এইটো কেনেকুৱা কথা মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ডিফিটেড কেণ্ডিডেট হলেই যে ৰাজনৈতিক দলৰ হব সেইটো আমি দেখা নাই।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, এম, ই স্কুল আৰু হাইস্কুলৰ শিক্ষক সকলকো শিক্ষা বিদ ধৰা হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এল, পি স্কুলৰ শিক্ষকেও ৰাজ্যিক বটা আৰু ৰাষ্ট্ৰীয় বটা পাইছে আৰু হাইস্কুলৰ শিক্ষকেও পাইছে। গতিকে স্কুলৰ শিক্ষক সকলক শিক্ষাবিদৰ শাৰীত ধৰিব নোৱাৰাৰ কাৰণ থাকিব নোৱাৰে।

Mr : Speaker : Now, Starred Question No. 22 Hon'ble Member Sri Derhagra Mochahari.

Re : Black Board Operation.

Shri Derhagra Mochahari asked :

★ 22. Will the Minister of Education be pleased to state :

---

★ Speech not corrected

(a) Whether financial assistance was allotted to construct the Dakhin Galhera L. P. School and Dakhin Dangargaon L. P. School from Black Board Operation ?

(b) If so, when and why money was not disbursed till today ?

Shri Jatin Mali ( Minister ) will replied,

(a) No.

(b) Does not arise.

★ শ্ৰীদেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে ২ খন এল, পি স্কুলৰ কথা দক্ষিণ ঘিলাৰী এল. পি স্কুল আৰু দক্ষিন দঙ্গাৰগাওঁ এল, পি স্কুলৰ কাৰণে ব্লেক বোৰ্ড অপাৰেচনৰ জৰিয়তে টকা চেনচন কৰা হৈছিল। ব্লেক বৰ্ড অপাৰেচনৰ কাম দুটা বিভাগৰ দ্বাৰা কৰা হয়। এটা ডি, আৰ, ডি এ আৰু আনটো হ'ল শিক্ষা বিভাগৰ জৰিয়তে। ডি, আৰ, ডি, এ কাম খিনি কৰিছে। শিক্ষা বিভাগে টকা দিয়া নাই কাৰণে কাম আধৰুৱা হৈ আছে আৰু সেই কাৰণে আধা বন্ধা ঘৰটো নষ্ট হৈছে। গতিকে মন্ত্ৰী মহোদয়ে ইয়াৰ ব্যৱস্থা লব নেকি ?

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়. মই বিষয়টো চাম। শিক্ষা বিভাগৰ পৰা যদি পইচা দিব লগীয়া আছে তেতিয়াহলে চাই ব্যৱস্থা লম ।

Mr. Speaker : Now, Starred Question No. 23 Hon'ble Member Dr. Nazrul Islam.

Re : Vacant post of Assistant Teachers.

Dr. Nazrul Islam, asked,

★ Will the Minister of Education ( Elementary and Secondary ) be pleased to state :

★ Speech not corrected

(a) How many post of Assistant Teachers of L. P., M. E., M.V., High School and Higher Secondary are lying vacant in the State ?

(b) Are there any post lying vacant in Hindi, Arabic and Music in M. E., M. V., High School and Higher Secondary Schools ?

Shri Jatin Mali ( Minister ) replied :

(a) 1200 posts of Assistant Teachers in Secondary Schools and 7500 posts of Assistant Teachers in Middle and L. P. Schools are lying vacant.

(b) Yes.

ডাঃ নজৰুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ডিচেম্বৰ মাহত শিক্ষকৰ কাৰণে যি নিয়োগ জাননী দিছিলে সেই প্ৰাৰ্থী সকলৰ পৰা ট্ৰেজাৰী চালনৰ জৰিয়তে কিমান টকা সংগ্ৰহ কৰিলে। এই প্ৰাৰ্থী সকলৰ সাক্ষাতকাৰ লোৱাৰ সময়ত লিখিত সাক্ষাতকাৰ লব নে মৌখিক সাক্ষাতকাৰ লব।

শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়. যোৱা ২৮ ডিচেম্বৰ '৯৭৩ যি নিয়োগ জাননী দিয়া হৈছিল তাত আবেদনকাৰী ৬ লাখ ৪৩ হেজাৰ ৬ শ ৮৮ গৰাকী। তাৰ ভিতৰত হাইস্কুলৰ আছে ৭৫ হেজাৰ ৫২৪ গৰাকী. এম, ই স্কুলৰ প্ৰাৰ্থী আছে ১ লাখ ৬৪ হেজাৰ ৩৭ গৰাকী আৰু এল পি স্কুলৰ ৪ লাখ ৪ হেজাৰ ১২৯ গৰাকী। ইয়াৰ 'হেড' আছিল ০০৭০। মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত বাতৰি কাকতত প্ৰকাশ কৰিছে যে ট্ৰেজাৰী চালানৰ দ্বাৰা ২০ কোটি টকা সংগ্ৰহ কৰিছে তাবে শিক্ষক সকলক দৰমহা দিব। মই আপোনালোকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে ০০৭০ হেডত মুঠ জমা হোৱাৰ টকাৰ পৰিমান ১ কোটি ৫০ লাখ ৫৮ হেজাৰ ৬৭২ টকা ৫০ পইচা।

ডাঃ নজৰুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে সাক্ষাত কাৰ লিখিত ভাৱে লব নে মৌখিক ভাবে লব।

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যি সাক্ষাৎকাৰ লোৱা হব মৌখিক হব। এই সাক্ষাৎকাৰৰ বাবে ৰাজ্যখনত কিছু সংখ্যক 'এক্সপাৰ্ট' নিয়োগ কৰা হব, বাইজে সেইটো দেখিবলৈ পাব। এই এক্সপাৰ্ট সকলক বাচনি আৰু সাক্ষাৎ কৰাৰ কাৰণে প্ৰয়োজন হোৱা কাগজ কলম ইত্যাদিত উক্ত টকাখিনি খৰচ কৰা হব।

শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এল পি এম ই স্কুলত ১ হেজাৰ পদ খালী আছে বুলি কৈছে। কিন্তু চতুৰ্থ শ্ৰেনী কৰ্মচাৰীৰ কিমান পদ খালী হৈ আছে? ইতিমধ্যে এম ই আৰু এম ভি স্কুলৰ নিযুক্তি বন্ধ হৈ আছে। কিন্তু দেখা গৈছে ধেমাজিৰ মাটিখোলা এম ভি স্কুলত এগৰাকী শিক্ষকৰ নিযুক্তি দিছে আৰু ইতিমধ্যে সেই পদটো ধেমাজি গাৰ্লচ স্কুললৈ স্থানান্তৰ কৰা হৈছে। আন এটা কথা হ'ল 'মিউজিক টিচাৰ'। এই মিউজিক টিচাৰ নিযুক্তি দিয়াৰ 'ক্ৰাইটেৰিয়া' কি লাগতে আৰবিক আৰু সংস্কৃত টিচাৰ। মিউজিক টিচাৰ নিযুক্তি কি ধৰণে দিয়া হয়।

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চকীদাৰ পদ আৰু এল ডি এচিচটেণ্টৰ পদৰ বাবে শিক্ষা বিভাগৰ পৰা ইতিমধ্যে চাৰ্ভে আৰম্ভ কৰা হৈছে। এই বিষয়ে সোনকালে ৰিপৰ্ট পোৱা হব তেতিয়া এই পদ বিলাক পূৰণ কৰা হব। ইয়াৰ পিছতে বেনামি বিষয়ত নিযুক্তি হোৱাৰ খবৰ পাইছো। হাইলাকান্দিত কিছুদিন আগতে জিলা শিক্ষা বিষয়াই এটা চক্ৰৰ লগ লাগি নিয়োগ দিয়া বুলি খবৰ পাইছো সেই বিষয়া গৰাকীক ইতিমধ্যে তৎকালীন ভাবে নিলম্বিত কৰা হৈছে। বিভাগীয় প্ৰচিডিংচ চলি আছে। কিন্তু এতিয়াও শলাই আছে। ৰেয়া গৰাকীৰ চাকৰী বাতিল কৰা হৈছে। ট্ৰেজাৰীটো কোৱা হৈছে যে কোনো এৰিয়াৰ বিল যাতে দিয়া নহয়। শিক্ষা বিভাগৰ যুটিয়া সচিবৰ দ্বাৰা বিষয়টো তদন্তৰ কেৰি হৈছে। মাননীয় সদস্য শ্ৰীগৌতম ৰায় ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ তদন্তৰ শেষত এই চক্ৰটো বাহিৰ হব। ধেমাজিৰ

সম্পৰ্কটো তদন্তৰ কৰাৰ ব্যৱস্থা লোৱা হব। এই বিষয়ত কোনো পৰ্য্যায়তে আপোচ কৰা নহব। বিজনীৰ সম্পৰ্কটো চোৱা হব।

শ্ৰীআবু চালেহ নিজামুদ্দিন : মাননীয় অধ্যক্ষ মহোদয়, এল পি স্কুলৰ এৰিয়াৰ বিল লোৱাৰ যি ব্যৱস্থা কৰিছে এইটোৰ কিবা ব্যৱস্থা কৰিব পাৰিব নেকি ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কৰিম বুলি ভাবিলে নোৱাৰাৰ কোনো কাৰণ নাই।

শ্ৰীগৌতম ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে যি নতুন দিগন্তৰ কথা কৈছে সেই নতুন দিগন্ত হাইলাকান্দিৰ পৰাই আৰম্ভ হোৱা দেখা গৈছে। কোনে কাক টকা দিছে সেই কথা বিলাক পুলিচক কৈ দিছে তাৰ পিচতো কাৰো বিৰুদ্ধে ব্যৱস্থা লোৱা নাই।

শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই নতুন যুগৰ সুচনাৰ কথা কলে কিয় খং কৰিব লাগে। নতুন যুগৰ সুচনা কৰিবলৈ হলে মানুহো থিক হব লাগে। সকলোৰে এটা নিৰ্দিষ্ট সময় থাকে যেনেকৈ চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য্য গ্ৰহণ এটানিৰ্দিষ্ট দিনত হয়। কিন্তু নতুন যুগৰ সুচনাৰ অৰ্থে নিৰ্দিষ্ট সময় ৰখা নাই। নতুন যুগ আৰম্ভ হৈছে হে। শিক্ষা বিষয়া গৰাকীৰ ঘৰ পুলিচে ঘেৰাওঁ কৰি ৰাখিছে। বিষয়া গৰাকী পলাই ফুৰিছে।

( Starred Questions No. 24 was not raised as the Hon'ble Member was not present in the House when called for. However, the same deemed to have been lapsed.

Mr. Speaker : Now, Starred Question No. 25 Hon'ble Member Sri Karuna Dutta.

বিষয় : কনিষ্ঠ মহাবিদ্যালয়

শ্ৰীকৰুণা দত্ত য়ে সুধিছে :

★ ২৫। মাননীয় মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) শিক্ষাৰ উন্নয়নৰ কল্পে অসমৰ বিভিন্ন মহকুমাত বহুকেইখন কনিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল সচানে? উক্ত কনিষ্ঠ মহাবিদ্যালয় সমূহ চৰকাৰীকৰণ কৰা হৈছে জনাবনে ?

খ) যদি হৈছে কেতিয়াৰ পৰা চৰকাৰীকৰণ কৰা হৈছে জনাবনে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) চৰকাৰৰ প্ৰত্যক্ষ উদ্যোগত কনিষ্ঠ মহাবিদ্যালয় এখনো স্থাপন হোৱা নাই।

খ) ক প্ৰশ্নৰ উত্তৰত সবিশেষ কোৱা আছে। তথাপিও মই জনাব বিচাৰিছো যে কনিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা সম্পৰ্কত থকা নীতি নিয়মৰ ভিত্তিত যিবোৰ কনিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছে উক্ত মহাবিদ্যালয়বোৰ ৰাজ্যৰ বৃত্তিয় অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি পৰ্য্যায়ক্ৰমে প্ৰাদেশীকৰণ কৰাৰ বিষয়টো চিন্তা কৰা হব।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কনিষ্ঠ মহাবিদ্যালয় এখনো লোৱা হোৱা নাই। তেখেত এই বিধান সভাৰ সদস্য আছিল। যি সময়ত আগৰ চৰকাৰে জুনিয়ৰ কলেজ লৈছে তাৰ কাৰণে বাজেট নিৰ্দ্ধাৰনো হৈছিল। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনেকি ?

★ শ্ৰীযতীন মালী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা আছিল শিক্ষাৰ উন্নয়নৰ কল্পে অসমৰ বিভিন্ন মহকুমাত বহুকেইখন কনিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল সচানে। বাইজৰ উদ্যোগত যি বিলাক জুনিয়ৰ কলেজ প্ৰতিষ্ঠা হৈছিল সেই প্ৰক্ৰীয়াটো আচলতে কলেজ স্থাপনৰ কাৰণে সুচল নাছিল। মাননীয় অধ্যক্ষ মহোদয় এতিয়া কথা হৈছে যোৱা চৰকাৰৰ দিনত জুনিয়ৰ কলেজ প্ৰভিনচিয়েলাইজ কৰা হৈছিল এনে ধৰণে-তালিকা

প্ৰস্তুত কৰি টিভি আৰু ৰেডিঅ'ত প্ৰচাৰ কৰা হৈছিল। ইয়াৰ বাহিৰে জুনিয়ৰ কলেজৰ কাৰণে যি মাটি লাগে, ছাত্ৰ-ছাত্ৰী লাগে, শিক্ষক লাগে, প্ৰয়োজনীয় কাৰ্য্যালয়ৰ সহায়ক লাগে এই বিলাক একো নাছিল। আমি এতিয়া বিভাগীয় ভাবে আগবাঢ়িছো। এই বছৰৰ বাজেটত সোমাবৰ কাৰণে অনুৰোধ কৰিছো। আগৰ ৪৮ খন জুনিয়ৰ কলেজৰ ওপৰিও আৰু লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে বাজেট ধৰিছিল নেকি সেই কথা অনুগ্ৰহ কৰি মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীযতীন মালী : (ৰাজ্যিক শিক্ষামন্ত্ৰী) অধ্যক্ষ মহোদয়, উত্তৰটো এনেধৰণে দিলে বোধহয় ভাল হব। আৰু ডিত- কাগজ থাকে পইচা নাথাকে। বাজেট প্ৰভিজন আছিল কিন্তু টকা ধৰা হোৱা নাছিল।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : বাজেট ধৰা হৈছে কিন্তু টকা নাছিল। এইটো কি উত্তৰ দিছে। মন্ত্ৰী ডাঙৰীয়াই খেল ধেমালিৰ নিচিনা লৈ থাকিলে কেনেকৈ হব।

★ শ্ৰীপদ্ম হাজৰিকা : আগতেও বহুত প্ৰশ্ন কৰা হৈছিল কিন্তু কংগ্ৰেছৰ দিনত কংগ্ৰেছৰ মেম্বাৰচীপ লব লাগে বুলি জনোৱা হৈছিল।

★ শ্ৰীকৰুণা দত্ত : অসম দেশখনত বহুতো কনিষ্ঠ মহাবিদ্যালয় আছে আৰু শিক্ষাৰ উন্নতিকল্পে আগবঢ়াৰ কথাত সহানুভূতি পাইছে। যিখিনি মহাবিদ্যালয় সুচাৰুৰূপে চলি আছে আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰ-ছাত্ৰীয়ে স্বীকৃতি লাভ কৰিছে। যিখিনি মহাবিদ্যালয়ৰ তথ্যপাতি নাই, মাটিবাৰী নাই বা নৰ্মচ নাই সেই খিনিৰ বাহিৰে বাকীখিনিক পৰীক্ষাত কৃত্তিত্বৰ অৰ্জন কৰাৰ ভিত্তিত সুচাৰুৰূপে চলি থকা খিনিক চৰকাৰী কাৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীযতীন মালী : (ৰাজ্যিক শিক্ষামন্ত্ৰী) আমি বান্ধি দিয়া চৰ্ত্তসমূহ পূৰণ হলে আমি বিবেচনা কৰিম।

---

★ Speech not corrected

★ শ্ৰীবৃন্দাবন গোস্বামী : কনিষ্ঠ মহাবিদ্যালয়ৰ বিষয়টোৰে দীঘলীয়া সময় ধৰি খেলিমেলিৰ সৃষ্টি হৈছে। প্ৰাচটু স্তৰৰ কলেজ বিলাক হায়াৰ চেকেণ্ডাৰিয়ে মেনেজ কৰে। জুনিয়ৰ কলেজ ডিৰেক্টৰ চেকেনডাৰি এডুকেচনে চাব। একাডেমিক মেনেজমেণ্ট প্ৰাচটুৰ কাৰণে হায়াৰ চেকেণ্ডাৰিয়ে কৰে। এইটো আমাৰ সিদ্ধান্ত লোৱা হৈছিল ১৯৮৫ চনত। এতিয়া কথা হ'ল জুনিয়ৰ কলেজৰ একাডেমিক আৰু এডমিনিষ্ট্ৰেটিভ মেনেজমেণ্টৰ সম্পৰ্কত কিবা ব্যৱস্থা লৈছে নেকি। মেনেজমেণ্টৰ খেলিমেলিৰ কাৰণে বাজেট কোনজন ডিৰেক্টৰে কৰিব সেইটো পোনপটীয়া ভাৱে জনাব লাগে। ২ টু স্তৰ, দুবছৰীয়া পাঠ্যক্ৰমৰ একাডেমিক আৰু এডমিনিষ্ট্ৰেটিভ ক্ষেত্ৰত কি সিদ্ধান্ত লোৱা হৈছে আৰু বৰ্তমান কি ব্যৱস্থা কি আছে সদনত জনাব লাগে।

★ শ্ৰীযতীন মালী : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গোস্বামী ডাঙৰীয়াই এনে বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ এখন নোটিচ দিছে আৰু ১২ তাৰিখৰ দিন ঠিক কৰিছে। সেইদিনা খাতাং ভাৱে সদনত জনাম।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অসমত যিমান বিলাক বেচৰকাৰী ইংৰাজী বিদ্যালয় আছে ইয়াৰ ওপৰত লেজিচলেশ্বন আনিম বুলি কৈছিল, এই অধিবেশনতে আনিব নেকি জানিব বিচাৰিছো। মুখ্যমন্ত্ৰীৰ লগত ছয়গাওঁৰ এখন স্কুলৰ ৰূপালী জয়ন্তী উৎসৱত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই কথা উত্থাপন কৰিছিল।

মাননীয় অধ্যক্ষ : এইটো চেপাৰেট কুয়েশ্বন লাগিব।

Mr. Speaker : Now Starred Question No. 26. Hon'ble Member Sri Rasidul Haque.

***বিষয় : জলসিঞ্চনৰ পানী।***

শ্ৰীৰচিদুল হকে সুধিছে :

---

★ Speech not corrected

★ ২৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰাজ্যখনৰ মুঠ কিমান এলেকা ( খেতিৰ মাটি ) জলসিঞ্চনে সামৰি লৈছে ?

খ) এতিয়াও জলসিঞ্চনে সামৰি লব নোৱাৰা খেতিৰ মাটিত প্ৰয়োজনীয় পানী যোগান দিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৬.২৭ লাখ হেক্টৰ।

খ) এতিয়াও জলসিঞ্চনে সামৰি লব নোৱাৰা প্ৰায় ২০.৭৩ লাখ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অলপতে গঠন কৰি দিয়া উচ্চ ক্ষমতা সম্পন্ন আয়োগৰ ( High Power Commission ) ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছে।

★ শ্ৰীৰকিবুল হক : চাৰ, মন্ত্ৰী মহোদয়ে উত্তৰত ৬.২৭ লাখ হেক্টৰ মাটি সামৰি লোৱা বুলি জনাইছে। এইটো বাস্তৱত আছে নে কাগজে কলমে আছে জনাবনে ?

★ শ্ৰীআব্দুল মুহিব মজুমদাৰ : ( জলসিঞ্চন মন্ত্ৰী ) চাৰ বাস্তৱতো আছে কাগজ কলমতো আছে।

★ শ্ৰীৰকিবুল হক : এইটো বাস্তৱত অনাৰ কিবা ব্যৱস্থা কৰিবনে কিয়নো পানী উল্টা ফালে যায়। জলসিঞ্চন বিভাগটো অতি প্ৰয়োজনীয়। মোৰ ভতিজা ডাঃ জয়নাথ শৰ্মা জলসিঞ্চন মন্ত্ৰী থাকোতে সেই বিলাক ঠাই চাবলৈ মোৰ লগত গৈছিল। গতিকে এতিয়া বাকী থকা খিনিক সামৰি লবৰ ব্যৱস্থা লব নেকি আৰু হাউচ কমিটি কৰি দিবনে।

★ ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) : মই জলসিঞ্চন মন্ত্ৰী থাকোতে চাবলৈ গৈছিলো দুটা চেনেল আৰু কোনে তৈয়াৰ কৰিছিল সোধাত ঠিকাদাৰ তেখেত আছিল বুলি মোক কৈছিল।

( সদনত হাঁহিৰ বোল উঠে )

★ Speech not corrected

★ শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই জানো কিছুমান ঠাইত পানীৰ অসুবিধা আছে সেয়ে তেখেতে যদি জয়নাথ শৰ্মাক যি দৰে লৈ গৈছিল সেইদৰে মোকো লৈ যায় তেন্তে মই চাই আহি ব্যৱস্থা লব পাৰিম।

★ শ্ৰীৰচিতুল হক : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় তুবাৰ মোৰ সমষ্টিলৈ গৈছে। মোৰ সমষ্টিটোত ৪টা প্ৰকল্প আছে সেইটোৰ অৱস্থা বেয়া হোৱাত এতিয়া ৰাইজে নিজেই পইছা উঠাই মেৰামতি কৰি লৈছে। তেখেতে এটা দিন দিলে মই তেখেতকো মোৰ সমষ্টিলৈ লৈ যাব পাৰিম। দিনটো আজিয়েই দিলে ভাল হয়।

★ শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক গৰাকীক দিন এটা দিম কিন্তু আজিয়েই দিন দিয়াটো সম্ভৱ নহব।

★ শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জলসিঞ্চনৰ ক্ষেত্ৰত ৬'২৭ লাখ হেক্টৰ মাটি সামৰি লোৱা বুলি কৈছে। অৰ্থাৎ ৬'২৭ লাখ হেক্টৰ মাটিত জলসিঞ্চন কৰা হৈছে। ইয়াৰ ভিতৰতে তেখেতে ধনশিৰী প্ৰকল্পটোও সামৰি লৈছে নেকি? এই ধনশিৰী প্ৰকল্পটো তুবাৰ তুজন মুখ্যমন্ত্ৰীয়ে ফিটা কাটি উদ্বোধন কৰিছিল কিন্তু আজিও তাত পানী ওলোৱা নাই। এইটোৰ কিবা ব্যৱস্থা কৰিব পৰা যাবনে মন্ত্ৰীয়ে জনাবনে?

★ শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ধনশিৰী প্ৰকল্পটোৰ সমন্ধে এটা বেলেগ প্ৰশ্ন আছেই। তথাপিও কওঁ ধনশিৰী প্ৰকল্পটো এতিয়াও সম্পূৰ্ণ হোৱা নাই। তুয়োজন মুখ্যমন্ত্ৰীয়ে একেলগে একে ঠাইতে বহুৱাব পৰা নাই আমি এতিয়াও কাৰণ তুয়োজন মুখ্যমন্ত্ৰীৰে বুজাবুজিৰ প্ৰয়োজন আছে এই ক্ষেত্ৰত।

★ Speech not corrected

★ শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা ছাপ্লিমেণ্টেৰী আছে। প্ৰথমটো হল মন্ত্ৰী মহোদয়ে কৈছে অসমত জলসিঞ্চনে সামৰি লোৱা মাটি আছে ৬'২৭ লাখ হেক্টৰ আৰু জলসিঞ্চনে সামৰি লব নোৱাৰা মাটি ২০'৭৩ লাখ হেক্টৰ। খেতি কৰাব পৰা কিমান মাটিত জলসিঞ্চন হোৱা নাই আৰু ওৱেষ্ট লেণ্ড কিমান আছে আৰু অসমৰ মাটি কালি কিমান মন্ত্ৰী মহোদয়ে এইটো আমাক জনাবনে ?

Shri Abdul Muhib Mazumder, (Minister) : Mr. Speaker Sir, If you permit me I want to say that in Assam the total cultivable land is about 40 lakh hectares. Out of this, the land which could be brought under irrigation coverage is 27 lakh hectares and out of this 27 lakh hectares, around 7 lakh hectares of area have already been covered as stated here. The rest of the area is still uncovered because of the various reasons. Such as, schemes have been taken but not completed, new schemes are required to be taken up but there is paucity of fund.

Shri Holiram Terang : What I wanted to know whether the total area in Assam which is cultivable has been irrigated or yet to be irrigated ? The land which is not cultivable that should be treated as waste land and what is the area of such land ?

Shri Abdul Muhib Mazumder, (Minister) : Total cultivable area is 40 lakh hectares. Now, 27 lakh hectares of land is to be brought under irrigation coverage and out of this total area 7 lakh hectares has

already been brought under irrigation coverage.

Shri Holiram Terang : Sir, I think, there is a scheme Called Acceleuated Irrigation Benefit Programme. (AIBP) I believe. two districts in Assam has been brought under this scheme. One is Karbi Anglong District and the other I do not know. There is a likelihood that Karbi Anglong will not be getting that amount though Central Government has given Rs. 1.3 crores. This money has already been sanctioned but the State Government is reluctant to give this money. Minister should clarify if they have refused to give the matching grant for this and thus Karbi Anglong has been deprived of this money.

Shri Abdul Muhib Mazumder, (Minister) : Probably I will require a separate question on this. However, I would like to say that under this scheme the amount that has been given possibly is about Rs. 7 crores. Out of this Rs. 3.75 crores has already been release for the State But because of various difficulties and financial stringency of the State, we have been given only Rs. 50 lakhs out of that. We are trying to get more amount. There is no question of leaving out Karbi Anglong District.

Mr. Speaker : Now Starred Question No. 27, Hon'ble Member Shri Aminul Islam.

Re : Measures taken about pollution.

★ 27 Will the Minister of Science Technology & Environment be pleased to state :

What measures the Government have taken to ensure pollution free atmosphere ?

Shri Haji Abdul Rouff ( Minister ) replied ;

The Pollution Control Board constituted by the State Government. on 2nd June, 1975 have been taking legal action against polluting Industries under the provisions of the water ( Prevention and Control of Pollution ) Act. 1974, Air ( Prevention and Control of Pollution ) Act 1981 and the Environment ( Protection ) Act, 1986 and rules framed there under. The Pollution Control Board has organised mass awareness programme, work-shops, seminars exhibitions etc, in different parts of the State to make people aware of the various aspects of the pollution and have been taking legal action against the Industries, Institutions violating the provision of the Air ( Prevention and Contrel of Pollution ) Act, 1981 and Water ( Prevention and Control of Pollution ) Act, 1974 and Environment ( Protection ) Act, 1986.

Shri Aminul Islam : Mr. Speaker Sir, may I know from the Hon'ble Minister that how many Metric Tonnes of Carbon Di-oxide and Carbon Monoxide approximately are found in the atmosphere daily that is polluting the atmosphere ?

Shri Haji Abdul Rouf ( Minister of State Science & Tech.

(Ind): In this connection, I want to say that we have sent our Surveyors to collect pollution report from the industries and for that we have also set up 5 (five) zones. They are working in Assam and we are expecting their reports.

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত যিবিলাক উদ্যোগ আৰু অনুষ্ঠান আছে সেইবিলাকে প্ৰদূষণৰ সৃষ্টি কৰি আছে। ইয়াৰ বাহিৰেও মহানগৰী খনত সিমান বিলাক গাড়ী চলি আছে সেই বিলাকেও প্ৰদূষণৰ সৃষ্টিকৰি আছে। সেই গাড়ীয়েও পৰিবহন বিভাগৰ পৰা পাৰ্মিট লৈয়ে চলাই আছে। এই গাড়ীবিলাকৰ বিৰুদ্ধে কি একচন লোৱা হব।

Shri Haji Abdul Rouf, (Minister): Actually the pollution by vehicles is very dangerous. The Pollution Control Board of Delhi has taken various measures in this regard but failed. The Pollution Control Board, Assam suggested the Transport Department that the diesel vehicles which are polluting the atmosphere very badly, they should suggest for their immediate repairing. We are also trying to import the technology from Germany to free the polluted atmosphere from pollution.

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক গাড়ী প্ৰদূষণৰ কাৰণে দিল্লীত চলোৱাটো নিসিদ্ধ কৰিছে সেই গাড়ীবোৰ গুৱাহাটীলৈ আনি চলাই আছে। গুৱাহাটীৰ পৰিবহন নিগমৰ বিভাগেও সেই গাড়ীবোৰ চলাবৰ বাবে পাৰ্মিট দি আছে।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত পলিউচন টো বহুত বেছি হৈছে। এদিন যোৱা বাটত গৈ বহিলেই এই কথাৰ উমান পাব। যদি আইন ইতিমধ্যে আছেই তেনেহলে আইনগতভাৱে ব্যৱস্থা

লওক আৰু যদি আইন নাই তেতিয়া হলে নতুনকৈ আইন প্ৰনয়ণ কৰি হলেও এই ক্ষেত্ৰত ব্যৱস্থা ললে ভাল হয়।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত ফটাশীল আমবাৰীত এটা শিলিকেট উদ্যোগ আছে। এই উদ্যোগটোৰ ফলত বিভিন্ন মানুহৰ কেন্সাৰ হৈছে বুলি বহুত ৰাইজে অভিযোগ দিছে। এই ক্ষেত্ৰত আমাৰ নৱহ ডাঙৰীয়া আৰু গোস্বামী ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে এইটো গুৰুত্বপূৰ্ণ হৈছে। এই ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয় পলিউচন কণ্ট্ৰোল কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে বা লব আমাক জনাব নে ?

শ্ৰীপ্ৰদীপ হাজৰিকা ( পৰিবহন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি অনুমতি দিয়ে তেতিয়া হলে মই এষাৰ কথা কব বিচাৰিছো ইতিমধ্যে এই বিষয়টো পৰিবহন বিভাগৰ দৃষ্টিত আহিছে। আমি মুখ্য সচিবক লগত লৈ কেইবাবাৰো আলোচনাত বহিছিলো। আমাৰ লগত পলিউচন বিভাগৰ মুৰব্বীও আছিল। আমি আলোচনা কৰিছো পৰিবহন বিভাগ, প্ৰদূষণ বিভাগৰ ভিতৰত কোনে দায়িত্বটো লব ? এই কামখিনি কৰিবৰ কাৰণে প্ৰয়োজন হলে যদি কোনো প্ৰাইভেই চেন্টৰো আগবাঢ়ি আহে আমি তেওঁলোককো সামৰি আমি তিনিওটা বিভাগে এই কামটো ভালদৰে কৰিব পাৰিম বুলি ভাবিছো।

Shri Abu Saleh Najmuddin : Whether the Hon'ble Minister Science and Tecnology is aware that the waste product of Hindusthan Paper Corporation at Panch Gram is polluting the atmosphere there in the whole of Barak Velly i. e. all the Districts of Cachar, Karimganj and Hailakandi and as a result the number cancer patients has been increasing day by day as per the date of 1996. Whether Government has taken any measures

in this regards to remove the pollution problem there.

Shri Haji Abdur Rouf ( Minister) : No such information is available with us. However, we will varify the matter and we will take necessary steps in this matter.

Mr. Speaker : Now, Starred Question No. 28, Hon'ble Member Shri Mohan Das.

*বিষয়—শিক্ষক নিযুক্তিৰ অনিয়ম।*

শ্ৰীমোহন চন্দ্ৰ দাসে সুধিছে ;

★ ২৮। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিগত চৰকাৰৰ দিনত শিক্ষা বিভাগত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত হোৱা ব্যাপক অনিয়ম সম্পৰ্কে চৰকাৰে তদন্ত কৰিছে নেকি ?

(খ) যদি কৰিছে তেন্তে সেই সম্পৰ্কে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ;

(ক) হয় তদন্ত কৰা হৈছে। অসম মন্ত্ৰী সভাৰ সিদ্ধান্তৰ ভিত্তিত এছ মনোহৰণৰ দায়িত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰি দিয়া হৈছিল।

(খ) তদন্ত আয়োগে ইতিমধ্যে তদন্তৰ কাম সম্পূৰ্ণ কৰি ইয়াৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছে।

চৰকাৰে উক্ত প্ৰতিবেদন বৰ্ত্তমান সক্ৰিয়ভাৱে পৰীক্ষা কৰি আছে।

★ শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা কেইটামান কথা জানিব বিচাৰিছো যে প্ৰথমটো হল তদন্ত আয়োগৰ প্ৰতিবেদন আৰু ইয়াৰ কাৰ্য্যকৰী কৰণ। শিক্ষা বিভাগত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দিয়া বিজ্ঞাপন। এই ২ টা কাম কাজৰ সন্দৰ্ভত মই জানিব বিচাৰিছো। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ব্যাপক

অনিয়ম সম্পৰ্কে চৰকাৰে দিহা কৰা তদন্তত নিশ্চিত হব পাৰো নে ? যদি নহয় এই নিযুক্তিৰ প্ৰক্ৰিয়াটো কেতিয়া আৰম্ভ হব ? ঠিক তাৰিখটো নহলেও আমি সমষ্টিলৈ গলে বাইজে আমাৰ পৰা এই বিষয়ে জানিব বিচাৰে।

দ্বিতীয়তে প্ৰতিবেদন তদন্ত আয়োগে চৰকাৰৰ ওচৰত দাখিল কৰিছে যদিও তাত ব্যাপক অনিয়ম হৈছে। যদিও এইখন অপেন চিক্ৰেট প্ৰতিবেদন। ইয়াতো দুৰ্নীতি জড়িত আছে। যি সকল শিক্ষকে অনিয়মভাৱে চাকৰি পাইছিল তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱাৰ পিচত তেওঁলোকে নিশ্চয় কোৰ্টলৈ যাব। আমি আশা ৰাখিছো চৰকাৰে এই বিষয়ত কিবা এটা সিদ্ধান্ত লব। দেখা যায় আমাৰ ফৰ্মবিলাক ভাল নহয় মই এই কথাখিনিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ শ্ৰীযতীন মালী ( মন্ত্ৰী, শিক্ষা বিভাগ ) : মাননীয় অধ্যক্ষ মহোদয়, তদন্ত আয়োগৰ প্ৰক্ৰিয়া আৰু প্ৰতিবেদনৰ লগত বৰ্ত্তমানৰ নিয়োগ ব্যৱস্থাৰ সম্পৰ্ক আছে বুলি মই নাভাবো। নিয়োগ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। ২৮ ডিচেম্বৰত জাননী দিয়াৰ পিচত নিয়োগ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু শিক্ষকৰ তালিকাখন প্ৰস্তুত কৰাৰ পিচত এপইণ্টমেণ্ট দিব পৰা যাব। তদন্ত সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। তদন্তৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিচত এফেকটেড সকলে কি কৰিব সেইটো আলোচনা কৰিব পাৰি কিন্তু কি কৰা হব সেইটো এতিয়া একো কব নোৱাৰি।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মনোহৰম কমিটি গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য। এজনীয়া তদন্ত আয়োগৰ প্ৰতিবেদনখন সদনৰ মজিয়াত এই বাজেট অধিবেশনতে দাখিল কৰিব নেকি ?

শ্ৰীযতীন মালি ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, ইয়াত পেজ নং—১৭ Quote "The Hon'ble Members of this August House have on several occasions expressed serious concern over the allegations of irregular appointment of teachers. The

State Government is alive to the need for qualified teachers to ensure better education in the schools in the State. The Government constituted an enquiry committee to enquire into the allegations of illegal and irregular appointments in the schools made during the previous years. Follow up action is being taken on this report. Steps have been taken for stremlining the recruitment of teachers in the schools. Implemention of DPEP is also making satisfactory progress. Unquote. গতিকে সদনে বিচাৰিলেও প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিচত প্ৰতিবেদন দাখিল কৰাটো অসুবিধা নাছিল ।

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয় ৩৬ নম্বৰ প্ৰশ্ন আছিল I want to know from the Hon'ble Minister that how many teachers from total post SC/ST are appointed in the L. P. and M. E. Schools but no suitable reply has been given by Hon'ble Minister. It becomes clear that the Hon'ble Minister tried to mislead the house as well as the SC/ST people as a whole. এইটো মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। মনোহৰম কমিটি ষ্টাডি কৰিবলৈ দিয়া হৈছে বুলি কৈছে। বৰ্ত্তমান এইটো চৰকাৰৰ হাতলৈ আহিছে। মই জানিবলৈ পাৰিছো যে এচ. চি/এচ. টি, মানুহ বিলাকক মন্ত্ৰী ডাঙৰীয়াই অবমাননা কৰা দেখা গৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীযতীন মালি ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, এচ. চি, /এচ. টি ৰ ক্ষেত্ৰত কাইটেৰিয়া বিচৰা হৈছে। বিভাগৰ পৰা ৰিপোৰ্ট বিচৰা হৈছে কিন্তু এতিয়াল পোৱা নাই ।

( Starred Question No. 29. was not raised as the Hon'-

ble Member was present in the House when called for. However the same deemed to have been lapsed.)

Mr. Speaker : Now Starred Question No. 30 Hon'ble Member Shri Sukur Ali

*বিষয় :— শিক্ষক নিযুক্তি ।*

শ্ৰীশুকুৰ আলী

শ্ৰীআবু বক্কৰ চিদ্দিকি জোতদাৰ :

ডাঃ কল্যাণ কুমাৰ গগৈ :

শ্ৰীপৃথিৱী মাঝী :

শ্ৰীৰাজেদ আলী চৌধুৰী য়ে সুধিছে :

★ ৩০। মাননীয় মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বিষয় শিক্ষক. উচ্চ মাধ্যমিক. মধ্য ইংৰাজী, মজলীয়া আৰু প্ৰাথমিক শিক্ষক পদ মুঠ কিমানটা খালি আছে ?

(খ) যোৱা ২৮ ডিচেম্বৰত শিক্ষক নিযুক্তিৰ বাবে শিক্ষা বিভাগৰ বিজ্ঞাপন মৰ্মে কিমানজন প্ৰাৰ্থীয়ে আবেদন কৰিছে ?

(গ) শিক্ষক পদৰ প্ৰাৰ্থীৰ পৰা ট্ৰেজাৰী চালান যোগেদি কিমান টকা ৰাজহ কোষলৈ আহিল ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক পৰ্য্যায়ত ৭৫০০ টা আৰু মাধ্যমিক পৰ্য্যায়ত ১২০০ শিক্ষকৰ পদ বৰ্ত্তমানে পোৱা তথ্যমতে খালি আছে।

(খ) বৰ্ত্তমানলৈকে পোৱা তথ্য অনুযায়ী ৬,৪৩৬৮৮ খন দৰখাস্ত পোৱা হৈছে।

(গ) বৰ্ত্তমানলৈকে পোৱা তথ্য মতে ১,৫০,১৮,৬৭২'৫০/- ( এক কোটি পঞ্চাশ লাখ আঠাৰন্ন হাজাৰ ছয়শ বাসত্তৰ টকা আৰু পঞ্চাশ পইচা ) মাত্ৰ টকা জমা হৈছে।

শ্ৰীচুকুৰ আলি : মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষা, মাধ্যমিক, প্ৰাথমিক শিক্ষা বিষয়া শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে নেকি, যদি হৈছে কিমান পদ সৃষ্টি কৰা হৈছে ? বিবিলাক স্কুলত অতিৰিক্ত শিক্ষক আছে, তেওঁলোকৰ বাবে পদ সৃষ্টি কৰিব নেকি, মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীযতীন মালি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অতিৰিক্ত পদৰ বাবে চিন্তা কৰা হোৱা নাই। আমাৰ চৰকাৰে নতুন পদ ক্ৰিয়েট কৰা নাই, আগৰ বিলাকে বিভাগত আছে। এই সম্পৰ্কে যিখিনি তথ্য লাগে মই দিব পাৰিম।

শ্ৰীআবু বক্কৰ চিদ্দিক জোটদাৰ : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকৰ চাকৰিৰ বাবে আবেদন গ্ৰহণ কৰা হল যিটো সেই আবেদনৰ লগত কিছুমান দুখীয়া প্ৰাৰ্থীয়ে ট্ৰেজাৰী চালান দিব নোৱাৰিলে। সেই প্ৰাৰ্থী সকলক সাক্ষাৎকাৰ লোৱাৰ সময়ত চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি ? ইতি-মধ্যে বিভিন্ন মহলত ট্ৰেজাৰী চালান উঠাই দিয়াৰ কথা ওলাইছিল। এই সম্পৰ্কে চৰকাৰৰ বক্তব্য কি ? ট্ৰেজাৰী চালানৰ টকা ঘূৰাই দিব নেকি, এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীযতীন মালি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেজাৰী চালান দিব লাগে, কোনোবাই যদি দিয়া নাই নাকচ হব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় সদস্যক সুধিব খুজিছো পইচাৰ অভাবত আবেদন কৰিব নোৱাৰা প্ৰাৰ্থী আছে নেকি, এনেকুৱা তথ্য আমাৰ হাতত নাই। আমি যিখিনি টকা লৈছো এই বিষয়ে বহুত লিখা লিখি হৈছে। টকাখিনি ঘূৰাই দিয়াৰ কথাও উঠিছে। বেংক, ৰেইলৱে, আই, চি. আদিত পইচা ললে মানুহে একো নকয়, আমাৰ হলে কয়।

শ্ৰীওৱাজেদ আলি চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, সাত হেজাৰ পাঁচ শ পদ থকা বুলি শুনিছো ? এই পদ বিলাক কেনেকৈ খালি হ'ল ? ৰিটেয়াৰ্ড ভেকেনচি নে ডেড ভেকেনচি, মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীযতীন মালি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যি সাত হেজাৰ পাঁচ শ পোষ্ট নতুন ওলাইছে সেই বিলাক আগৰ যিখিনি আছে তাৰ লগত সংশ্লিষ্ট আছে।

( Starred Question No. 30 was not raised as the Questioner was absent in the House when called for However, the same deemed to have been lapsed. )

Mr. Speaker : Now starred Qnestion No. 32 Hon'ble Member Shri Jyotish Das.

*বিষয় ঃ উদ্যোগ গোট বিকাশ কেন্দ্ৰ ।*

★ ৩২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি, জনাবনে-ঃ

(ক) গোৱালপাৰা জিলাৰ মাটিয়াত উদ্যোগ গোট বিকাশ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত কেতিয়া লোৱা হৈছিল ?

(খ) সেই কেন্দ্ৰটোৰ বাবে ইতিমধ্যে ২০৮৫ বিঘা মাটি আবণ্টন দিয়া কথাটো সচানে ?

(গ) যদি সচা হয়, বৰ্ত্তমানে কেন্দ্ৰটি স্থাপনৰ ক্ষেত্ৰত কি কাৰ্যকৰী ব্যৱস্থা চৰকাৰে হাতত লৈছে ?

শ্ৰীগুনিন হাজৰিকা মাননীয় উদ্যোগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ;

(ক) ইং ১৯৯৬ চনৰ নবেম্বৰ মাহত।

(খ) অসম চৰকাৰৰ RSS. 574/94/165 dated 21-11-96 নং চিঠিৰে গোৱালপাৰাৰ উপায়ুক্তক ২০৮৫ বিঘা চৰকাৰী মাটি অসম উন্নয়ন নিগমৰ নামত সংৰক্ষণ কৰি ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এই নিৰ্দ্দেশ মৰ্মে উপায়ুক্তই অসম উন্নয়ন নিগমক সদ্যহতে ১৮২৩ বিঘা ৩ কঠা ৩ লেছা মাটি দখল দিয়াৰ যো-যা কৰি আছে।

(গ) অসম চৰকাৰৰ ৰাজহ বিভাগে গোৱালপাৰা জিলাৰ মাটিয়াত ২০৮৫ বিঘা চৰকাৰী মাটি অসম উদ্যোগিক উন্নয়ন নিগমৰ নামত সংৰক্ষণ কৰি ৰাখিবলৈ সেই জিলাৰ উপায়ুক্তক নিৰ্দ্দেশ দিছে। উন্নয়ন নিগমে সেই মাটিত জৰীপৰ কাম কাজ কৰিছে। লগতে প্ৰকল্প প্ৰতিবেদন তৈয়াৰ কৰিবলৈ অসম উদ্যোগিক উন্নয়ন নিগমে ভাৰত চৰকাৰৰ

জাতীয় উদ্যোগিক উন্নয়ন নিগমক ( NSIC ) নিযুক্তি দিছিল। জাতীয় উদ্যোগিক উন্নয়ন নিগমে যোৱা ফেব্ৰুৱাৰী মাহত সেই প্ৰতিবেদন দাখিল কৰে। সদাহতে, সেই প্ৰতিবেদন ভাৰত চৰকাৰ আৰু নিয়ম অনুযায়ী ভাৰতীয় উদ্যোগিক বিত্তীয় নিগম ( Industrial Finance Corporation ) ৰ ওচৰত প্ৰকল্প প্ৰতিবেদন পৰীক্ষা আৰু প্ৰকল্পৰ অনুমোদনৰ কাৰণে দাখিল কৰা হৈছে।

★ শ্ৰীজ্যোতিষ দাস : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ মাটিয়াত উদ্যোগ গোট বিকাশ কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত অৱহেলিত হৈ আছে। যদি এই ইণ্ডাষ্ট্ৰি স্থাপন কৰা হয় দুই তিনিশ নিবনুৱা সংস্থাপিত হ'ব। তাত ইণ্ডাষ্ট্ৰিটো হলে খাচ লেগু মুক্ত হ'ব। ইণ্ডাষ্ট্ৰি স্থাপন কৰাৰ কাৰণে ভাৰত চৰকাৰৰ পৰা টকা দিয়া হৈছে। গোৱালপাৰা জিলাৰ মাটিয়াত স্থাপন কৰিবলৈ লোৱা ইণ্ডাষ্ট্ৰিটো যাতে আন ঠাইলৈ স্থানান্তৰ কৰা নহয়, মাটিয়াতে স্থাপন কৰা হয় তাৰ বাবে মই অনুৰোধ জনাইছোঁ।

★ শ্ৰীগুনিন হাজৰিকা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই জনাইছো যে ইণ্ডাষ্ট্ৰিটো মাটিয়াতে স্থাপন কৰা হ'ব। এতিয়া এইটো মই মাননীয় সদস্যক জনাইছো।

Mr. Speaker : Now Question Hour is Over.

( Starred Question Nos. 33 to 40 could not be taken up as the Question Hour was over. However the replies of the said questions deemed to have been laid on the table to the House. )

Re : Teachers of Elementary Education.

Dr. Ardhendu Kumar Dey asked ;

★ Will the Minister of Secondary and Elementary Education be pleased to state :

(a) Whether it is fact that Government has taken decision

★ Speech not corrected

to discharge some thousands of Teachers in Elementary Education ?

(b) If so, what is the total number and what is the reason for their removal ?

(c) Whether any enquiry was instituted for taking such decision ?

(d) If so, please submit the enquiry report in the Assembly ?

Shri Jatin Mali ( Minister ) replied :

(a) No.

(b) Does not arise.

(c) An one-man enquiry committee was set up to enquire into the alleged irregular and illegal appointments of teachers and Shri S. Manoharan, IAS has since submitted his report which is under examination of the Government.

(b) Government is still examining the report and if and when necessary it can be placed before the August House.

Re : Pension Provision for the College Employees.

Shri Sheikh Abdul Hamid, asked :

★ 34. Will the Minister of Higher Eduction be pleased to state :

(a) Is it a fact that Hon'ble Minister, Higher Education assured the House during his budget reply in December, 1996 session that pension provision for the College, Employees will be introduced in the State,

(b) If so, steps taken by Government so far,

Shri Thaneswar Boro ( Minister Higher Education, ) replied ,

(a) Yes.

(b) In this connection a Committee on the proposed pension scheme has been formed for drafting on the pension scheme for College Teachers and employees. The Committee is examining the proposal.

Re : Hindi Teachers.

Shri Abu Saleh Nazmuddin, asked ;

★ 35. Will the Minister of Education be pleased to state :

(a) Whether the Hindi teachers ( C. S. S. ) working at different High Schools / High Madrassa in the District of Karimganj are receiving their salaries since 1995 ?

(b) If not, then whether the Government will make necessary arrangement for regular disbursement of salaries of Hindi teachers ( C. S. S. ) ?

(c) If yes, then from when ?

Shri Jatin Mali ( Minister ) replied ;

(a) (b) (c) The salaries for the yeer 1995-96 were kept in Revenue Deposit. For the year 1996-97 steps are being taken to release the salaries soon.

Re : Misappropriation of Government Money.

Shri Misbahul Islam Laskar, asked.

★ 36. Will the Minister of Education (Primary) be pleased to state :

a) Whether any action has been taken against Shri B. K. Goswami, D. I of School, Silchar, now posted at North Lakhimpur for his alleged misappropriation of Government money to the tune of Rs. 1.5 crores during his tenure of office at Silchar as per complaint submitted to the Commissioner, Education ?

b) If so, the action taken and if not why ?

c) Whether district Elementary Education Officer can delegate power of appointment to a Block Elementary Education in a permanent vacancy ?

d) If not, how can Shri B K. Goswami the formen, B. E. E. O, Katigorah can appoint Smti Saswati Chodhury in a regular post at 42 Baikunthapur L.P. School vide his order No. 1019-24, dated 4th May, 1990 ?

Shri Jatin Mali (Minister) replied,

a) The Government have constituted a committee under the

b) Joint Secretary, Education Dapartment to enquire into the allegations.

c) No

d) The matter is being enquired into and necessary action will be taken.

Re : Appointments in M. E. and M. V. Schools

Shri Gautam Roy, asked,

★ 38. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that a case was filed by Abdul Munim Laskar under section 468/471 120-B. C. R. case No 89/97 in the Court of Junior Division Judge, Mr. K. Choudhury, against D. E. E. O., Hailakandi and others ?

(b) Whether it is a fact that the D. E. E. O., Hailakandi has issued several appointments as teachers in M. E. and M. V. Schools in March, 1995 ?

(c) Whether he has been given the direction to issue such appointment letters in back date and if so, who has given the order ?

(d) What action will be taken against those officials who are involved in these appointment ?

Shri Jatin Mali ( Minister ) replied ;

(a) A case was registered under sections 420/406/409/468 /120 (B) IPC read with Sections 4/5/7 of prevention of corruption Act on the complaints of one Sunamia Barbhuiya and on the basis of FIR lodged by Deputy Commissioner Hailakandi.

(b) As per report received so far, Shri Suraj Ali Laskar D.E.E.O., Hailakandi issued letters of appointment in favour of Smti Geeta Sutradhar, Smti Luthfa Begum Laskar, Smti Aleya Begum Laskar, Shri Amir Uddin

Laskar and Shri Alim Uddin Barbhuiya as Asstt. teachers in different Schools vide memo No. DEH. 34/95/9777–92 dated 31–3–95. But all these appointments were vague and false as no such appointments were made actually on 31-3-95 but issued recently

(c) No.

(d) Shri Suraj Ali Laskar has been placed under suspension and he has been evading arrest.

***বিষয়—শিক্ষক পদৰ বাবে আবেদন।***

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

★ ৩৯। মাননীয় শিক্ষা ( প্ৰাথমিক আৰু মাধ্যমিক বিভাগৰ মন্ত্ৰী ) মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা জানুৱাৰী ( ১৯৯৭ ) মাহত প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন শিক্ষক পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰি জাননী দিয়াটো সচানে ?

(খ) যদি সচা, কিমান প্ৰাৰ্থীৰ পৰা ( হিন্দী শিক্ষক পদৰ প্ৰাৰ্থীসহ ) আবেদন পোৱা হৈছে ? ( জিলা ভিত্তিত শিক্ষক পদৰ পৰ্য্যায় অনুসৰি জনাব )

(গ) উক্ত পদ প্ৰাৰ্থীৰ আবেদনৰ লগত মাচুল বিচৰাটো সচানে ?

(ঘ) যদি সচা, কাৰণ কি ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে,

(ক) যোৱা ১৯৯৬ চনৰ ২৮ ডিচেম্বৰ তাৰিখে জাননী দিয়া হৈছিল।

(খ) মাধ্যমিক পৰ্য্যায়ত ৭৫,৫২৪ খন, মজলীয়া স্কুলৰ শিক্ষক পদৰ বাবে ১,৬৪,০৩৫ খন আৰু নিম্ন প্ৰাইমাৰী স্কুলৰ শিক্ষক পদৰ বাবে ৪,০৪১২৯ খন আবেদন এতিয়ালৈকে তথ্য অনুযায়ী পোৱা হৈছে।

(গ) সঁচা।

(ঘ) প্ৰাৰ্থী নিয়োগ সম্পৰ্কত প্ৰয়োজন হব পৰা যাবতীয় খৰচৰ বাবে মাচুল লোৱা হৈছে।

Re : Gratuity Payment In A. T. C. Gardens

Shri Sukhendu Shekhar Dutta. asked ;

★40 Will the Minister of Industries be pleased to state :

a) Whether the labourers of A. T. C. gardens in Karimganj District get their gratuity benefit as per rule ?

b) Whether there are cases of non-payment of gratuity in the A. T. C. Gardens of Karimganj District ?

c) If yes, how many such cases are pending till 1995 and since which year ?

Shri Gunin Hazarika ( Minister ) replied ;

a) Yes, labourers of A. T. C. gardens in Karimganj District are getting their gratuity benefit as per provision of payment of gratuity Act.

b) Yes, there are some cases in the A. T. C. gardens as a whole including Karimganj District of non-payment of gratuity due to paucity of fund which are being released as and when fund is available.

c) Till 1995, following such cases are pending :

Langai Tea Estate — 272 Nos. Rs. 18,35,061.72

Isabheel Tea Estate — 156 Nos. Rs. 8,53,969.70

Bidyanagar Tea Estate — 207 Nos. Rs. 5,27,427.00

Re : Additional post for M. E. and L. P. Schools.

Smti Pramila Rani Brahma, asked ;

36. Will the Minister of Education ( Secondary & Elementary ) be pleased to state :

a) How many posts for additional teachers for M. E. and L. P. Schools had been created since 1991 to 1996 in the State and how many S. C. and S. T. teachers have been appointed from in said posts ? ( The name and Schools of both M. E. and L. P. Schools were the S. C. & S. T. teachers have been appointed may kindly be placed in the table of the House ).

Shri Jatin Mali ( Minister ) replied ,

a) 32,948 posts of teachers were created during the period from 1-3-1991 to 30-4-96.

a) The matter regarding the appointment of teachers is under the purview of Monoharan Committee and and after completion of the examination of the report of the Committee, the details may be known to Government.

Re : Non Sanction Assamese Language Teachers post in Karimganj.

Sri Shambhu Singh Mallah, asked,

37. Will the Minister of ( Elementary ) Education be pleased to s tate.

a) Is it true that in Karimganj District in few M. E.

M. V./ Madrassas & Sr. Basic Schools Assamese Language teachers are serving on honourary basis since 1976.

b) Is it a fact that hundreds of Assamese Language teachers posts were sanctioned in the year 1987 and the same No. of post in the year 1991 but the honourary Assamese Language Teachers of Karimganj District were deprived in the matter of regularisation of their services ?

c) If yes, will the present Government take concrete decision to sanction the posts of Assamese Language teachers in Karimganj district.

d) Whether the Government has received Memorandum/ resolution from the General Secretary and President of Non-sanctioned Assamese Language Teachers Association, Karimganj ?

e) If so, what steps have been taken thereof ?

Shri Jatin Mali ( Minister ) replied :

a) Yes, Assamese Language teachers have been working on honourary basis since 1976.

b) Government created 100 Language teacher posts in 1987. No Assamese Language thacher post was created during 1991.

c) We have not taken any decision in this regard up to now. Later the mattar will be examined in near future subject to availability of fund.

d) Yes.

e) The matter is being examined.

*বিষয়—স্কুল একত্রিকৰণ ।*

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ এক চৌহদৰ মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয় সমূহ স্বত্ব-বিহীন ভাৱে একত্ৰিকৰণ কৰিবলৈ চৰকাৰে নীতিগত ভাৱে কিবা সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি আৰু বিদ্যালয় সমূহৰ পৰিচালনা সমিতি সমূহৰ দ্বাৰা নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

খ) প্ৰাদেশীকৃত বিদ্যালয়ৰ পদ সমূহ নিয়মীয়াকৰণ কৰি স্থায়ীকৰণ কৰা আৰু মাহেকীয়া বেতন নিয়মীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিবনে ?

গ) প্ৰাদেশীকৃত বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, উপাধ্যক্ষ, প্ৰধান শিক্ষক, সহ প্ৰধান শিক্ষক, অধীক্ষক, উপ-অধীক্ষক সকলক নিজ নিজ পদত নিয়মীয়াকৰণ কৰি শৈক্ষিক আৰু প্ৰশাসনিক পৰিবেশ উন্নত কৰাৰ কিবা আঁচনি লৈছে নেকি ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) অসমৰ একে চৌহদত থকা মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় সমূহ স্বৰ্ত্ত সাপেক্ষে একত্ৰিকৰণ কৰাৰ নীতি অব্যাহিত আছে। একত্ৰিকৰণ প্ৰক্ৰিয়া ৩১ মাৰ্চ '৯৭ পৰ্যন্ত বন্ধ ৰখা হৈছে।

খ) পৰ্যায়ক্ৰমে ব্যৱস্থা লৈ থকা হৈছে।

গ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৭-৩-৯৫ ইং তাৰিখৰ চি, আৰ, নং ৩৪৪/৯২ ৰ হুকুম মৰ্মে অধ্যক্ষ পদৰ নিযুক্তি, পদোন্নতি তথা নিয়মীয়াকৰণৰ কাম বৰ্তমানে বন্ধ ৰখা হৈছে।

বাজ্যিক বাচনি পৰিষদৰ দ্বাৰা নিৰ্বচিত প্ৰাৰ্থীক সহকাৰী প্ৰধান শিক্ষক আৰু সহকাৰী অধীক্ষক পদত নিযুক্তি, পদোন্নতি তথা নিয়মীয়াকৰণৰ কাম চলি আছে। ইতিমধ্যে চৰকাৰে ৰাজ্যিক বাচনি পৰিষদ এখন গঠন কৰি দিছে।

***বিষয় – জলসিঞ্চন আচনি।***

ডঃ হেমপ্ৰভা শইকীয়াই সুধিছে ঃ

৩৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নাজিৰা বিধান সভা সমষ্টিত কেইখন জলসিঞ্চন আচনি আছে ?

খ) কোন কোনখন আচনি এতিয়াও বিকল অৱস্থাত আছে ?

গ) সুন্দৰপুৰ আৰু জয়খামদাং অঞ্চলত বিকল হৈ থকা আচনি কেতিয়াকৈ কাৰ্যক্ষম হৈ উঠিব জনাবনে ?

ঘ) বিকল হৈ থকা আচনি সমূহ কাৰ্যক্ষম কৰি তোলাৰ বাবে চৰকাৰে এক নিৰ্দ্দিষ্ট সময়সীমা বান্ধি লবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নাজিৰা বিধান সভা সমষ্টিত ১২ খন জলসিঞ্চন আচঁনি আছে।

খ) ৬ খন আচঁনি বিকল অৱস্থাত আছে।

ক) নাজিৰা উত্তোলিত জলসিঞ্চন আচঁনি।

খ) নাজিৰা উন্নতকৰণ আৰু বৰ্দ্ধিত কৰণ জলসিঞ্চন উত্তোলিত আচঁনি।

গ) জোকতলি উত্তোলিত জলসিঞ্চন আচঁনি।

ঘ) মেচাগড় উত্তোলিত জলসিঞ্চন আচঁনি।

ঙ) ধোপাবৰ উত্তোলিত জলসিঞ্চন আচঁনি। আৰু

চ) ধোপাবৰ গভীৰ নলী-নাদ আচঁনি।

ওপৰোক্ত (ক) আৰু (খ) সম্পূৰ্ণ ভাৱে বিকল আৰু (গ), (ঘ) (ঙ) ও (চ) আংশিক ভাৱে বিকল অৱস্থাত আছে।

(গ) সুন্দৰপুৰ (নাজিৰা উত্তোলিত আচঁনি ( আৰু জয়খামদাং ( জোকতলি

উত্তোলিত জল: আচঁনি ) আচঁনি দুখন কার্যক্ষম কৰি তোলাৰ বাবে যথাক্ৰমে ৫৫'৮৪ লাখ আৰু ৫৭'৭৮ লাখ টকাৰ উন্নতিকৰণ আচঁনিৰ প্ৰশাসনিক অনুমোদন আছে। যথোপযুক্ত পুঁজিৰ আৱণ্টন পালে আচঁনি দুখন কাৰ্য্যক্ষম কৰি তুলিব পৰা যাব।

[ঘ] বিকল হৈ থকা আচঁনি সমূহ কাৰ্য্যক্ষম কৰি তোলাৰ বাবে মুঠ ২১'০৬ লাখ টকাৰ প্ৰশাসনীক অনুমোদন আছে। যথোপযুক্ত পুঁজিৰ আৱণ্টন পালে সময়সীমা নিৰ্দ্ধাৰণ কৰিব পৰা যাব।

***বিষয়—অসমত নতুন উদ্যোগ।***

শ্ৰীহেমন্ত কলিতাই সুধিছে :

৪০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ সম্পদ ৰাজিক লৈ চৰকাৰে কিবা নতুন উদ্যোগ গঢ় দিয়াৰ কথা চিন্তা কৰিছেনে ?

খ) কৃষি ভিত্তিক উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে কেনে ব্যৱস্থা গ্ৰহন কৰিছে জনাবনে ?

গ) কৃষি ভিত্তিক উদ্যোগৰ প্ৰসাৰ আৰু প্ৰচাৰৰ অৰ্থে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহন কৰিছে জনাবনে ?

শ্ৰীগুণীন হাজৰীকা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক] হয় কৰিছে।

খ] নিম্ন লিখিত ব্যৱস্থা সমূহ গ্ৰহন কৰা হৈছে :

১] বিভিন্ন পৰ্য্যায়ত কেনে ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা যায় তাৰ চিনাক্ত কৰণ আৰু প্ৰকল্প প্ৰতিবেদন তৈয়াৰ কৰাৰ আচঁনি অব্যাহত ৰাখিছে।

২] কাৰিকৰী অভিজ্ঞতা থকা কনচালটেন্সি ফাৰ্ম [Consultancy Firm] ৰ পৰা প্ৰকল্প প্ৰতিবেদন দাখিল কৰাৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

গ) অসম উদ্যোগিক উন্নয়ন নিগমে কৃষি ভিত্তিক উদ্যোগৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহন কৰিছে ?

১) চিনাক্ত কৰা উদ্যোগ সমূহৰ প্ৰজেক্ট প্ৰফাইল [ Project Profile ] ছপা কৰি উলিয়াই বিতৰণ কৰি আহিছে ।

২) এই চিনাক্ত কৰা প্ৰকল্প সমূহৰ ওপৰত শ্লাইড [ slide ] তৈয়াৰ কৰি বিভিন্ন পৰ্য্যায়ত সম্ভাব্য উদ্যোগপতি সমূহক দেখুওৱা হৈছে ।

৩) এই চিনাক্ত কৰণ কৰা প্ৰকল্প প্ৰতিষ্ঠাৰ প্ৰয়োজনীয় গণ্যাগণ্য সমূহ সন্নিবিষ্ট কৰি ডকুমেণ্টৰী আধাৰত কেছেট তৈয়াৰ কৰি বিভিন্ন পৰ্য্যায়ত সম্ভাব্য উদ্যোগপতি সকলক দেখুওৱা হৈছে ।

৪) নিগমে বিভিন্ন সময়ত অসমত স্থানীয় তৰুণ উদ্যোগীক উদ্যোগ গঢ়িবৰ বাবে যাৱতীয় প্ৰশিক্ষণ ৰাজ্যৰ ভিতৰত লগতে আহমেদাবাদৰ Entrepreneurship Development Institute ত দি আহিছে ।

Re : Imposition Ban on the Appointment.

Shri Dinesh Prasad Goala, asked,

41. Will the Minister of Education be pleased to state :

a) Is it a fact that Government has imposed ban on the appointment in Regular deputation. leave vacancies in Primary, Middle, High and Higher Secondary Schools ?

b] If so, when Government will lift the ban on appointment ?

Sri Jatin Mali [ Minister ] replied,

a] Yes.

b] The Government is considering to withdraw the ban on appointment against regular deputation vacancies after the selection process of teacher is completed.

বিষয়—P. T. E. Appointment.

শ্ৰীমুনিন মহন্তই সুধিছে :

৪২। মাননীয় মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) P. T. E. Appointment 1/96 Not file এটা বিভাগত বন্ধ হৈ থকাটো সচানেকি ?

খ) যদি সচা হয়, মন্ত্ৰী মহোদয়ে পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিব নে ?

গ) সিদ্ধান্ত লোৱা দেৰি হোৱাৰ পৰিপ্ৰেক্ষিতত মতিৰাম বৰা আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ, বৰঙ্গাবাৰীৰ শৈক্ষিক পৰিবেশৰ যে ক্ষতি হৈছে মন্ত্ৰী মহোদয়ে অবগতনে ?

ঘ) শীঘ্ৰে বিভাগীয় নীতি নিয়ম জোষ্ঠজনক দায়িত্ব দিবলৈ নিৰ্দ্দেশ দিবনে ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা নহয় ।

খ) প্ৰশ্ন নুঠে ।

গ) এই বিষয়ে চৰকাৰ সজাগ ।

ঘ) ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে ।

Re : Dropped post.

Shri Bimananda Tanti, asked :

43. Will the Minister of Education ( Primary and Secondary ) be pleased to state :

a) What is the total number of dropped post at the time of provincialisation during 1995–1996 ( High School and High Madrassa ) ?

b) Whether Government has decided to release the dropped post during 1997–98 ?

Shri Jatin Mali ( Minister ) replied :

a) 1242 Nos. of posts.

b) Necessary steps will be taken in due course after proper examination as per norms.

*বিষয়—শিক্ষকৰ পদ খালি ।*

মোস্তাফা শহীদুল ইছলামে সুধিছে ;

৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্ত্তমান চৰকাৰৰ দিনত নগাওঁ জিলা আৰু মৰিগাওঁ জিলাৰ ধিং সমষ্টিৰ কিমানজন প্ৰাথমিক আৰু এম, ই স্কুল বা মাদ্ৰাছাৰ শিক্ষকৰ পদ খালি আছে তালিকা সমূহ জনাবনে ?

খ) উক্ত সমষ্টিৰ বহুতো খালি থকা পদ আগৰ চৰকাৰে নিযুক্তি দিয়া পদ সমূহ বৰ্ত্তমানে নিয়মীয়া কৰা কথা চৰকাৰে জানেনে ;

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) খালি পদৰ তালিকা সদ্যহতে মহকুমা আৰু জিলাৰ ভিত্তিতহে সংগ্ৰহ কৰা হৈছে. সমষ্টি ভিত্তিত তথ্য পৰবৰ্ত্তী সময়ত জনাব পৰা যাব।

খ) বিষয়টো পৰীক্ষা কৰি পৰবৰ্ত্তী সময়ত জনাব পৰা হ'ব।

Re : Non-receipt of Teacher's pay.

Shri Jagannath Sinha, asked :

Will the Minister of Education be pleased to state :

a) How many Schools Teachers cf L. P., M. E., High School and Higher Secondary are not receiving their pay for months together in Udharband Constituency ?

b) Whether it is a fact that the Government of Assam Education Department has called application for appo-

intment in the L. P. M. E., High and Higher Secondary Schools with Treasury Challan of Rs. 25·00, 35·00 and 50.00 respectively ?

c) Total amount collected from the Treasuty Challans from Borak Valley and State as whole separately ?

d) Total number of vacancies categorically of the State as a whole and Borak Valley in particular separately.

Shri Jatin Mali ( Minister ) replied :

a) Matter will be examined.

b) Yes.

c) As per information received so far Rs. 19,58,415'50 was deposited as fees from Borak Valley and 1,50, 58,672'50 was collected as fees in the State as a whole.

d) Total No. of vacancies are :

| | | |
|---|---|---|
| For the State | High Schools and Higher Sesondary schools | 1200 posts |
| | M. E. & L. P. school teachers | 7500 posts |

For Barak valley the figures are not readily available.

**বিষয়—মনোহৰণ কমিটী।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৪৬। মাননীয় প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) শিক্ষক নিযুক্তিৰ খেলি-মেলি আৰু অনিয়ম সম্পৰ্কে তদন্ত কৰিবলৈ

গঠন কৰি দিয়া এজনীয়া তদন্ত আয়োগে ( মনোহৰণ কমিটী ) চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছেনে ?

খ) যদি কৰিছে, প্ৰতিবেদনত কি কি পৰামৰ্শ আৰু অনুমোদন জনাইছে ?

মাননীয় শিক্ষা ( প্ৰাথমিক আৰু মাধ্যমিক ) বিভাগৰ মন্ত্ৰী শ্ৰীযতীন মালী য়ে উত্তৰ দিছে :

ক) হয়, কৰিছে।

খ) প্ৰতিবেদনত কি আছে সেই সম্পৰ্কত বৰ্ত্তমানে নোকোৱাই ভাল যিহেতু বিষয়টো গোপণীয়। যথা সময়ত সদনত অবগত কৰা হ'ব।

***বিষয় - ৰাজহুৱা খণ্ডৰ ৬ টা উদ্যোগ যুটীয়া খণ্ডলৈ।***

শ্ৰীৰাজেদ আলী চৌধুৰীয়ে সুধিছে :

৪৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজহুৱা খণ্ডৰ ৬টা উদ্যোগ যুটীয়া খণ্ডলৈ হস্তান্তৰ কৰা হব বুলি চৰকাৰে সিদ্ধান্ত লোৱাটো সচানে ?

খ) যদি সঁচা, উক্ত ৬টা উদ্যোগৰ নামবোৰ জনাবনে ?

গ) যুটীয়া খণ্ডলৈ হস্তান্তৰ প্ৰক্ৰিয়া বৰ্ত্তমান কি পৰ্য্যায়ত চলি আছে ?

শ্ৰীগুণীন হাজৰীকা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) ৬ টা উদ্যোগৰ নামবোৰ হ'ল :—

১। আছাম চিন্‌টেক্স লিমিটেড, নাথকুছি, জিলা-নলবাৰী।

২। আছাম ষ্টেট উইভিং এণ্ড মেনুফেক্‌ছাৰিং কোঃ লিমিটেড। কাটিমাৰি, জিলা নগাওঁ আৰু জাপজাপকুছি, জিলা নলবাৰী।

৩। আছাম স্পান চিলক মিল্‌ছ লিমিটেড, জাগীৰোড, জিলা-মৰিগাওঁ।

৪। আছাম ষ্টেট ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল্‌চ লিমিটেড, চন্দ্ৰপুৰ, জিলা কামৰূপ।

৫। ফাটি কেম লিমিটেড, বোন্দা. জিলা-কামৰূপ।

৬। ইণ্ডাষ্ট্ৰিয়েল পেপাৰচ্ (আসাম) লিমিটেড, ধিং জিলা-নগাওঁ।

ইয়াৰ উপৰিও মেচাৰ্চ ইয়াৰ্ণ চাপ্লাইয়াৰ লগত চুক্তি, পাৰস্পৰিক বুজাবুজিও বাতিল কৰিব পৰা যায় তেতিয়া অসম পলিটেক লিমিটেড, জাগীৰোড প্ৰকল্পটোও যুটীয়া খণ্ডলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত হৈছে।

গ) বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা প্ৰস্তাৱ গ্ৰহণ কৰি সেই প্ৰস্তাৱবোৰ বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে।

*বিষয় - বড়ো মাধ্যমৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ*

ডাঃ দেৱকান্ত ৰামচিয়াৰী য়ে সুধিছে :

৪৮। মাননীয় প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বড়ো মাধ্যমৰ বাবে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ অসমৰ ভিতৰত অকল কোকৰাঝাৰতেই থকা কথাটো সঁচানে ?

খ) বৰ্ত্তমান বৰ্দ্ধিত শিক্ষকসকলৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি ওদালগুৰিত অতি সোনকালে এখন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা। কিন্তু ডিফু বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰতো বড়ো মাধ্যমৰ প্ৰশিক্ষণ বৰ্ত্তমানেও চলি আছে।

খ) বৰ্ত্তমান চিন্তা কৰা হোৱা নাই।

*বিষয় - I. I. T. ত অসমৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা*

ডাঃ কল্যান কুমাৰ গগৈ য়ে সুধিছে :

৪৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটীত স্থাপন কৰা সৰ্বভাৰতীয় শিক্ষা প্ৰতিষ্ঠান আই, আই, টি (I. I. T.) ত অসমৰ কিমান জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহন কৰিছে ?

খ) অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষনৰ কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এজনো নাই।

খ) নাই।

Unstarred Question No. 50 deferred

Re : Non payment of salaries

Shri Mohini Basumatary asked :

51. Will the Minister of Education be pleased to state :

a) Will the Government consider sympathically to pay the Teachers of High and M. E. School who have not been paid their salaries since long months ? If so, when ?

b) Is there any clear-cut policy of the Government for making regular payment to Teachers ?

Shri Jatin Mali ( Minister ) replied

a) Yes, just after getting clearance from the Monoharan Commission's Report and subject to avilability of fund we will release the salaries.

b) Yes, there is clear cut policy.

Re—Stone Crushes.

Dr. Ardhendu Kumar Dey, asked ;

52. Will the Minister of Envirionment be pleased to state :

a] Whether Government is aware that there are some

stone crushers in Hojai Sub-Division ? ( Please give the names of the owner )

b) Whether it is fact that these stone crushes have not taken any measures to prevent pollution.

c) If so, what action Government has taken against the owner of such stone crushers.

Shri Haji Abdul Rouf ( Minister ) replied:

a) Yes. Detailed survey has been undertaken by the Pollution Control Board, Assam and names will be available after completion.

b) Detailed information will be available on completion of survey.

c) Action under Appropriate Act and Rules will be taken on completion of the survey.

Re : Non-Formal and Adult Education.

Shri Aminul Islam, asked

53. Will the Minister of Education ( Secondary & Elementary ) be pleased to state :

a) What is the amount which has been spent for Non-Formal and Adult Education in Assam since, 1991 ? ( Please mention year-wise amount against each heads /items ).

Shri Jatin Mali ( Minister ) replied :

a) The amount already spend in respect of Adult Education & Non-Formal Education wing as shown below

| | Adult Education Wing. | Non-Formal Education wing. |
|---|---|---|
| 1) Plan | Rs. 1429.20 Lakhs | Rs. 382·40 Lakhs |
| 2) Non-Plan | Rs. 559·50 " | Rs. 3·185 " |
| Total | Rs. 1988.70 Lakhs | Rs. 385·585 Lakhs. |

The year–wise break up of spend amount is also shown separatly in Annexure-I in Adult Education and Annexure-II in respect of Non-Formal Education wing.

( See the Annexure– I & II )

***বিষয়—কল গৱেষণা কেন্দ্ৰ।***

শ্ৰীজ্যোতিষ দাসে সুধিছে :

৫৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোৱালপাৰা জিলাৰ দৰংগিত কল গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ভূমি আবণ্টন দিয়া হৈছিল, সঁচানে ?

খ( উক্ত কেন্দ্ৰটি স্থাপন কৰাৰ ক্ষেত্ৰত কি পৰ্য্যায় পাইছে বিভাগীয় মন্ত্ৰীয়ে জনাবনে ?

শ্ৰীগুণীন হাজৰীকা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে।

ক) গোৱালপাৰা জিলাৰ দৰংগিত উদ্যোগ বিভাগৰ তেনে কোনো বল গবেষনা কেন্দ্ৰ স্থাপনৰ আচঁনি নাই।

খ) প্ৰশ্ন নুঠে।

***বিষয়—চাহ বাগিচাৰ সংখ্যা।***

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৫৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) সৰ্ব্বমুঠ কিমান খন চাহ বাগিছা আছে ?
খ) এই চাহ বাগিছা সমূহত কাম কৰা শ্ৰমিকৰ সংখ্যা কিমান ?
গ) চাহ শ্ৰমিকৰ মজুৰীৰ হাৰ কিমান ?
ঘ) এই মজুৰীৰ হাৰ কেতিয়া নিৰ্দ্ধাৰণ কৰা হৈছিল ?
ঙ) চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধিৰ বাবে ব্যৱস্থা কৰিব নে ?

শ্ৰীগুণীন হাজৰীকা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :
ক) ৮৫০ খন ।
খ) ৭,৯৮,৭৪৯ জন ।
গ)

| মণ্ডল সমূহ | প্ৰাপ্ত বয়স্কৰ | অপ্ৰাপ্ত বয়স্কৰ |
|---|---|---|
| ১। ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট জিলা। | ২৬·৬০ টকা | ১৩·৩২ টকা |
| ২। লক্ষীমপুৰ, ধেমাজি জিলা। | ২৬·৫৩ টকা | ১৩·২৮ টকা |
| ৩। দৰং, শোণিতপুৰ জিলা। | ২৬·৫০ টকা | ১৩·২৭ টকা |
| ৪। নগাওঁ, মৰিগাওঁ, নলবাৰী, বৰপেটা, কামৰূপ, বঙ্গাইগাওঁ, কোকৰাঝাৰ, ধুবুৰী আৰু গোৱালপাৰা জিলা। | ২৬·৪৩ টকা | ১৩·২৭ টকা |
| ৫। কাৰ্বি আংলং জিলা। | ২৬·৪৩ টকা | ১৩·২৪ টকা |
| ৬। বৰাক উপত্যকা মণ্ডলৰ | ২১·৩৫ টকা | |

ঘ) ইং ১-১১-৯২ তাৰিখৰ পৰা ।
ঙ) এইটো চৰকাৰৰ বিবেচনাধীন স্তৰত আছে ।

***বিষয় - নৈশ চকীদাৰ নিয়োগ ।***

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
বৰ্ত্তমান অসম চৰকাৰে বিদ্যালয় সমূহত নৈশ চকীদাৰ নিয়োগ আৰু আৱাস গৃহৰ নিৰ্মাণ কৰি বিদ্যালয়ৰ পৰিৱেশ ৰক্ষনাবেক্ষনৰ কিবা ব্যৱস্থা গ্ৰহন কৰিছে নেকি ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বিদ্যালয় মানে কোন পৰ্যায়ৰ বিদ্যালয়ক বুজাব খুজিছে জানিব পৰা হোৱা নাই। আৱাস গৃহ নিৰ্মাণৰ বিশেষ কোনো আচনি বৰ্ত্তমান হাতত নাই। পৰিবেশ বক্ষনাবেক্ষণ সম্পৰ্কত আচনি বৰ্ত্তমান লোৱা নাই।

Re : Appointment of L. P. and M. E. School Teachers.

Shri Sukhendu Sekhar Dutta, asked ;

57. Will the Minister of ( Secondary & Elementary ) Education be pleased to state :

a) Whether the Government has taken any decision about L. P. and M. E. School teachers who are not getting their salaries on the ground of alleged irregular appointment ?

b) If not, why not ? If yes, when ?

c) What follow up action has been taken on letter No. COI (ESE) 3/96/155, dated 6th November, 1996, issued by Joint Secretary to the Government of Assam, Education Department ( Legal Cell ) ?

Shri Jatin Mali ( Minister ) replied :

a) & b) This has been under the purview of S. Monoharan's enquiry and the report is under examination.

c) The matter is Sub-Judice as there are five cases filed before the Hon'ble Gauhati High Court in this regard.

*বিষয়-প্ৰাথমিক শিক্ষাৰ উন্নতিকৰণ ।*

শ্ৰীদেৱহাগ্ৰা মুছাহাৰীয়ে সুধিছে ;

৫৮। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰতিটো প্ৰাথমিক বিদ্যালয়ৰ পৰাই ইংৰাজী শিক্ষক নিযুক্তি দিব পৰা Scheme আছে নেকি ?

খ) অসমৰ প্ৰতিটো জিলাত প্ৰাথমিক শিক্ষাৰ উন্নতি কৰিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমান নাই ।

খ) চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সমূহ হ'ল :

১। প্ৰাথমিক বিদ্যালয়বোৰৰ গৃহ নিৰ্মাণ আৰু মেৰামতিৰ বাবে সময়ে সময়ে অনুদান দি থকা হৈছে ।

২। কৃষ্ণ ফলক ( OBB ) আচনিৰ অধীনত পঢ়া, লিখা, খেলা-ধুলাৰ সা-সামগ্ৰীৰ যোগান ধৰা হৈছে ।

৩। নাম ভৰ্তিকৰণ বঢ়াবৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীক স্কুল এৰি নোযোৱাকৈ ৰাখিবৰ বাবে বিনামূলীয়া পাঠ্যপুথি, অনুসূচীত জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি বৃত্তি প্ৰদান কৰি থকা হৈছে ।

৪। ৰাজ্যখনৰ তিনিখন জিলাত প্ৰাথমিক শিক্ষা আঁচনিৰ অধীনত প্ৰাথমিক শিক্ষাৰ সৰ্বাঙ্গীন উন্নতিৰ ব্যৱস্থা কৰা হৈছে আৰু পাচখন জিলাক সামৰি লোৱা হ'ব ।

*বিষয় – বৃত্তিধাৰী শিক্ষক নিযুক্তি ।*

শ্ৰীমোহন দাসে সুধিছে ;

৫৯। মাননীয় শিক্ষা ( প্ৰাথমিক ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বি, এ চি কর্ত্তৃপক্ষই ইয়াৰ এলেকাত ১৯৯০ ইং চনলৈ ঘাটি-মঞ্জুৰীৰ অধীনলৈ নিয়া ১২২০ খন প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম প্ৰতিষ্ঠাপক ১২২০ জন শিক্ষকক বৃত্তিধাৰী শিক্ষক হিচাবে ১/১১/৯৫ ইং চনৰ পৰা কাৰ্য্যকৰী হোৱাকৈ নিযুক্তি দিয়াৰ পিচত আজিলৈকে দ্বিতীয় প্ৰতিষ্ঠাপক শিক্ষক সকলক নিযুক্তি নিদিয়া বুলি উঠা অভিযোগ সচানে ?

খ) এই সকল শিক্ষকক অনতি পলমে নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীযতীন মালী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বি. এ, চি কর্ত্তৃপক্ষই বি, এ. চি এলেকাত ১২২০ খন প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষকক বৃত্তিধাৰী শিক্ষক হিচাবে লোৱাৰ কোনো তথ্য বৰ্ত্তমান চৰকাৰৰ হাতত নাই। ( তথ্য তেওঁলোকৰ পৰা লোৱা হব )

খ) প্ৰশ্ন নুঠে।

Re : President of the M. E. and High School.

Shri Sukur Ali asked ;

60. Will the Minister of Education ( Secondary ) be pleased to state :

a) Whether Inspector of School can change the President of the M. C. of High School duly elected in a General Meeting convened as per guideline ?

b) If not, why the Inspector of School C. D. C. Silchar has changed the President of M. C. of Mahrab Ali Laskar High School, Cachar, ignoring the resolutions adopted in the General Meeting convened as per guideline of State Government ?

Shri Jatin Mali ( Minister ) replied :

a) The Inspector of Schools cannot change the President

of a Managing Committee of High Schools selected in a public meeting.

b) The President of the Managing Committee of Mehrab Ali Laskar High School, Cachar has been changed by the Inspector of Schools as per suggestion of local MLA Sonai. However, the matter is subjudice.

RE : NO. OF VACANT POST.

Shri Sheikh Abdul Hamid asked ;

61. Will the Minister of ( Secondary & Elementary ) Education be pleased to state :

a) No. of vacant posts in L. Ps. & M. E. / M. E. Ms. under B. E. E. O. Mandia ( pleased furnish the names of the institutions and causes of vacancy ) ?

b) No. of single teachers L. P. Schools under B. E. E. O., Mandia ? ( please furnish the names with enrollment)

c) Steps taken by the Government to convert single teacher Schools into double teaeher ?

Shri Jatin Mali ( Minister ) replied ;

a) The information at B. E. E. O, level can be furnished only after collection from the block as the Government collected the information subdivision and district -- wise.

b) Information can be given only after rationalization.

c) Reply given in (b) above.

RE : REVENUE DEPOSIT FROM THE SALARIES.

Shri Abu Saleh Nazmuddin, asked :

62. Will the Minister of Education be pleased to state :

1. What amount was deposited in Revenue Deposit from the salaries of Hindi Teachers of High Schools / High Madrassa on 31st March / 96 in the District of Karimganj ?

b) Whether the said amount of salaries are released ?

c) If yes, then when ?

Sri Jatin Mali ( Minister ) replied ;

a) Rs. 7.30 lacs ( Rupees seven lacs thirty thousand ) and Rs. 40,000,00 were deposited in the Revenue Deposit on 31-3-96.

b) The proposal for release of the said amount have been received recently ( 3-3-97 ) and necessary steps are being taken to get the amount released.

c) Does not arise.

( Starred Question No. 63 was deferred )

RE : TRANSFER OF TEACHERS

Shri Gautam Roy, asked ;

64. Will the Minister of Education be pleased to state :

a) Whether it is a fact that the DEEO, Hailakandi has transferred 9 Nos. of M. E. school teachers during July, 1996 ?

b) Whether it is a fact that one teacher named Badrul Islam Choudhury has filed a suit No. 4607/96 ?

c) Whether it is a fact that Hon'ble High Court has given a stricture against the Minister, Rural Development for his interference in such transfer ?

d) What action has been taken by the Government against the Minister, after getting stricture from Hon'ble High Court for such illegal interference ?

Shri Jatin Mali (Minister) replied :

a) Yes, 9 Nos. of teachers were transferred including Badrul Islam Choudhury.

b) Yes

c) &

d) The matter is being ascertained.

Re : L. P. M. E. M. V., Hindi medium School.

Shri Sambhusing Mallah, asked :

65. Will the Minister of Elementary Education be pleased to state :

a) How many Hindi Medium L. P. M. E. M. V., Schools are there in Assam and from those how many Hindi Medium Schools are diverted to another medium, (please give the names and places of the Schools) ?

b) Is the Government aware about the fact that due to non-availability of Hindi Text Books on proper time the students as well as teachers of Hindi Schools are facing great difficulties to proceed their studies ?

c) What is the reasons the Hindi Text Books are not supplied in proper time ?

d) Will the Government take any step to convert the the original Hindi medium School ito their origine medium which are converted in to other mediums ?

Shri Jatin Mali (Minister) replied :

a) The Government are examining the matter and after getting the details, we will inform the same in due course.

b) We are distributing the Hindi Text books.

c) Does not arise.

d) Not now.

***বিষয়—মহাবিদ্যাল শক্ষকৰ পেঞ্চন***

শ্ৰীহেমন্ত কলিতাই সুধিছে ;

৬৬। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ মহাবিদ্যালয় সমূহৰ শিক্ষক সকলক পেঞ্চন দিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

খ) মহাবিদ্যালয় সমূহৰ শৈক্ষিক বিকাশৰ অৰ্থে চৰকাৰে কেনে আচনি গ্ৰহণ কৰিছে জনাবনে ?

গ) মহাবিদ্যালয় সমূহৰ শৈক্ষিক দিন আৰু বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী শিক্ষা দানৰ দিন সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসমৰ মহাবিদ্যালয় সমূহৰ শিক্ষক সকলৰ পেঞ্চন দিয়া সংক্ৰান্তত চৰকাৰে এখন কমিটি গঠন কৰি দিছে, বিষয়টো কমিটিৰ পৰীক্ষাধীন হৈ আছে।

খ) মহাবিদ্যালয় সমূহৰ শৈক্ষিক বিকাশৰ অৰ্থে পুজি সাপেক্ষে পুথিভড়াল, শ্ৰেণী কোঠা, ছোৱালীৰ জিৰণী কোঠা, বিজ্ঞানাগাৰ, ছাত্ৰাবাস /

ছাত্ৰী নিবাস আদিৰ বাবে অনুদান দিয়াৰ ব্যৱস্থা আছে।

গ) বিষয়টো সন্দৰ্ভত অসমৰ মহাবিদ্যালয়ৰ শিক্ষক সংস্থাৰ লগত আলোচনা চলাই থকা হৈছে।

**বিষয়—ধনশ্ৰী জলসিঞ্চন প্ৰকল্প।**

ডাঃ দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ;

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) 'ধনশ্ৰী জলসিঞ্চন প্ৰকল্প' (ভৈৰৱকুণ্ড)ৰ বৰ্ত্তমান অৱস্থা সম্পৰ্কে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, এই মৃত্যুৰ গৰাহত পৰিব খোজা ধনশ্ৰী জলসিঞ্চন প্ৰকল্পখন অতি সোনকালে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীআবদুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ;

ক) অবগত

খ) ধনশ্ৰী জলসিঞ্চন প্ৰকল্প মৃত্যুৰ গৰাহত পৰা কথাটো সঁচা নহয়। কিন্তু প্ৰাকৃতিক দুৰ্যোগত পৰি ইয়াৰ ভালেখিনি ক্ষতি সাধন হৈছে। আংশিক ভাৱে ইয়াৰ আগতে জলসিঞ্চন কৰা মুঠ ১৫০০০ হেক্টৰ মাটিত সোনকালে পুনৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হব। পৰ্য্যাপ্ত আৱণ্টন সাপেক্ষে নৱম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময় চোৱাত প্ৰকল্পটো সম্পূৰ্ণ কৰিব পৰা যাব।

**বিষয়—উদ্যোগ কেন্দ্ৰৰ পৰিচালকৰ পদ।**

ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ;

৬৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিব্ৰুগড় জিলাৰ উদ্যোগ কেন্দ্ৰৰ পৰা প্ৰধান পৰিচালকৰ post টো বদলি কৰি নিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

খ) যদি জ্ঞাত, তেন্তে প্ৰধান পৰিচালকৰ post ত নতুনকৈ কেতিয়াৰ পৰা ডিব্ৰুগড় জিলাত নিয়োগ কৰিব ?

শ্ৰীগুনীন হাজৰীকা, (উদ্যোগ মন্ত্ৰী) যে উত্তৰ দিছে :

ক) হয়, [illegible]

খ) প্ৰধান পৰিচালকৰ পদ সৃষ্টি কৰাৰ লগে লগে নিয়োগ কৰা হব।

## RE : PRIMARY AND M. E. SCHOOLS.

Shri Dinesh Prasad Gowala asked :

69. Will the Minister of Education be pleased to state :

a) It is a fact that a large number of appointment in Primary and Middle Schools have been made in Hailakandi districts recently ?

b) What is the total number of teachers appointed ? (Name and address of the appointee and School may kindly be furnished in the Table of the House)

Shri Jatin Mali ( Minister ) replied :

a) 5 persons were appointed by D. E. O., Hailakandi as Asstt. teachers in Middle Schools vide his Memo No. DEH 34/95/9777-92 dt. 31-3-95 but no such appointments were actually made on 31-3-95 but these are recent appointments.

b) Five persons were appointed. Their names and schools given below :

| Name | School |
|---|---|
| 1. Smti. Geeta Sutradhar | Durgacharan M. V. School. |
| 2. Smti. Luthfa Begum Laskar. | Tikerbasti M. E. Institute |
| 3. Smti. Aleya Begum Laskar | Balakandi F. B. Memorial M. E. School |

4. Amiruddin Laskar Arzid Ali Memorial M. E. School.

5. Shri Alimuddin Barbhuiya Sibutter M. E. Institute.

বিষয়—Junior Technical School ৰ উন্নীতকৰণ।

শ্ৰীজ্যোতিষ দাসে, সুধিছে :

৭০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোৱালপাৰা জিলাৰ Junior Technical School খন ১৯৮৬ চনৰ ২৬ জানুৱাৰীত Textile Institute তলৈ উন্নীত কৰা হব বুলি ঘোষণা কৰা হৈছিল সঁচানে ?

খ) কিন্তু আজিলৈ কিয় উন্নীত কৰা হোৱা নাই ?

গ) চৰকাৰে উক্ত স্কুলখন Textile Institute তলৈ উন্নীত কৰাৰ ব্যৱস্থা চলিত বিত্তীয় বছৰতে কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ;

ক) সঁচা নহয়।

খ) প্ৰশ্ন নুঠে।

গ) বৰ্তমান তেনে কোনো আচনি নাই।

*বিষয়—উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতীকৰণ।*

শ্ৰীদেৱহাগ্ৰা মুছাহাৰীয়ে সুধিছে ;

৭১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰতিখন জিলাত এতিয়ালৈকে কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ বিদ্যালয়লৈ উন্নতীকৰণ কৰিবৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

খ) যোৰহাট জিলাৰ, মাজুলী মহকুমাৰ ১৯৭১ চনতে স্থাপিত হোৱা মাজৰ দেউৰী ট্ৰাইবেল উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ বিদ্যালয়লৈ উন্নতীকৰণ কৰা হৈছে নেকি ?

শ্ৰীযতীন মালী, (মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) জিলা ভিত্তিত তেনে কোনো সিদ্ধান্ত চৰকাৰৰ হাতত বৰ্ত্তমান নাই।
খ) তেনেকুৱা ব্যৱস্থা লোৱা হোৱা নাই।

***বিষয়—ভূমকি জলসিঞ্চন প্ৰকল্প।***

শ্ৰীমোহন দাসে সুধিছে ;

৭২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পাঠশালা জলসিঞ্চন সংমণ্ডলৰ অধীনস্থ ভূমকি জলসিঞ্চন প্ৰকল্পটোৰ মূল বান্ধটো ভাঙি পৰাৰ বাবে কেবা বছৰ ধৰি খেতি পথাৰত পানী যোগান ধৰিব পৰা নাই বুলি অভিযোগ উঠিছে কথাটো সঁচানে ?

খ) যদি সঁচা তেনেহলে, খেতিয়ক ৰাইজক সকাহ দিয়াৰ বাবে ক্ষতিগ্ৰস্ত বান্ধটো নিৰ্মাণ কৰি পুনৰ পানী যোগানৰ কিবা ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ,

ক) মূল বান্ধটো সম্পূৰ্ণভাৱে ভাঙি পৰা নাই কিন্তু আংশিক ভাৱে ক্ষতি-গ্ৰস্ত হোৱাটো সচা। ১৯৯২ চনৰ অক্টোবৰ মাহৰ পৰা আচঁনিটোৰ জৰিয়তে খেতি পথাৰত পানী যোগান ধৰিব পৰা নাই।

খ) ক্ষতিগ্ৰস্ত বান্ধটোৰ নবীকৰণৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে। পৰিকল্পনাৰ শিতানত পূঁজিৰ আবণ্টন সাপেক্ষে নবীকৰণৰ কাম সম্পূৰ্ণ কৰি পানী যোগানৰ ব্যৱস্থা কৰা যাব।

Re : Lift Irrigation Schemes.

Shri Aminul Islam asked :

Will the Minister of Irrigation be pleased to state :

What are the name of Lift Irrigation Schemes, Deep Tube-well Schemes and Shallow Tube-well Schemes existing in Mankachar L A. C. through which Irrigation

facilities are being extended to the farmers harring cultivated Boro, Iri and preparing for early Ahu crops ?

Shri Abdul Muhib Mazumdar (Minister) replied :

The name of the Schemes are placed in the table of the House.

GOALPARA MECHANICAL DIVISION ( MANKACHAR L. A. C. )

1. Jordnaga D. T. W.
2. Bararalga S. T. W.
3. Purandiara Kathalbari D. T. W.
4. Kanaimara Chegurchar D. T. W.
5. Pankata D. T. W.
6. Bengtimati D. T. W.

MANKACHAR DIVISION ( Mankachar L. A. C. )

7. Kanyamoti L. I. S.
8. Junglegaon L. I. S.
9. Kalapani L. I. S.
10. River Kaloo L. I. S.
11. Tiksali L. I. S.
12. Kanaimara L. I. S.
13. Kukurmara DTW Ph-II.
14. Hajirhat L. I. S.
15. Gotabari L. I. S.
16 Bowalia L. I. S.
17. Sukchar L. I. S.

Re : Sick Industry.

Shri Abu Saleh Nazmuddin, asked ;

74. Will the Minister of Industry be pleased to state :

a) When Government will announce Industrial Policy of the State ?

b) What is the total number of sick Industry ( public Sector and Joint Sector ) of the State ?

c) What remedial steps has been taken by the Government to revive the Sick Industay ?

Shri Gunin Hazarika, ( Minister Industries ) replied :

a) The Industrial Policy, 1997 is under active consideration by the Government and will be announced shortly.

b) There are 6 ( six ) Nos. of sick units in public sector declared sick.

c) For revival of potentially viable sick units, Government has incorporated various incentives in Industrial Policy, apart from liasioning with Bank's/Financial Institutions to finalise pachage to revive potentially viable sick units.

Further Government has initiated efforts for revival of Sick State Public Sector Units running these in private sector or in joint sector.

Re : Silchar Irrigation Division.

Shri Dinesh Prasad Gowala asked :

75. Will the Minister of Irrigation be pleased to state :

a) How many Lift Irrigation Scheme sanctioned in Cachar district under Silchar Irrigation Divisions ?

b) What is total number of schemes completed ?

c) What is the total number of Lift Irrigation Scheme sanctioned under Lakhipur Legislative Constitucncy ?

d) What is the total number of sanctioned scheme completed in lakhipur constituency ? and how many schemes are functioning ?

Shri Abdul Muhib Mazumdar ( Minister ) replied :

a) 65 Nos.

b) 16 Nos.

c) 11 Nos.

d) 2 Nos. of schemes are completed but not functioning. However 1 No. of ongoing scheme is functioning.

Re : Darranga Irrigation Bundh.

Shri Derhagra Mochahary asked :

76. Will the Minister of Irrigation be pleased to state :

a) Whether Darranga Irrigation Bundh on Darranga river is proposed to be taken up by the department within the current financial year ?

Shri Abdul Muhib Mazumdar ( Minister ) replied :

a) No.

★ শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি বিৰোধী পক্ষৰ সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই যিটো মোৰ অভিযোগ আনিছে সৌভাগ্যই হওঁক বা দুৰ্ভাগ্যই হওঁক যোৱা কালি মই নাছিলো। যদিহে যোৱা কালি মই থাকিলোহেঁতেন তেতিয়াহলে অসম বিধান সভাত ইতিহাস ৰছনা কৰিলোহেঁতেন ?

Mr. Speaker : Please maintain discipline.

★ শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, ভৰত নবহ ডাঙৰীয়াই কি কৈছিল আৰু বৰা ডাঙৰীয়াই কি কৈছে। সেইটো এতিয়া কথা নহয়, আচল কথা আপুনি এতিয়া কি কব লগা আছে তাক বক্তব্য কৰক।

★ শ্ৰীচিলভিউচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি এই সদনত ভৰত নবহ ডাঙৰীয়াই তেওঁৰ উক্তিৰ মাজেৰে কিছু মাননীয় সদস্যক উত্তেজিত কৰিলে, দুখ দিলে, আঘাট দিলে যাৰ ফলত ডেপুটি স্পীকাৰে এক্সপাঞ্চ কৰিলে। সেইটো আমি সদায়েই বুজো। It will be deemed to have said nothing. মেটাৰটো ক্ল'জ হ'ল। ৰুলিং দি দিছে। তাৰ পিচত ডেপুটি স্পিকাৰ থাকোতেই আপুনি আহিছে। আপুনি চিট্ৰেচনটো বুজি ৰুলিং দিছে। Sir, there may not be two three punishments for one offence, committed on the same day, by a person. Hon'ble Deputy Speaker has already given his ruling yesterday. His ruling is final We have to be guided by the rules and procedure of the house. এইটো আমি কেতিয়াও দেখা নাই। Sir, we have obeyed your ruling and this is the tradition of the House. আপোনাৰ ৰুলিং আমি মানি লৈছো। Sir, I do not know under what rules and procedure Hon'ble Speaker Sir will give another ruling today. After being satisfied, the Hon'ble Deputy Speaker had given his ruling yesterday and we obeyed the same.

★ শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কালি আপোনাৰ ৰুলিংৰ ওপৰত বহু বাক বিতণ্ডা হৈছে। ৰুলিংৰ ওপৰত কোনো চেটিচফাইড নহয়। কালি ৰুলিংত প্ৰাথমিক হিচাপেহে চাচপেণ্ড কৰিছে। গতিকে আমি তাত চেটিচফাইড নহয়।

★ শ্ৰীচিলভিউচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাৰ ৰুলিং মানিবই লাগিব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ( কৃষি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আপুনি

হাইচতে যিটো ৰুলিং দিছে সেইটো আমি 'অনাৱ' কৰিছো। সেইটো আমি প্ৰাথমিক হিচাপেহে দিছে। It was a part of the ruling and Hon'ble Deputy Speaker reserved his ruling. আজি আপুনি ৰুলিং দিয়াৰ কথা। So, Sir, I request you for your ruling.

মাননীন অধ্যক্ষ : মই ৰুলিং অলপ পিচতে দি আছো।

★ শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৰুলিং নিদিয়ালৈকে আমি বহি থাকিম।

★ শ্ৰীচিলভিউছ কন্দপান : We have no right to stop the Hon'ble Speaker, we cannot stop him.

Zero Hour Notices

মাননীয় অধ্যক্ষ : মই জিঅৰ আৱাৰৰ পিচত ৰুলিং দিম।

I have received two Zeo Hour Notices for today from Hon'ble Member Shri Nizam Uddin Khan and Shri Sukhendu Sekhar Dutta. I now call upon Hon'ble Member, Shri Nizam Uddin Khan to raise his Zero Hour Motion which was published in the Daily Newspaper, 'Dainik Agradoot' on 9.3.97 under the Caption 'MANTRIR DURNITIT UPAUKTAR BADHA'.

★ শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৯ তাৰিখৰ অগ্ৰদূত কাকতত মন্ত্ৰীৰ দুনীতি ৰোধ এই শীৰ্ষক বাতৰিটো এক দুনীতি উৎথাপিত হৈছে। উত্তৰ লক্ষীমপুৰ জিলাৰ জন স্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যৱাহী অভিযন্ত্ৰা জৰিত আছে। অভিযন্ত্ৰাৰ বিষয়ে উৎথাপিত হোৱা তাৰ ডি, চি, য়ে সকলো কাগজ পত্ৰ জব্দ কৰে। অভিযোগৰ বিষয় হল কাম নকৰাকৈ ভুৱা বিলৰ কাৰণে টকা আত্মসাৎ কৰিছে। আনহাতে ইয়াত কোৱা হৈছে যে ভুৱা তেল, মবিলৰ টকা খৰচ কৰা হৈছে।

★ Speech not corrected

যিবিলাক ঠিকাদাৰে কাম কৰে, তেওঁলোকক টকা নিদিয়ে আৰু যিবিলাক ঠিকাদাৰে কাম নকৰে তেওঁলোকক 'পেমেণ্ট' কৰা হৈছে। আনহাতে আৰু এটা কথা টিউবেল আৰু পানী যোগান আঁচনিৰ মেৰামতিৰ কথা কিছু উৎথাপিত হৈছে। তাত যথেষ্ট টকা আত্মসাৎ কৰা হৈছে। আজি যিবিলাক অভিযোগ আহিছে সেইবিলাক ৰাজহুৱা অভিযোগ। এই সম্পৰ্কে তদন্ত কৰি দোষী ব্যক্তিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যদি ভুৱা এল, অ, চি' ৰ বিলৰ প্ৰক্ৰিয়াটো থাকে তেতিয়াহলে উন্নয়নৰ কাম -কাজ বন্ধ হৈ যাব। গতিকে মন্ত্ৰী মহোদয়ে এই সকলো বিলাক তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নেকি? তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★ শ্ৰীউৎপল দত্ত (ৰাঃ স্বঃ জঃ স্বাস্থ্য কাৰিকৰী মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া সন্মানীত সদস্য গৰাকীয়ে যোৱা ৯ মাৰ্চ তাৰিখৰ 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত যিটো বাতৰি কথা উৎথাপন কৰিছে সেইটো মোৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত মই জিলা উপায়ুক্ত আৰু কাৰ্যবাহী অভিযন্তাৰ পৰা ৰিপোৰ্ট আনিছো। জিলা উপায়ুক্তই পি, এইচ, ই ডিপাৰ্টমেণ্টলৈ যোৱা নাই আৰু কোনো কাগজপত্ৰ জব্দ কৰা নাই বুলি লিখিত ভাবে জনাইছে আৰু কাৰ্য্যবাহী অভিযন্তাইও জিলা উপায়ুক্ত সেই বিভাগলৈ যোৱা নাই আৰু কোনো কাগজপত্ৰ জব্দ কৰা নাই বুলি জনাইছে। বাতৰিটোত এনে ধৰণে উল্লেখ কৰা হৈছে যে উত্তৰ লক্ষীমপুৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয়ত যোৱাকালি উপায়ুক্তই অতৰ্কিতে প্ৰবেশ কৰি বহু পৰিমাণৰ নথি-পত্ৰ জব্দ কৰে। যিহেতু এইটো অসত্য বাতৰি সেয়েহে মই এই ক্ষেত্ৰত বেচি বক্তব্য ৰাখিব খোজা নাই। মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে এই বাতৰিটো অসত্য।

শ্ৰীনিজামুদ্দিন খান : যদি অসত্য হয় ইয়াৰ বিৰুদ্ধে কিবা ব্যৱস্থা লব নেকি?

★ Speech not corrected

Mr. Sukhendu Shekhar Dutta : Mr. Speaker, Sir, I bring a subject before the august House in the interest of general education in the State. That Sir, 15 years back the Karimganj Law College has been established and since then there has not been regular appointment in the College. The Managing Committee did not care for the rules and procedure and there is a coterie, which do not want advancement of the College. The College has become a source of income for some people, who do not allow anything to grow in the interest of good education and also do not seek permanent settlement in the matter. Due to all this mismanagement, temporary affiliation granted by the Assam Bar Council has been withdrawn and as a result of which, Law Graduates have not been allowed to practice by the Assam Bar Council. They are not allowed legally to go the Court for earning their livelihood. Now, Sir, my qnestion is that what authority Karimganj Law College has got to spoil the future of the students. A news-item was published in the 'Sentinel' dt. 26 March, where serious allegations were made by the Karimganj Dist. Bar Council. Sometime back D. C., Mr. Panda instituted an inquiry into the matter and that inquiry was suspended at the initiative of some members of the M. C. of the College. Another D. C., Mr. D. Bhattacharjya gave land for construction of College Building. One businessman wanted to construct the building it was not

allowed. No inquiry was held, building has not been constructed, no affiliation was given, nothing of the sort. Law Graduates have come out every year and this year also and their future has become very much uncertain. I refer the matter before the august House to institute an inquiry, to look into the matter and to see the future of the Law Graduates so that their future is secured and the Managing Committee should be brought to book due to cancellation of affiliation of the College and why the people should not be punished for their mismanagement and why inquiry initiated by Mr. Panda has been suspended. All these points should be taken into consideration and action should be taken against the persons responsible for mismanagement of the College, as alleged by the Bar Council of Assam. Something have to be done for protecting their interests, Sir.

★ শ্ৰীথানেশ্বৰ বড়ো ( উচ্চ শিক্ষামন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ 'ল' কলেজৰ অৱস্থা বেয়া সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে যিটো কথা উত্থাপন কৰিছে সেইটো মোৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কে বিষয়টো উৎথাপন কৰাৰ কাৰণে মই ভাল পাইছো। অসমৰ 'ল' কলেজ বিলাক ঠিক মতে চলি থকা নাই আৰু মেনেজমেণ্টো চেটিচ-ফেক্টোৰী নহয়। বহুতো ছাত্ৰ ছাত্ৰীক এডমিচন দিয়া হয় যদিও পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হয়। ফীজ আৰু মেনেজমেণ্ট সম্পৰ্কত যে সন্তোষজনক নহয় তেনেকুৱা এটা পৰ্যায় চলি আছে। এই ক্ষেত্ৰত যিটো অসুবিধা হৈছে সেইটো মই গম পাইছো। আজি ৰাতিপুৱা

★ Speech not corrected

মই কৰিমগঞ্জৰ ডি. চি.ক টেলিফোন কৰি ডিটেইলচ্ ৰিপোৰ্ট দাখিল কৰাৰ কাৰণে জনাইছো। যি কি নহওক আমি এই বিষয়ে লিগেল প্ৰচিডিওৰ মতে ব্যৱস্থা লম আৰু এই বিষয়টো উৎথাপন কৰাৰ কাৰণে মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো।

Shri Sukhendu Shekhar Dutta : Mr. Speaker, Sir, I just request Govt. through the Hon'ble Speaker to institute a thorough inquiry into the matter which have been going on last 15 years and action should be taken against the persons responsible for it.

* শ্ৰীথানেশ্বৰ বড়ো ( উচ্চ শিক্ষা মন্ত্ৰী ) নিশ্চয় ব্যৱস্থা লম।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকল, যোৱা কালিৰ পৰিস্থিতিৰ বাবে আজি মই যাতে ৰায় দিবলগীয়া নহয়, তাৰ বাবে আশা কৰিছিলো। আমাৰ ইতিমধ্যে কেইবালানিও আলোচনা হোৱা স্বত্বেও এটা সমাধানৰ পথলৈ নাহিল। সেয়েহে মই ৰায় দিবলৈ ওলাইছো।

Hon'ble Member are aware that an unpleasant and unfortunate incident had happened during the course of speech made by Hon'ble Member, Shri Bharat Chandra Narah in the Debate on the Governor's Address yesterday.

In the midst of the speech it was alleged that he had made unfounded allegation against the Hon'ble Minister. P. W. D. and three other Ministers, such as Minister Agriculture, Minister Transport and Minister, Forest. He had also made allegations against an Hon'ble Member of Parliament, Dr. Jayanta Rongpi and wife of Hon'ble

★ Speech not corrected

Chief Minister, Assam who were not here to defend themselves.

Bringing the allegations without any substantial evidence and without documents against a Minister is prohibited by Rule 279 (A) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly which I quoted yesterday also. The allegation, he had made and brought before the House against the Hon'ble Member of Parliament, Dr. Jayanta Rongpi and the wife on the Hon'ble Chief Minister, Assam, was absolutely against the Rules of Procedure of our House.

Members are not allowed to make personal charges against any other Members or Ministers without any evidentiary documents and if any Hon'ble Member brought such allegation this goes against the Rules of our House and he is wholly responsible for violating the dignity, decorum of the House.

Shri Bharat Chandra Narah, MLA should have refrained himself from making such unfounded allegations against the Ministers without any documentary evidence and whithout prior information of the Speaker as per Rules of the House.

Since Hon'ble Member, Shri Narah on the insistence from the Chair failed to withdraw or apologise for his unfounded allegations against the Hon'ble

Ministers and also against the Hon'ble Member of the parliament and the wife of Hon'ble Chief Minister who could not defend themselves. I, after hearing the Hon'ble Members of the House initially suspended him from the service of the session for the rest of the day on 10/3/97.

I notice that all the members belonging to the Congress-I Legislature Party went away along with Shri Bharat Chandra Narah. Thereafter the matter was discussed seriously by the House again and a consensus has been arrived at that unless he tenders his apology, for his unfounded allegations against the Hon'ble Ministers and the persons who were not here to defend themselves and the House unanimously discussed and decided that Shri B. C. Narah should be asked to tender his apology to the August House for his unfounded allegation against the Ministers and persons who were not found to be defended.

In this connection, I quote from the Practive and Procedure of Parliament by Kaul and Shekdher at Page 899 (Fourth Edition) "Even after derogatory remarks made by a member were expunged, he was asked to apologise and on his failure to do so, he was named by the Chair."

I have carefully considered all the matters as stated above and in order to keep the dignity, decorum

and to maintain the Rules of Procedure and convention of the House, I called upon Shri B. C. Narah, Hon'ble Member of the House to tender apology for what he said yesterday by his unfounded allegations against the Ministers and persons who were not here in the House to defend themselves to maintain the dignity, decorum of the House as well as its convention.

Since Shri Bharat Chandra Narah has not tendered his apology I suspend him from the services of the House till he tenders his apology to the House during the current session.

However, I hereby remind the Hon'ble Member to refrain themselves from personal castigation and making unfounded allegations in future.

This is my final ruling over the matter.

Mr. Speaker : I am asking Shri Bharat Chandra Narah whther he will tender his apology or not.

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, মই ক্ষমা খুজিব নোৱাৰো। যোৱা কালি মোক এন্সপেল কৰা হৈছে আৰু এক্টপাঞ্জ কৰা হৈছে।

( Interruption )

( কংগ্ৰেছ দলৰ সদন ত্যাগ )

Mr. Speaker : I have quoted the provisions from the 'Practice and Procedure of Parliament' by Khul and Shakdhar at page No. 899. I quote "Even after derogatory remarks made by a member were

expunged, he was asked to apologige and on his failure to do so, he was named by the Chair." ........... Interruptions ...........

Shri Silvius Condpan : I have never seen in my life that an Hon'ble Member has been punished three times ........... Interruptions.

( Walk out by the Congress Parliamentary Party ).

## Call Attention Notice

Mr. Speaker : Now Item No. 2. Interruptions

শ্ৰীশেখ আব্দুল হামিদ ঃ অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৭ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখৰ 'দি আসাম ট্ৰিবিউন' কাকতত প্ৰকাশিত শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে বিভিন্ন সময়ত দেখা যায় মুছলিম যুৱকক উগ্ৰপন্থী সজোৱা হয়। বাস্তৱত কি আছে নাই কব নোৱাৰো কিন্তু মুছলিম জাতি উগ্ৰপন্থী হব নোৱাৰে। মই দৃঢ়তাৰে কব বিচাৰো যে বিভিন্ন জাতিৰ মাজত উগ্ৰপন্থী মনোভাব গা কৰি উঠিছে। মুছলিম সকল উগ্ৰপন্থী হব নোৱাৰে। মৰিগাঁৱত মুছলিম সকলক উগ্ৰপন্থী সজোৱা হৈছে আৰু আলফা বুলি কোৱা হয়। গতিকে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহামিদে যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই সম্পৰ্কত বহুত ইনফৰমেচন চৰকাৰৰ হাতত আছে। এই সম্পৰ্কত উক্ত তথ্য সুযুক্তিত পৰীক্ষা নিৰীক্ষা হৈ আছে। আশা কৰিছো যে সকলো শ্ৰেণীৰ জনসাধাৰণে ৰাজ্যখনত শান্তিৰ পৰিবেশ গঢ়ি তোলাত সকলো দলৰ আৰু যিবিলাক সংগঠন হিংসাত জড়িত আছে তেওঁলোকে হিংসা বাদ দি ভাল অসম গঢ়িবৰ কাৰণে আগবাঢ়ি আহিব।

শ্ৰীহেমেন দাসঃ উগ্ৰপন্থীৰ আগত জাতি শব্দটো থাকিব নালাগে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)ঃ আমি লগোৱা নাই।

Mr. Speaker: Now Item No. 3. Smti. Pramila Rani Brahma.

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং ৰ নিয়মৰ অধীনত 'অসম নগালেণ্ড সীমান্তৱৰ্ত্তী অঞ্চলৰ সীমাবিবাদ নিষ্পত্তি কৰিব লাগে'' এই সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসম নগালেণ্ডৰ সীমাবিবাদটো আজি নতুন কথা নহয়। এই বিবাদ ১৯৬৮ চনৰ পৰাই চলি আহিছে। অসমৰ মানুহৰ ওপৰত নগা সকলে আক্ৰমণ কৰাৰ দৃষ্টান্ত অতি পুৰণি নগালেণ্ডৰ সমীপৱৰ্ত্তী অঞ্চলত বাসকৰা অসমৰ মানুহৰ ওপৰত তেতিয়াৰ পৰাই অত্যাচাৰ চলাই আহিছে। ১৯৭৮ চনত নগালোক সকলে গোলাঘাট, যোৰহাট আৰু চুণাজানৰ ঘটনা কাৰো অবিদিত নহয়। সেই সময়ত নগা সকলে অসংখ্য অসমীয়া মানুহৰ ওপৰত অত্যাচাৰ চলাই আৰু হত্যা কৰে। পুনৰ ১৯৮৫ চনৰ মেৰাপানীত নগা সকলে যুদ্ধ চলায়। ফলত অসমৰ মানুহ অসমৰ মাটিতে বেঘৰীয়া হ'বলগীয়া হয়। আজি অসমৰ মানুহে নিজৰ মাটিতে থাকিও নগালেণ্ড চৰকাৰক কৰ দিবলগীয়া অৱস্থা এটা হৈছে নহলে তেওঁলোকক হত্যাৰ ভাবুকি দিয়া হৈছে। নগালেণ্ডৰ সীমান্তৱৰ্ত্তী অঞ্চলত বসবাস কৰা অসমীয়া মানুহৰ আজি কোনো নিৰাপত্তা নাই। বহুবাৰ সেই অঞ্চলৰ অসমীয়া মানুহে অসম চৰকাৰক আবেদন জনাই আহিছে কিন্তু তাক বাধা দিবলৈ অসম চৰকাৰৰ ফালৰ পৰা ৰক্ষনাবেক্ষনৰ ব্যৱস্থা কৰা হোৱা নাই। গতিকে, যিহেতু এইখিনি অসমীয়া মানুহে অসমৰ মাটিতে নিজৰ জন্ম-স্বত্ব অধিকাৰ সাব্যস্ত কৰিবলৈ অপৰাগ হৈছে, সেয়েহে তেওঁলোকে জনাইছে যে যদি এনেকৈয়ে সদায় লাঞ্চিত হৈ জীয়াই থাকিব লাগে,

তেন্তে অসম চৰকাৰে ঘোষণা কৰাটো উচিত হ'ব যে হয়—তেওঁলোকক নিৰাপত্তা দিয়ক, নহয় নগাৰ হাতত একেৰাৰে গতাই দিয়ক আৰু য'ত এইখিনি মানুহ বসবাস কৰে সেইখিনি অঞ্চল নগালেণ্ডক এৰি দিয়ক। তেওঁলোকে আজি ক্ষুব্ধ হৈছে, বিক্ষোভ প্ৰদৰ্শন কৰিছে। কিন্তু অসম চৰকাৰে এতিয়ালৈকে তাৰ কোনো সুব্যৱস্থা লোৱা নাই। এতিয়া আকৌ কেন্দ্ৰীয় চৰকাৰে নগা সীমান্তৱৰ্ত্তী অঞ্চলত চি, আৰ, পি, এফ পঠাই দিছে। কিন্তু তেওঁলোকে নিউট্ৰেল চাৰ্ভিচ দিয়া নাই। আমি অলপতে ডেপুটি স্পীকাৰৰ সৈতে এটা টিমত ভ্ৰমণ কৰিবলৈ গৈছিলোঁ, তেতিয়া আমি সেই অঞ্চলত ৰাইজৰ পৰা প্ৰতিবেদন পাইছিলো আৰু তেওঁলোকে অতি দুখেৰে আমাক তেওঁলোকৰ নিৰাপত্তাৰ কথা জনাইছিল। আমি মাননীয় মুখ্যমন্ত্ৰীক এই বিষয়ে অৱগত কৰোৱাৰ পিছতো কোনো ফলশ্ৰুটি নহ'ল। তেওঁলোকে বসবাস কৰি থকা মাটিৰ ক্ষেত্ৰত এক স্থায়ী ব্যৱস্থা অতি সোনকালে কৰি দিব লাগে, নহলে তেওঁলোকক নগালেণ্ডক গতাই দিব লাগে। গতিকে মই এই মাননীয় অধ্যক্ষৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিছো, যাতে অতি সোনকালে নিৰাপত্তা ব্যৱস্থা কৰি দিয়ে। আনহাতে কেন্দ্ৰীয় চৰকাৰে পঠোৱা চি, আৰ, পি, এফেও কোনো নিউট্ৰেল চাৰ্ভিচ দিয়া নাই। অলপতে হোৱা গোলাঘাটৰ ঘটনাত নগালোক চাৰিজন সন্ধানহীন হোৱাৰ কাৰণে চৰকাৰে চি, আৰ পি এফে গতাই দিয়াত, তেওঁলোকে মানুহ বিচৰাৰ সুবিধাতে অসমীয়া মানুহৰ ওপৰত বৰ্ণনাতীত অত্যাচাৰ চলাইছে আৰু আনপিনে নগালেণ্ড চৰকাৰে উগ্ৰপন্থী নগা মেলি দিছে, অসমীয়া মানুহৰ ওপৰত অমানুষিক অত্যাচাৰ কৰিবলৈ। খবৰ পোৱামতে গাৱঁৰ দুজন গাওঁবুঢ়াকো চি, আৰ, পি, এফে ধৰি নি অত্যাচাৰ কৰিছে। এতিয়ালৈকে জনামতে ১১ শ মানুহক হাৰাশাস্তি কৰা হৈছে। তেওঁলোকে নিজৰ নিজৰ এলেকাৰ পৰা ডি, চি, লৈ এই বিষয়ে লিখিত ভাবে জনাইছিল আৰু নিৰপত্তা বিচাৰি আবেদন কৰিছিল, কিন্তু কোনো সুবিচাৰ ব্যৱস্থা তেওঁলোকে নেপালে বুলি আমাৰ টিমটোৱে গম পাই আহিছো, সেই কথা আমাৰ ডেপুটি স্পীকাৰ মহোদয়ে জানে আৰু

এইটো কথাও জানে যে নগালেণ্ড সীমান্তৱৰ্ত্তী এলেকাত থকা অসমীয়া ৰাইজক অমানুসিক অত্যাচাৰ কৰাৰ ওপৰিও বহুতো অসমীয়া মহিলাক চি. আৰ. পি. এফৰ লোকে ধৰ্ষণ আদিও কৰিছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়ে অতি সোনকালে ব্যৱস্থা লবলৈ টানি অনুৰোধ জনালোঁ।

তেওঁলোকে সেইদিনা মাত্ৰ প্ৰতিজন শৰনাৰ্থীক ৫ কেজিকৈ চাউল দিয়াৰ পাচত নিজৰ ঠাইলৈ ঘুৰি যাবলৈ অনুৰোধ কৰা বুলি খবৰ পাইছো। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তেওঁলোকে ৰিলিফ কেম্পত থকা অৱস্থাতেই তেওঁলোকৰ সকলো ব্যৱস্থা কৰি দিব লাগে। তাৰ ওপৰি যিথিনি নগা লোক সন্ধানহীন হৈ থকা বুলি বাতৰি পোৱা গৈছে তেওঁলোকক বিচাৰি আনি শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে এই বিষয়ে কৈছে যে ৬০ টা পৰিয়ালৰ ঘৰত অগ্নি সংযোগ কৰা হৈছিল। সেয়ে সেই পৰিয়াল সমূহৰ পুণৰ সংস্থাপনৰ ব্যৱস্থা অতি সোনকালে কৰি দিবলৈ মই অনুৰোধ জনালো। তেওঁলোকে যাতে নিজ নিজ মাটিত নিজা ঘৰ বান্ধি পূণৰ সংস্থাপিত হব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আৰু এই বছৰটোত যাতে তেওঁলোকে ৰিলিফ পাই থাকে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কাৰণ তেওঁলোকে গোটেই ধন সা-সম্পত্তি ধ্বংস হ'ল। আজি সীমান্ত অঞ্চল সমূহত থকা কমিউনিটি সকল হ'ল জনজাতীয়। বেছি ভাগ জনগোষ্ঠী হ'ল মুছলীম, হড়ো চাহবাগিছাৰ লোক ইত্যাদি তেওঁলোকৰ প্ৰতি আমাৰ চৰকাৰে কোনো-দিনেই কানসাৰ নকৰে। সেয়ে তেওঁলোকৰ নিৰাপত্তাৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। আৰু সীমান্ত বিবাদটো বচাই ৰাখিবলৈ কৰিব নালাগে। আমাৰ মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই অৰুনাচল অসমৰ মাটিত চাৰ্কোল অফিচ পতাৰ কথা কৈছিল। অসমৰ মাটিত নগা মানুহে আমাৰ অসমৰ মাটিত চাব ডিভিজন খুলি অফিচ পাতি চলাই

থকাটো অতি লাজৰ কথা। মাননীয় অধ্যক্ষ চাৰ এই চাৰ-ডিভিজনৰ নাম যোৱা অগপ চৰকাৰৰ দিনত নিউলেণ্ড আছিল। কংগ্ৰেছ আই চৰকাৰৰ দিনত কহৰতু বুলি জনা গৈছিল। অসম চৰকাৰে নিজৰ মানুহখিনিক ৰক্ষণাবেক্ষণ দিব নোৱাৰাটো অতি লাজৰ কথা। গতিকে চৰকাৰে নিজৰ মানুহৰ কথা চিন্তা কৰি এইবিলাক ডিচমেন্টেল্ল কৰিব লাগে আৰু আলোচনা বিলোচনাৰ মাজেদি সীমান্ত সমস্যা সমাধান কৰিব লাগে। তাৰোপৰি অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজা যে যি ৭ গৰাকী মহিলা ধৰ্ষিতা হৈছে, কোন চি, আৰ, পি এফে এই কামটো কৰিলে সেইটো উলিয়াবৰ কাৰণে কেচটো চি, বি, আইক দিব লাগে। যাতে তেওঁলোকৰ অনতি পলমে শাস্তি হয়। তাৰ ওপৰি যি চাৰিজন নগা মানুহক মাৰি বড়ো গাওঁত পেলাই থৈছিল আৰু তেওঁলোকৰ মৃতদেহ বড়ো গাওঁৰ পৰা উদ্ধাৰ হৈছিল। এই দুস্কৃতিকাৰীক ধৰিবলৈ অসম চৰকাৰে তদন্তৰ ভাৰ চি, বি, আইক দিব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এই দুটা ঘটনাৰ দুস্কৃতিকাৰী লোক সকলক বিহিত ব্যৱস্থা লৈ অনুসন্ধান কৰি অনতি পলমে শাস্তি বিহিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো লগতে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই দুটা কেচৰ সংক্ৰান্তত কি ব্যৱস্থা গ্ৰহণ কৰে সেই বিষয়ে এই সদনত যাতে অৱগত কৰে। ধন্যবাদ।

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্মই অসম বিধান সভাৰ মজিয়াত আজি অতি গুৰুত্বপূৰ্ণ বিষয় এটা উত্থাপন কৰিছে। আমাৰ মাননীয় উপাধ্যক্ষ মহোদয়ৰ নেতৃত্বত আমি কেইবাজনো সদস্যৰ দল এটা সেই ঠাইলৈ গৈছিলো। আমাৰ চৰকাৰ গঠন হোৱাৰ পাচত নগালেণ্ডৰ বিভিন্ন উগ্ৰপন্থীয়ে এক্সটোৰচন চলাই আছে। মই খবৰ পোৱা মতে সেই দলটোত কংগ্ৰেছ কৰ্মীও জৰিত আছে। যি

★ Speech not corrected

খিনি মানুহ ইতিমধ্যে এৰেষ্ট হৈছে তাৰ ভিতৰত কংগ্ৰেছৰ নিম্ন স্তৰৰ কৰ্মী আৰু লগতে কিছু সক্ৰীয় কৰ্মীও জৰিত হৈ আছে। যোৱা কিছু দিন আগতে মেৰাপানীত এটা ঘটনা হৈছিল। চি চেক্টৰৰ চি, আৰ, পি এফৰ এজন বিষয়াই এজনী মহিলাৰ ওপৰত বলাৎকাৰৰ চেষ্টা চলাইছিল কিন্তু সেই বিষয়াৰ ড্ৰাইভাৰৰ হস্তক্ষেপত ঘটনাটো সংঘটিত নহল। চি চেক্টৰত এনে ধৰণৰ বহুত ঘটনা সংঘটিত হৈছে। মহিলা ধৰ্ষনৰ পাচত গোলাঘাট জিলা আৰক্ষীয়ে চিনাক্ত কৰণৰ সুবিধা কৰি দিছিল কিন্তু চিনাক্ত কৰিব নোৱাৰিলে। বি চেক্টৰৰ দলাদলি বুলি এখন ঠাইলৈ আমি গৈছিলো। তাত চি, আৰ, পি, এফে নগালেণ্ডৰ পক্ষলৈ তাৰে ৪০ ঘৰ মানুহৰ ওপৰত অত্যাচাৰ কৰি তেওঁলোকক মানুহৰ নাম কবলৈ বাধ্য কৰাইছে আৰু পাচত সেই সকলক এৰেষ্ট কৰিছে। আৰক্ষী অধীক্ষকক আৰু চি, আৰ, পি, এফৰ কামাণ্ডেণ্ট আমাৰ লগত সেই ঠাইত উপস্থিত হোৱাত তেওঁলোকে আমাক কব বিছৰাত চি, আৰ, পি, এফৰ পৰা বাধা আহিছিল কিন্তু ডিস্ট্ৰিক্ট মেজিষ্ট্ৰেট আমাৰ লগত থকাত তেওঁলোকে অভিযোগ কৰে যে অত্যাচাৰ কৰাৰ পাচত তেওঁলোকে আকৌ গাওঁবুঢ়াৰ পৰা অত্যাচাৰ কৰা নাই বুলি লিখাই আনে। গতিকে সেই বিলাক ঠাইত অসম ৰাইফলৰ নিচিনা বাহিনী নিয়োজিত কৰিব লাগে। সেই ঠাইৰ মানুহ খিনিয়ে নগালেণ্ডৰ মানুহক প্ৰতি পৰিয়ালে ৫০০ শ কৈ টকা আৰু মুৰ্গী আদি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসম নগালেণ্ড সীমাত বসবাস কৰি থকা যি সকল লোক আছে তাত নগালেণ্ড চৰকাৰে বিভিন্ন বিভাগৰ পৰা সেই ঠাই বিলাকত নানান ধৰণৰ উন্নয়ন মুলক আঁচনি লৈছে আৰু তাত থকা লোক সকলে সেই উন্নয়ন মুলক বিলাকৰ পৰা সুবিধা পাই আছে, ফলত এনে এটা দিন আহিব পাৰে সেই সীমান্তত বসবাস কৰা লোক সকলে এটা সময়ত তেওঁলোক নগালেণ্ড চৰকাৰৰ বুলি কবলৈ বেছি পৰ নালাগিব। গতিকে মই আমাৰ চৰকাৰক অনুৰোধ জনাইছো আমাৰ চৰকাৰৰ ফালৰ পৰাও যাতে

তৎকালেই সেই সীমান্ত অঞ্চলত বসবাস কৰা লোক সকলৰ মাজত আমাৰ চৰকাৰৰ বিভিন্ন বিভাগৰ ফালৰ পৰা কেতবোৰ উন্নয়ন মূলক আঁচনি লৈ তাত উন্নয়ন মূলক কাম হাতত লব লাগে। তাৰোপৰি আমাৰ সীমান্ত অঞ্চলত যিবিলাক ৰাস্তা আছে সেই ৰাস্তা বিলাকৰ অৱস্থা অত্যন্ত শোচনীয়, ৰাস্তা বিলাকত ডাঙৰ ডাঙৰ গাত আছে, যাতায়তৰ অৱস্থা অত্যন্ত বেয়া। সিদিনা যেতিয়া মই সেই ৰাস্তাৰে গৈছিলো তেতিয়া ৰাতি মই লাইট জ্বলাই গৈছিলো কিন্তু চি, আৰ, পি, এফৰ গাড়ীখন লাইট নুমাই গৈছিল, তেতিয়া মই সুধিলো আপোনালোকে কিয় আন্ধাৰত লাইট নুমাই গৈছিল তেতিয়া তেওঁলোকে কলে যে ৰাস্তা বেয়া হোৱাৰ কাৰণে যদি লাইট জ্বলাই লেহেম গতিত যোৱা হয় তেতিয়া গুলিয়াই আক্ৰমণ কৰিব পাৰে আৰু সেই কাৰণে লাইট নুমাই যোৱা হৈছিল। এনে এটা অৱস্থাত ৰাস্তা বিলাক পৰি আছে। আন এটা কথা মই কব বিচাৰিছো সেইটো হ'ল সুন্দৰম কমিশ্যনৰ যিটো ৰিপোৰ্ট এই সম্পৰ্কত দাখিল কৰা হৈছিল সেইটো যাতে নগালেণ্ড চৰকাৰে মানি লৈ কাম-কাজ কৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰিব লাগে। এই খিনিকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মঃ মাননীয় অধ্যক্ষ, পইণ্ট অব অৰ্ডাৰ', মাননীয় সদস্য বৰা ডাঙৰীয়াই যিটো শাস্তি দোষীক বিচাৰি উলিওৱা কথাটো কৈছে, সেইটো সম্ভৱ নহয়। কিয়নো যি সকল বাহিনীৰ লোক তেওঁলোকে ৰাতি মুখত ক'লা কাপোৰ বান্ধি আহে আৰু এনে বিভিন্ন কামত লিপ্ত হয়, গতিকে ধৰ্ষিতাই ধৰ্ষনকাৰীক চিনাক্ত কৰাতো সম্ভৱ নহয়। আনকি দিনৰ পোহৰতো তেওঁলোকে দোষীক চিনাক্ত কৰিব নোৱাৰে। গতিকে এতিয়া যিটো চিচটেমেৰে এই ধৰ্ষন কাৰীক ধৰা পেলোৱাৰ ব্যৱস্থা কৰিব বিচাৰিছে তাৰ দ্বাৰা ধৰ্ষনকাৰীক চিনাক্ত কৰি উলিয়াটো সহজ সাধ্য নহব।

---

★ Speech not corrected

প্ৰয়োজন সাপেক্ষে এই চি, আৰ, পি, এক বাহিনীক বদলি কৰি অন্য বাহিনী দি পৰীক্ষা মূলক ভাবে চাব লাগে নতুবা এই যি অনুসন্ধানৰ পদ্ধতি লোৱা হৈছে সেইটো পৰিবৰ্ত্তন কৰি অইন ধৰণৰ অনুসন্ধানৰ ব্যৱস্থা লব লাগে। মুঠতে যি কোনো প্ৰকাৰে এটা সুস্থ অনুসন্ধান কৰি দোষীক বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহিব লাগে। এনে ধৰণে অসমৰ বুকুত নিৰাপত্তা ৰক্ষী বাহিনীক অসমীয়া যুৱতীক ধৰ্ষন কৰিবলৈ এৰি দিম আৰু ধৰ্ষনকাৰী শাস্তি নোপোৱাকৈ বাচি যাব সেইটো হব নোৱাৰে। সেইদৰে বিভিন্ন ঠাইত বহুতো মহিলাৰ ওপৰত যিবিলাক গণ ধৰ্ষন হৈছে সেইবিলাক এৰাই যোৱা কথা নহয়, যি কোনো প্ৰকাৰে ধৰ্ষন কাৰীক বিচাৰি উলিয়াই যতে কঠোৰ শাস্তি দিয়া হয় তাৰ কাৰণে যথাবিহিত ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। ধৰ্ষন কাৰীয়ে যাতে উপযুক্ত শাস্তি পায় সেই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰি ধৰ্ষন কাৰীক বিচাৰি উলিয়াই উপযুক্ত শাস্তি দিব লাগে। নহলে এই প্ৰক্ৰীয়া যি কোনো বাহিনীয়েই নিৰাপত্তাৰ নামত আহিব তেওঁলোকে এনে ধৰণৰ গৰ্হিত কাম কৰি যাবলৈ ভয় নকৰিব, তেওঁলোকে অবাধে এনেবোৰ বিভৎস্য কাম কৰি যাবলৈ সুবিধা পাব। সেয়েহে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱাতো দৰকাৰ যাতে কোনো পধ্যেই ধৰ্ষনকাৰী শাস্তি নোপোৱাকৈ পলাই সাৰিব নোৱাৰে। এইখিনিকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★ শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্মাই গুৰুত্ব পূৰ্ণ কথাটি উল্লেখ কৰিছে। নিৰাপত্তা বাহিনীয়ে যি ধৰণে এই গৰ্হিত কাম কৰিছে তেওঁলোকক শাস্তি দিয়াটো নিতান্তই উচিত, কিন্তু চৰকাৰে দোষীক শাস্তি দিব পৰা নাই। ১৯৭৯ চনৰে পৰা এই অসম নগালেণ্ড সীমান্তত গুলিয়াগুলি লাগিছিল আৰু অজস্ৰ মানুহৰ মৃত্যু হৈছিল। কিন্তু আচৰিত কথা যে নগা গাওঁ বিলাকত আমাৰ সীমান্তৰ নিৰাপত্তা বাহিনীয়ে যাবলৈ ভয় কৰে আৰু নগা সকলক কৰায়ত্ত কৰি-

★ Speech not corrected

বলৈ ভয় কৰে কিন্তু আমাৰ সীমান্তত তেওঁলোকে নিৰীহ জনতাৰ উপৰত অত্যাচাৰ উৎপীড়ন কৰে, ধৰ্ষন ইত্যাদি কৰিয়ো তেওঁলোক বাচি যায়। গতিকেই সুন্দৰম কমিটি আৰু শাস্ত্ৰী কমিটিয়ে যিবোৰ নিৰ্দেশ সম্পৰ্কে ★ আঙুলি ধৰিছিল, সেইবোৰ নিৰ্দেশ যাতে নগালেণ্ড চৰকাৰে মানি লয় আৰু পালন কৰে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰিব লাগে। তাৰোপৰি আমাৰ সীমান্ত অঞ্চলত যি সকল লোকে বসবাস কৰি আছে, সেই অঞ্চলত যাতে চৰকাৰে তৎকালেই উন্নয়ন মূলক কাম হাতত লয় তাৰ কাৰণে মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। সুন্দৰম কমিশ্যনৰ নিৰ্দেশ মানি লবলৈ যাতে তেওঁলোকক বাধ্য কৰিব পৰা যায় তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি এই সীমা সমস্যাটো যে এটা জটিল ৰূপ ধাৰণ কৰিছে, এইটো বহু দিনৰে পৰাই চলি আছে, অকল অসম নগা সীমান্ততেই নহয় আন আন সীমান্ততো এনেধৰণৰ দুস্কৃতিমূলক কাৰ্য্য কলাপ চলি আছে। আগতে কৈ অহা মতে আজি চি, আৰ, পি, এফ বাহিনীক উইড্ৰ কৰি আন বাহিনী আনিলেও সেই একেটাই কথা হব কিয়নো আমাৰ নিৰাপত্তা বাহিনীৰ মানসিকতা তেনেকুৱাই গতিকেই এই ক্ষেত্ৰত তদন্ত কৰি ধৰ্ষনকাৰীক বিচাৰি উলিয়াই উপযুক্ত শাস্তি দিব লাগে। অৱশ্যে আমি জানিবলৈ পাইছো যে চি, আৰ, পি, এফৰ জোৱানক এই কাৰ্য্যত এৰেষ্ট কৰা হৈছে। ইয়াৰ আগতে আপোনালোকে জানে চুঙাজান, উৰীয়াম ঘাট, ৰেংমাই ইত্যাদি অঞ্চলত নগা সকলে বিভিষিকাৰ সৃষ্টি কৰিছিল, সেইবিলাক ঘটনাৰ কথা আমি পাহৰিব নোৱাৰিম। গতিকে এই সীমা বিবাদৰ সম্পৰ্কত ★ চুবুৰীয়া ৰাজ্যৰ লগত আলোচনা কৰি ইয়াৰ এটা নিস্পত্তি কৰিব লাগে আৰু গুৰুত্ব সহকাৰে এই সীমা সম্পৰ্কীয় কথা বিলাক আলোচনা

★ Speech not corrected

কৰিব লাগে। ধৰ্ষনকাৰীক বিচাৰি উলিয়াই উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ সীমা সম্পৰ্কীয় আলোচনাটো আমি কিবা-কিবি বহুত বিলাক কামত ব্যস্ত থাকিব লগীয়া হোৱাত এই ক্ষেত্ৰত এটি স্থিৰ সিদ্ধান্তত আহিব পৰা নাই। আৰু বহু সময়ত ভাতৃত্বৰ মনোভাৱত কিবা প্ৰকাৰে আঘাট হানিব বুলি শংকা কৰিয়েই এই ক্ষেত্ৰত বোওষ্টেপ লব পৰা নাই। গতিকেই মই ভাবো আমি এতিয়া মাননীয় মুখ্যমন্ত্ৰীক লৈ আৰু কেইগৰাকীমান সদস্যৰে এখন চাব কমিটি কৰি দি এই সম্পৰ্কত এটি আলোচনা বিলোচনা কৰি কিছুমান সিদ্ধান্ত ললে ভাল হব। সদ্যহতে আমাৰ যি খিনি ইনদিচপিউটেড লেণ্ড আছে সেই বিলাক প্ৰকৃত ভাবে ডিমাৰকেশ্যন কৰি লব পাৰিলে আমি কিছু আগবাঢ়িব পাৰিম। গতিকেই চাব কমিটিখনে এই দিশত প্ৰথম পৰ্য্যায়ৰ কাম খিনি আৰম্ভ কৰি ক্ৰমান্বয়ে অন্য কাম হাতত ললে সীমা বিবাদৰ ক্ষেত্ৰত ফলপ্ৰসু দিশত আগবাঢ়িব পাৰিম। চি. আৰ. পি. এফ বাহিনীক উইদ্ৰ কৰি যদি আন নিৰাপত্তা বাহিনী অনা হয় তেতিয়াও এনে বিলাক দুস্কাৰ্য্যাৰ পৰা হাত সাৰিব পাৰিম সেইটো নহয়। কিয়নো আমি দেখিছো বাংলাদেশ আৰু পশ্চিম বঙ্গৰ অৱস্থাৰ কোনো পৰিবৰ্ত্তন নহ'ল। নিৰাপত্তা বাহিনীৰ মানশিকতা তেনেকুৱাই গতিকে প্ৰথমতে আমি বোৰ্ডাৰৰ যিটো ডিচপিউট সেইটো আতৰাবলৈ চেষ্টা কৰিব লাগে।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে কেইবা গৰাকী মাননীয় সদস্যই অসম নগালেণ্ড সীমান্তৱৰ্ত্তী অঞ্চলত সীমা বিবাদ নিস্পত্তি কৰাৰ সম্পৰ্কত দিঘলীয়া বক্তব্য ৰাখিছে। যোৱা কালিও অসম

★ Speech not corrected

নগালেণ্ড আৰু অসম অৰুনাচল সীমা সম্পৰ্কত বহুকথা আলোচনা কৰা হৈছে। মাননীয় সদস্য হেমেন দাস দেৱে এই বিষয়টো পৰীক্ষা কৰি ব্যৱস্থা লোৱাৰ কথা কৈছে। মাননীয় সদস্য গোস্বামীয়ে এখন কমিটি কৰিব লাগে বুলি পৰামৰ্শ দিছে। উপাধ্যক্ষ মহোদয়, আমাৰ সীমান্ত অঞ্চলত বিশেষকৈ আন্তঃৰাজ্যিক সীমান্ত বিলাকত মাটিবিলাক জৰিপ কৰাৰ বাবে ব্যৱস্থা কৰিব লাগে। জৰিপ নকৰালৈকে অসমৰ কিমান মাটি অৰুনাচল বা নগালেণ্ডত সোমাই আছে এইটো নিৰ্দ্ধাৰণ কৰা টান হব। গতিকে বিভিন্ন সময়ত সীমা বিবাদ হৈ আছে। যোৱা কালিও অসম অৰুনাচলৰ সীমা বিবাদ আলোচনা হৈছে। চেৰেং অঞ্চললৈ অৰুনাচলৰ পৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ লৈ লৈ বহুতো মানুহ এই অঞ্চললৈ আহিছে। তেওঁলোকৰ ফালৰ পৰা প্ৰশাসনিক বিষয়া, পুলিচ বাহিনীৰ লোকও আহিছে। অসমৰ ফালৰ পৰা গোটেই অঞ্চলটো পৰীক্ষা কৰি তাত ফোৰ্চ দিবলৈ কোৱা হৈছে। গতিকে এই সমস্যা-বিলাকৰ তৎকালীন ভাবে সমাধান কৰাৰ বাবে এটা ব্যৱস্থা কৰিব লাগে ভবিষ্যতে যাতে ধৰ্ষন নহয় তাৰ বাবেও ব্যৱস্থা লব লাগে। Bodos are more couragious than other communities. অসমৰ ভিতৰত আমাৰ বহুতো বড়ো গোষ্ঠীৰ লোক আছে। আনহাতে অৰুনাচল পৰিবহন মন্ত্ৰীয়েও কৈছে এই অঞ্চল অৰুনাচলৰ আৰু আমি দখল কৰিম। গতিকে এই বিষয়টো মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো যাতে তেখেতে এখন ৰাজ্যৰে মুখ্যমন্ত্ৰী সকলৰ লগত আলো-চনা কৰিব লাগে আৰু ধৰ্ষন সম্পৰ্কত তদন্ত কৰিব লাগে। এইখিনিকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

★ শ্ৰীদেৱহাগ্ৰা মুছাহাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য হেমেন দাস দেৱে কৈছে যে নগা আৰু বড়ো সকলৰ মাজত ক্লেচ আছে। মই জনাত তেওঁলোকৰ মাজত এই কাৰণেই ক্লেচ হব লাগে যে,

★ Speech not corrected

বাইশ বছৰ আগতে যেতিয়া অসমত জনতা চৰকাৰে ৰাজত্ব কৰিছিল সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল সমৰ ৰঞ্জন চৌধুৰী। তেওঁৰ দিনতে বহুতো সংখ্যক বড়ো জন গোষ্ঠীৰ লোকক অসম নগালেণ্ড সীমান্ত অঞ্চলৰ পৰা উচ্ছেদ কৰা হৈছিল। বড়ো সকলে নগা সকলক আক্ৰমণ কৰিবলৈ অহা বুলি কৈ তেওঁলোকে বড়ো সকলক অত্যাচাৰ কৰিছিল। মেৰাপানী, গোলাঘাট, দৈয়াং, বেংমা আদি অঞ্চলত বহুতো বড়ো জনগোষ্ঠীৰ লোকক সংস্থাপন দিয়া হৈছিল। কিন্তু কেইবা সংখ্যক বড়োৱে মাৰ খাইছে। এই বিষয়টো লৈ বহুতো আলোচনা হৈছে। নিৰাপত্তাৰ ক্ষেত্ৰত, সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত নগা সকলে কেনেধৰণে অত্যাচাৰ আৰম্ভ কৰিছে এই বিষয়টো তদন্ত কৰাৰ বাবে মাননীয় উপাধ্যক্ষৰ নেতৃত্বত কেইমাহ মানৰ আগতে গৈছিলো। কিন্তু তদন্ত কৰি কি পোৱা গল সেই ৰিপোৰ্ট টো যদি দাখিল কৰিলে হেঁতেন তেন্তে হলে বিহিত ব্যৱস্থা লোৱাৰ বাবে আলোচনা কৰিব পৰা গলহেঁতেন। গতিকে উপাধ্যক্ষ মহোদয় মই অনুৰোধ কৰিছো যে, তদন্ত কৰি কি পালে এই ৰিপোৰ্ট দাখিল কৰিব লাগে আৰু বিহিত ব্যৱস্থা লব লাগে নহলে অতি কম সময়ৰ ভিতৰতে আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে। এতিয়া কথা হৈছে যে আমি যি তদন্ত কৰি আহিছো তাৰ ওপৰত যদি এটা ব্যৱস্থা লোৱা নহয় তেন্তে হলে নগালেণ্ড ইয়াৰ বাবে ব্যৱস্থা গ্ৰহন কৰিব। অসম চৰকাৰৰ ফালৰ পৰা বিৰোধী বিধায়ক আদিৰে তদন্ত কৰাৰ পিচত নগা সকলে তাত থকা আমাৰ জনগোষ্ঠী সকলৰ ওপৰত ব্যৱস্থা লব। গতিকে আমি বলিছো পদক্ষেপ লোৱাৰ সময় আহি পৰিছে। গতিকে উপাধ্যক্ষ মহোদয় তদন্তৰ ৰিপোৰ্ট সোনকালে দাখিল কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি অতি সোনকালে ব্যৱস্থা গ্ৰহন কৰিব লাগে।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত আন্তঃৰাজ্যিক সীমা বিবাদ চলি আছে আৰু এই সম্পৰ্কত বিধান সভাত

* Speech not corrected.

যথেষ্ট আলোচনা হৈছে যদিও কোনো মীমাংসা হোৱা নাই আৰু এটা কথা অকল আন্তঃৰাজ্যিক সীমা বিবাদেই নহয় আজি আমাৰ আন্তঃৰাজ্যিক জিলা বোৰ্ডাৰ বিলাকতো সীমা বিবাদ চলি আছে। নগাওঁ জিলা আৰু কাৰ্বি আংলং জিলাৰ ক্ষেত্ৰত সীমা বিবাদ স্বাধীনতাৰ পিচৰে পৰা চলি আছে। অলপতে নগাওঁ জিলাৰ ভিতৰত বৰ প্ৰথাৰ হাইস্কুলত আনটাইদ ফাণ্ডৰ পৰা ১ লাখ টকা দি ঘৰ বনোৱা হ'ল। কিন্তু কাৰ্বিলোক সকলে তেওঁলোকক খেদি দি নিজা বৰীয়াকৈ তাত কাম আৰম্ভ কৰিছে। নগাওঁ জিলাৰ আই, এচৰ জৰিয়তে প্ৰশাসনিক ব্যৱস্থা আছে আৰু কাৰ্বি আংলঙৰ ফালৰ পৰাও প্ৰশাসনিক ব্যৱস্থা আছে। এই ধৰণে স্কুল প্ৰতিষ্ঠান আদি কাৰ্বি সকলে দখল কৰি আছে। কাৰ্বি আৰু নন কাৰ্বিৰ মাজত সাংঘাটিক যুদ্ধ চলি আছে। এই যুদ্ধত এজন মানুহো মৰিছে। গতিকে আন্তঃৰাজ্যিক সীমা বিবাদৰ লগতে জিলা বিলাকৰো সীমা বিবাদ সমাধান কৰিব লাগে। মই আশা কৰো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নগাওঁ আৰু কাৰ্বি আংলঙৰ মাজত চলি থকা সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে স্পেচিয়েল ড্ৰাইভ কৰি হলেও ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালো। আজি সদনত এটা আশ্বাস দিব বুলি আশা কৰিলো।

★ শ্ৰীহেমন্ত কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, অসম নগালেণ্ড আন্তঃ ৰাজ্যিক সীমা বিবাদ সম্পৰ্কত কেইবা জনো বক্তাই বক্তব্য ৰাখিছে। যি প্ৰকাৰে এই সমস্যা সমাধান কৰা হব তাৰো পৰামৰ্শ দিছে। এই অঞ্চল বিলাকৰ যোগাযোগ ব্যৱস্থা একেবাৰে ভাল নহয়। তাত থকা জনসাধাৰণৰ মাজত যাতায়ত ব্যৱস্থাৰ কাৰণে বাট পথকে ধৰি দলং আদিও নাই। এই কাৰণে সেইমতে কোনো দুৰ্ঘটনা ঘটিল সেই অঞ্চল সমূহলৈ কৰ্তৃপক্ষৰ পৰা পুলিচ বাহিনী উপস্থিত হব নোৱাৰাৰ কাৰণে আমাৰ যথেষ্ট অসুবিধা হয় আৰু উন্নয়ন মূলক বিভিন্ন আচনি সমূহো

★ Speech not corrected

কাৰ্য্যকৰী কৰিব পৰা নহয়। গতিকে মই চৰকাৰক বিশেষ ভাবে অনুৰোধ জনাইছো অসম নগালেণ্ডৰ সীমা বিবাদ সোনকালে নিষ্পত্তি কৰা কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সীমান্ত অঞ্চলৰ উন্নয়নৰ কাৰণে যি পুঁজি ধৰা হয় তাত সোনকালে মুকলি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এই খিনিকে কৈ সামৰণি মাৰিছো।

Mr. Deputy Speaker: Now, Chief Minister will speak.

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় উপাধ্যক্ষ ডাঙৰীয়া অসম নগালেণ্ড সীমান্ত অঞ্চল সম্পৰ্কত আমাৰ মাননীয় সদস্যা শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, শ্ৰীঅতুল বৰা ডাঙৰীয়া, শ্ৰীবিনোদ গুৱালা ডাঙৰীয়া, শ্ৰীদুছাহাৰী ডাঙৰীয়া, আৰু শ্ৰীহেমন্ত বলিতা ডাঙৰীয়াকে আদি কৰি যি সকল মাননীয় সদস্যাই তেখেত সকলৰ বিভিন্ন দিহা পৰামৰ্শ আৰু তাত ঘটি থকা বিভিন্ন খা-খবৰ সম্পৰ্কে উল্লেখ কৰিছে। অসম নাগালেণ্ড সীমা বিবাদ বহু পুৰণি বিবাদ। অসম নাগালেণ্ড সীমাৱৰ্ত্তী অঞ্চলৰ সীমা বিবাদৰ চেকুৰলৈ এন. এচ. চি. এন. কে আদি কৰি বিভিন্ন দুস্কৃতিকাৰী সংগঠন সমূহে তাত কিছুমান লুটাৰাট মূলক কাৰ্য্য চলায় আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ ফালৰ পৰা অধিক কটকটীয়া ব্যৱস্থা লোৱা হৈছে। কিন্তু এই খিনিতে প্ৰশ্ন হৈছে অসম নাগালেণ্ড সীমান্ত অঞ্চলক ‘ডিষ্টাৰ্ব এৰিয়া’ হিচাবে আগতে যিখন চুক্তি কৰি দুয়োখন ৰাজ্যৰ সীমান্ত অঞ্চল চোৱা চিতা কৰা হৈছিল সেই চুক্তি অনুসৰি আমাৰ নিৰাপত্তা বাহিনীৰ লোক সেই অঞ্চলত যাব নোৱাৰে। তাত যিটো বাহিনী ৰখা হৈছে সেইটো হৈছে ‘নিউট্ৰেল ফোৰ্চ’। এই নিউট্ৰেল ফোৰ্চত আমাৰ কথা নাখাটে। সেই কাৰণে আমি বিভিন্ন সময়ত বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছো। এটা সময়ত এই অঞ্চল সমূহত আসাম ৰাইফলচৰ বাহিনীও তাত দিয়া হৈছিল। কিন্তু তেওঁলোকৰ পাৰফৰমেঞ্চ ভাল নোপোৱাৰ কাৰণে চি. আৰ, পি, এফ. মোতায়েন কৰা হৈছে।

* Speech not corrected

এতিয়া চি, আৰ, পি, এফ ৰ ওপৰতো সেই একেই অভিযোগ উঠিছে। এতিয়া পূৰ্বৰ চুক্তি বাতিল কৰি সেই অঞ্চল সমূহত আগৰ দৰেই কাম কৰিব পাৰি নেকি সেই বিষয়ে অনুমতি বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলায় থকা হৈছে। শ্ৰীগোস্বামী ডাঙৰীয়াই সুন্দৰম কমিটিৰ ৰিপ'ৰ্ট সম্পৰ্কে উল্লেখ কৰিছে কিন্তু এই কমিটিৰ ৰিপ'ৰ্টৰ পৰামৰ্শৱলী অসম চৰকাৰে মানি লৈছিল যদিও নাগালেণ্ড চৰকাৰে মানি নললে। সেই কাৰণে বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰেও এই বিষয়টো মিউচুৱেলী ডিচাইড কৰা কাৰণে পৰামৰ্শ দি আহিছে আৰু মাজতে আৰবিট্ৰেটৰৰ কথাও উৎথাপিত হৈছে। শ্ৰীগোস্বামী ডাঙৰীয়াই এই সম্পৰ্কত মন্ত্ৰী আৰু বিধায়কৰ এখন কমিটি কৰি দিয়াৰো পৰামৰ্শ আগবঢ়াইছে। আমি বুজা-বুজিৰ মাজেৰে সমস্যাবোৰ সমাধান কৰাৰ কাৰণে ইচ্ছুক। কিন্তু মূল প্ৰশ্নটো হৈছে নাগালেণ্ড বা দাতি কাষৰীয়া ৰাজ্য কেইখনে এই সমস্যা সমূহৰ স্থায়ী সমাধান বিচাৰে নে নিবিচাৰে এতিয়া সেইটোহে মূল প্ৰশ্ন হৈ পৰিছে। নাগালেণ্ডত যেতিয়া নিৰ্বাচন সমাগত হয় তেতিয়া তেওঁলোকে তেওঁলোকৰ ফালৰ বোৰ্ডাৰ পোষ্টবোৰ উঠাই লৈ যায় যাতে তাত কিছুমান অশান্তিকৰ ঘটনা ঘটে আৰু তাৰে সুযোগ তেওঁলোক নিৰ্বাচনত খটুৱাই। এনেবোৰ কাৰ্য্য কলাপৰ জৰিয়তে তেওঁলোকে সীমান্ত অঞ্চলত অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে। মাননীয় সদস্যা শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মই যি গৰাকী মহিলাৰ ওপৰত চি, আৰ, পি, এফৰ লোকে অসং আচৰণ কৰা বুলি অভিযোগ উৎথাপন কৰিছে সেই ক্ষেত্ৰত আমি ইতিমধ্যে বিষয়টো দণ্ডাধীশ পৰ্য্যায়ত তদন্ত কৰিবলৈ দিয়া হৈছে আৰু এই ক্ষেত্ৰত দোষী সাবাস্ত সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হব। কোকৰাঝাৰৰ ঘটনা সম্পৰ্কতো আমি শীঘ্ৰে ব্যৱস্থা গ্ৰহন কৰিছো আৰু ইউনিফাইড হেড কোৱাৰ্টাৰ সম্পৰ্কত যিবিলাক অভিযোগ উঠিছে সেই অভিযোগ বিলাকৰ ভিতৰত ডিব্ৰুগড়ৰ এটা কেচৰ বাহিৰে বাকী বিলাক মিছা বুলি প্ৰমানিত হৈছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰ যথেষ্ট সজাগ আৰু এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ কাৰণে সংশ্লিষ্ট

বাহিনী সমূহক সতৰ্ক কৰি দিয়া হৈছে। অসম নাগালেণ্ড সীমান্তৰ সাংবিধানিক সীমা সুৰক্ষাৰ কাৰণে নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ লগত মই কথাও পাতিছো আৰু কেন্দ্ৰীয় চৰকাৰেও নগালেণ্ড চৰকাৰক বোৰ্ডাৰ আউট পোষ্ট বিলাক উঠাই নিয়াৰ কাৰণে নিৰ্দ্দেশ দিছে। কিন্তু নাগালেণ্ড চৰকাৰে আউট পোষ্ট সমূহ উঠাই নিয়াৰ পৰিৱৰ্ত্তে আগতে য'ত ৪০ জন জোৱান আছিল এতিয়া তাত ৫০ জন জোৱান মোতায়েন কৰিছে। এই ক্ষেত্ৰত আমাৰ ফালৰ পৰা প্ৰতিবাদ কৰা হৈছে। নগালেণ্ড আৰু আমাৰ মাজত যি মাটি কালি আছে তাৰ সৰহ ভাগ মাটি বন বিভাগৰ বুলি পৰিগনিত হৈছে। সেই মাটি বিলাক যদি তাত বসবাস কৰি থকা লোক সকলক পট্টা দিব লগীয়া হয় তেনেহলে ডিফৰেষ্টেচন কাৰণে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লব লাগিব। আন এটা কথা হ'ল বোডাৰ প্ৰব্লেম সমুহৰ ওপৰত উচ্চতম ন্যায়লয়ত কেইবাটাও কেচ চলি আছে। এই কেচবোৰৰ সোনকালে ৰায় দিয়াৰ কাৰণে আমি যোগাযোগ কৰিছো। আন এটা সমস্যা হৈছে উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা যি ডি. আৰ, ডি এ,ৰ টকা পোৱা হয় নাগালেণ্ডে সেই টকা মধ্যে মধ্যে বেদখলী মাটিতো খৰছ কৰে। তেওঁলোকে বিবাদমান মাটিতো ফাৰ্ম হাউচ খুলিছে। এই কথা বিলাক আমি কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। আমি মিউচুৱেল ডিচকাচনৰ জৰিয়তে সমস্যা বিলাক সমধান কৰা কাৰণে আশা ৰাখিছো। কিন্তু নগালেণ্ড চৰকাৰে ৰাজনৈতিক কাৰণতে হওক বা অন্যান্য কাৰণতে হওক এই সমস্যা বিলাক জীয়াই ৰাখিব বিচাৰে। অৱশ্যে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে সীমা সমস্যা সমাধান কৰাত সন্মতি প্ৰকাশ কৰিছে আৰু এই বিষয়ে অতি শীঘ্ৰে আলোচনা কৰাৰ কথা আছে। আমি যদি আলোচনা বিলোচনাৰ মাজেৰে এই সীমা সমস্যা সমূহ সমাধান কৰিব নোৱাৰো তেনেহলে সমস্যা সমাধানৰ কাৰণে আমি পুনৰ উচ্চতম ন্যায়লয়ৰ ওচৰলৈ যাবৰ কাৰণে বাধ্য থাকিব লাগিব। সীমান্ত অঞ্চল সমূহত অশান্তিকৰ পৰিস্থিতি হব পাৰে বুলি আমি ইতিমধ্যে সেই অঞ্চলৰ ৰাইজকো সতৰ্ক কৰি দিছো কাৰণ, নগালেণ্ডত নিৰ্ব্বাচন সমাগত

হোৱাৰ আগে আগে তেওঁলোকে সেই অঞ্চল সম্ভৱত কিছুমান পলিটিকেল ইচুৰ সৃষ্টি কৰিব পাৰে। সেয়ে এই কথা বিলাক আমি কেন্দ্ৰীয় চৰকাৰক জনাইছো আৰু কেন্দ্ৰীয় চযকাৰেও এই বিষয় সম্ভৱত যথোপযুক্ত ব্যৱস্থা লোৱা হব বুলি আমাক আশ্বাস দিছে।

★ শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে মই মোৰ বক্তব্যত কিছুমান দাবী উত্থাপন কৰিছিলো। যিবিলাক যুৱতীৰ ওপৰত গন ধৰ্ষণ কৰা হ'ল সেই সকলে অন্তৰত যি আঘাট পালে তাৰ কিংবা মলম বা উপসম কৰাৰ কিংবা উপায় আছে নেকি। আৰু যিসকল দোষী সেই সকলক উপযুক্ত শাস্তি প্ৰদানৰ কাৰণে চি. বি, আইক এনকুৱাৰী দিবৰ কাৰণে দাবী কৰিছিলো। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত একো নকলে। যি সকল যুৱতীক গন ধৰ্ষণ কৰিলে তেওঁলোকৰ অন্তৰৰ আঘাট দূৰ কৰিবৰ কাৰণে অসম চৰকাৰৰ হাতত কিবা স্পেচিয়েল মলম আছে নেকি।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি আগতেই কৈছো যে এইটো এটা মিচুৱেল ফোৰ্চ। ইয়াত ৰাজ্য চৰকাৰৰ হাত নাই। চৰকাৰৰ তৰফৰ পৰা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত চলোৱা হৈছে। এই তদন্তৰ প্ৰতিবেদন পোৱাৰ পিচত তাৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱস্থা লোৱাৰ কাৰণে, কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম। দোষীয়ে শাস্তি পাব লাগে বুলি কৈছো আৰু জিলা প্ৰশাসনক সম্পূৰ্ণ দায়িত্ব দিয়া হৈছে।

★ শ্ৰীপ্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় উপাধ্যক্ষ মহোদয়, চি. আৰ, পি, এফৰ ওপৰত অসম চৰকাৰৰ কণ্ট্ৰোল নাই কাৰণে এই বিষয়টো চি. বি, আইক এনকুৱাৰী কৰিবলৈ দিয়াৰ বাবে অনুৰোধ কৰিছো।

মাননীয় উপাধ্যক্ষ : এই সম্পৰ্কত ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে।

---

★ Speech not corrected

Now Item No. 4. Pending Private Members Resolution. I now call upon Shri Jogadish Bhuyan to speak.

★ শ্ৰীজগদীশ ভূঞা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ইয়াৰ আগৰ অধিৱেশনতেই এই প্ৰস্তাৱটো কৰিছিলো। প্ৰস্তাৱটো আছিল এনে ধৰণৰ ভাৰতবৰ্ষৰ বৰ্ত্তমান সংবিধানে ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তা সমূহৰ আশা-আকাংশা পূৰণত ব্যৰ্থ হোৱা বুলি বিভিন্ন মহলত অভিযোগ উৎথাপিত হোৱা দেখা গৈছে। বৰ্ত্তমান ভাৰতৰ্ষৰ বিচ্ছিন্নতাবাদৰ প্ৰৱনতাক ৰাজনৈতিক ভাবে বাধা দিবৰ বাবে ভাৰতবৰ্ষৰ বৰ্ত্তমান কেন্দ্ৰীভূত শাসনৰ ব্যৱস্থাৰ সলনি যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দাবী উৎথাপন কৰি কেন্দ্ৰীয় চৰকাৰক উপযুক্ত ব্যৱস্থা লোৱাৰ বাবে অসম বিধান সভাই সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ আগবঢ়ায়।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি বৰ্ত্তমান অসমৰ ক্ষুদ্ৰ জাতি সত্তা সমূহৰ আশা-আকাংশা পূৰণৰ কাৰণে এই পবিত্ৰ সদনতে সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহণ কৰাৰ কাৰণে এই প্ৰস্তাৱ উৎথাপন কৰিছিলো। এই প্ৰস্তাৱৰ সপক্ষে ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই তেখেতৰ বক্তব্য ৰাখিছিল। আমি বিধান সভাৰ সদস্য সকলক যি সকলক আমি সন্মানিত সদস্য বুলি কওঁ তেখেত সকলে এই পবিত্ৰ সদনত অসমৰ জন সাধাৰণৰ দুখ বেদনা উপলব্ধি কৰি অসমৰ জনসাধাৰণৰ আশা আকাংশা বাস্তৱ দৃষ্টিভংগীৰে চিন্তা চৰ্চা কৰি এটা সিদ্ধান্ত লোৱাৰ কাৰণে আমি মিলিত হৈছো। আজি অসম তথা ভাৰতবৰ্ষৰ সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰে জনসাধাৰণক। আজিৰ দিনত আইন শৃংখলাৰ পৰিস্থিতিৰ কাৰণে বিভিন্ন শংকাৰ মাজেৰে মানুহে দিন অতিবাহিত কৰিব লগীয়া

★ Speech not corrected

হৈছে। আমি প্ৰস্তাৱত কৈছো যে ভাৰতৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক বাধা দিয়াৰ প্ৰচেষ্টা হিচাবে এই প্ৰস্তাৱ উত্থাপন কৰা হৈছে। বিচ্ছিন্নতাবাদৰ প্ৰৱণতাই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত শসস্ত্ৰ সংগ্ৰামৰ আৰম্ভনি কৰিছে। ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাৰে, কেন্দ্ৰীয় চৰকাৰে দমন ব্যৱস্থাৰে সংগ্ৰামক নিয়ন্ত্ৰন কৰিছে। ইয়াৰ বিপৰীতে বৰ্ত্তমানৰ সমস্যা সমূহ বাস্তৱ সম্মতভাৱে চিন্তা চৰ্চা কৰি সমাধা কৰাৰ চেষ্টা কৰা নাই। আমি এই পবিত্ৰ সদনত সকলো সদস্যই অসম তথা ভাৰতবৰ্ষৰ জনসাধাৰণক বিচ্ছিন্নতাবাদৰ প্ৰৱনতাৰ পৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা উচিত। অসম তথা ভাৰতবৰ্ষৰ প্ৰতিটো পৰিয়ালত যাতে শান্তি সম্প্ৰিতী আৰু সুষ্ঠ বাতাবৰণ সৃষ্টি কৰিব পাৰি তাৰ পৰিবেশ সৃষ্টি কৰিব লাগিব আৰু সৰ্ব্বসন্মত ভাবে সিদ্ধান্ত গ্ৰহন কৰিব লাগিব। আমি গভীৰ বিশ্বাস আৰু আস্থাৰে এইটো কৰিছো। আমাৰ মাননীয় সদস্য সকলে এই জলন্ত সমস্যা সমূহ হৃদয়ঙ্গম কৰিব আৰু মোৰ প্ৰস্তাৱৰ লগত একমত হব।

উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আজি আমি দেখিবলৈ পাইছো যে সকলোতে একে ধৰণেৰে ৰাজনৈতিক পৰিস্থিতি। এই ৰাজনৈতিক পৰিস্থিতি আমি একা বাস্তৱ সন্মত চিন্তা ধাৰাৰে যদি উপযুক্ত সিদ্ধান্ত গ্ৰহণত ব্যৰ্থ হওঁ তেতিয়াহলে ঐতিহাসিকভাৱে অপৰাধী হিচাবে চিহ্নিত হব লাগিব। উপাধ্যক্ষ মহোদয়, আমি বিচ্ছিন্নতাবাদ বোধ কৰিব লাগিব। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত এই সমস্যাসমূহ দেখা দিয়াৰ কাৰণ কি বা উৎস কি আমি জানিব লাগিব। ইয়াৰ কাৰণে আমি সশস্ত্ৰ সংগ্ৰাম কৰিবলগীয়া হৈছে। আত্মনিয়ন্ত্ৰণ কৰাৰ সংগ্ৰাম কৰিবলগীয়া হৈছে। আবেগ অনুভূতিৰ কাৰণে মানুহে কৰে। দেশৰ আইন শৃঙ্খলা যিমানেই নিয়ন্ত্ৰণ নকৰক কিয় এই আইন আৰু বিধি ব্যৱস্থাই মানুহক কেতিয়াও নিয়ন্ত্ৰণ কৰিব নোৱাৰে। যদিহে মানুহৰ মানসিক সত্বাক উপলব্ধি নকৰে তেতিয়াহলে মানুহে বিদ্ৰোহ ঘোষণা কৰে। এইটো চিৰন্তণ সত্য। যিকেনো মানুহৰ বিবেক থাকে। তাকে লৈ এখন সুস্থ সমাজ গঢ়ে

আৰু এখন সুস্থ দেশ গঢ়ে। দেশৰ শাসন ব্যৱস্থাই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বাক আঘাট হানিছে। আৰু তাৰ বাবে এই শাসন ব্যৱস্থাৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদৰ জোৱাৰ উঠিছে বিভিন্ন ধৰণে। ভাৰতবৰ্ষত শসস্ত্ৰ সংগ্ৰামৰ ধাৰা একেদিনাই উৎপত্তি হোৱা নাছিল। আজি ভাৰতবৰ্ষত যি অস্থিৰ ৰাজনীতি দেখা দিছে সি এদিনৰ সৃষ্টি নহয়। ই বহুদিনীয়া। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে সৰু সৰু ৰাজ্য আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহৰ আশা আকাংশা পূৰণ কৰাত ব্যৰ্থ হৈছে আৰু আমিও যদি তাত ব্যৰ্থ হওঁ তেতিয়াহলে সময়ত আমি জবাবদিহি হব লাগিব। আমি আজি উপলব্ধি কৰিছো ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসমূহ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য সমূহৰ জনসাধাৰণৰ আশা-আকাংশা সফল কৰাত সফলকামী হব পৰা নাই। অভিভাৱকত্ব সকলোৱে ভাল পায় যদিহে সি পিতৃসুলভ হয়। সামন্তবাদী অভিভাৱকত্ব কোনেও ভাল নাপায়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহে আজি এইটো উপলব্ধি কৰিব লৈছে। কেন্দ্ৰীয় চৰকাৰে এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহৰ পিতৃসুলভ অভিভাৱকত্ব লোৱা নাই, সামন্তবাদী অভিভাৱকত্ব লৈছে। সেই কাৰণে জাতিসত্বা সমূহৰ মাজত বিচ্ছিন্নতা-বাদৰ প্ৰৱণতাই গা কৰি উঠিছে। এই প্ৰৱণতা একেদিনাই আৰম্ভ হোৱা নাই। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পৰাই এই বিভাজন আৰম্ভ হৈছিল আৰু আজি এই পৰ্য্যায়ত উপনীত হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰত বৰ্ষত যেতিয়া শসস্ত্ৰ সংগ্ৰামৰ আৰম্ভ সেইয়া হৈছে। পাঞ্জাবৰ ৰাজনৈতিক অৱস্থাৰ কাৰণে। এই শসস্ত্ৰ সংগ্ৰাম ভাৰতবৰ্ষত একে লগে হৈ উঠা নাছিল। ই বিভিন্ন প্ৰান্তত গঢ় লৈ উঠিছিল। সৰ্ব্ব প্ৰথমতে পঞ্জাবতে এই সংগ্ৰামৰ পাতনি মেলে পঞ্জাবত আনন্দপুৰ চাহী প্ৰস্তাৱ লৈ। গনতান্ত্ৰীক দেশত কেন্দ্ৰীয় চৰকাৰে শাসন ভাৰ লোৱাৰ পিচত ভাৰত বৰ্ষত সাংবিধানীক পৰিবেশ ৰচনা হৈছিল। সন্মানিত উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ অখণ্ডতা ৰক্ষা কৰাটো

প্ৰতিথন ৰাজ্যৰে প্ৰত্যেক জন নাৰিগকে। কিন্তু এতিয়া ই জলন্ত সমস্যা হৈ পৰিছে। স্বাধীন ভাৰতবৰ্ষৰ আমি অখণ্ড ৰক্ষা কৰিব লাগে। কিন্তু এই অখণ্ড ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বাৰ আশা আকাংক্ষা পুৰণ কৰাৰ চিন্তা কৰিলেহে বা তাৰ ব্যৱস্থা কৰিলেহে সেই অখণ্ডতা ৰক্ষা কৰিব পৰা যায়। পাঞ্জাবৰ প্ৰস্তাবক লৈ সৰু সৰু ৰাজ্যতে জাতি সত্বাৰ জাগৰণ আহি পৰে প্ৰতিটো জাতি সত্বাৰ কাৰণে চিন্তা চৰ্চা কৰিব লগা হয়। ভাৰতবৰ্ষ যেতিয়া ইংৰাজৰ অধীনৰ পৰা স্বাধীন হল ভাৰতবৰ্ষ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য বিলাকে অখণ্ডিত ভাৰতবৰ্ষ হল. তেতিয়া প্ৰতিথন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰ আশা কৰিলে আত্ম নিয়ন্ত্ৰনৰ কথা। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰা প্ৰত্যেকে মৰ্য্যাদা সহকাৰে যথাযথ ভাৱে স্বাধীন ভাৰতবৰ্ষ গঠন কৰিলে। কিন্তু ভাৰতবৰ্ষৰ পৰা বিদেশী খেদাৰ পিচত সংগ্ৰামী সকলৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰা হল যদিও ভাৰতবৰ্ষ এখন স্বাধীন দেশ হল। সন্মানিত উপাধ্যক্ষ মহোদয়, নব ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী প্ৰয়াত জৱহৰলাল নেহেৰুৱে নতুন ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বাক লৈ এক যুক্ত ৰাষ্ট্ৰীয় শাসন ব্যৱস্থা গঠন কোৱাৰ কথা ভাবিছিল। কিন্তু জৱহৰলাল নেহেৰুৰ সেই আশা আৰু চিন্তা ধাৰা কংগ্ৰেছ দলৰ নেতৃ বৃন্দৰ বাধাৰ ফলত সংবিধানত ঠাই নাপালে। সৰু সৰু জাতি সত্বাৰ কথা চিন্তা কৰিয়ে জৱহৰলাল নেহেৰুৱে যুক্ত ৰাষ্ট্ৰীয় ব্যৱস্থাৰ কথা চিন্তা কৰিছিল কিয়নো এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বাৰ হাতত প্ৰয়োজনীয় ক্ষমতা থাকিলেহে ভাৰতবৰ্ষৰ উন্নতি হব। তেখেতে চিন্তা কৰিছিল যে কেন্দ্ৰৰ শাসন ব্যৱস্থা ভবিষ্যতে সৰু সৰু ৰাষ্ট্ৰ সৃষ্টি কৰিব। এই শাসন ব্যৱস্থা যদি যুক্ত ৰাষ্ট্ৰীয় শাসন ব্যৱস্থা হয় তেতিয়া এখন সৰ্ব্বাঙ্গ সুন্দৰ ভাৰতবৰ্ষ হব। সংবিধানত এটা প্ৰস্তাব আছে —

Quote "1. The Constituent Assembly declares its firm and solemn resolve to proclaim India as an independent sovereign republic and to draw up for her future governance a constitution.

2. Where in the territories that now comprise British India, the territories that now form the Indian states, and such other parts in India as are outside British India and the states as well as such other territories so are willing to be constituted into the Independent Sovereign India, shall be a union of them all; and

3. Where in the said territories, with their present boundaries or with such others as may be determined by the Constituent Assembly and thereafter according to the law of the constitution, shall possess and exercise all powers and retain the status of autonomous units, together with residuary powers and functions of Government and administration, save and except such powers and functions as are vested in or assigned to the union, or as are inherent or implied in the union or resulting therefrom ............" Unquote.

মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে এই প্ৰস্তাৱ সংশোধনী সভাত গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাবৰ পৰা আমি এইটো উপলব্ধি কৰিছো যে ভাৰতবৰ্ষ ও ইউনিয়ন হব আৰু ৰাজ্য সমূহত যথেষ্ট ক্ষমতা আৰোপ হব। এই চিন্তা ধাৰাৰ কথা উপলব্ধি কৰি কব পৰা যায় যে যোগাযোগ আৰু প্ৰতিৰক্ষাৰ বাহিৰে বাকী বিষয়াবোৰৰ ক্ষমতা ৰাজ্য চৰকাৰক দিয়া হব। ভাৰতবৰ্ষৰ সংবিধান সংশোধনী কৰাৰ পিচত প্ৰতিটো সংশোধনীতে কেন্দ্ৰীয় ভাবে শাসন ব্যৱস্থা ঘোষনা কৰা হৈছে। সংবিধান সভাত গ্ৰহন কৰা প্ৰস্তাৱ কাৰ্য্যকৰী নোহোৱাৰ কাৰণে বিচ্ছিন্নতাবাদে দেখা দিছে। এইবিলাক কাৰণতে পাকিস্থানে কাশ্মিৰত হস্তক্ষেপ কৰিব পাৰে। এনে কিছুমান চিন্তাধাৰা সংবিধান সংশোধনীত হওঁক। জৱহৰলাল

নেহেৰুৰ যুক্ত ৰাষ্ট্ৰীয় প্ৰস্তাৱৰ আধাৰতে পাঞ্জাবে আনন্দপুৰ চাহী প্ৰস্তাৱ উত্থাপন কৰিছিল। আনন্দপুৰ প্ৰস্তাৱ পাঞ্জাবৰ জনসাধাৰণে ডাঙি ধৰি তেওঁলোকৰ সমস্যা সমাধান কৰিব বিচাৰিছিল কিন্তু কেন্দ্ৰীয় চৰকাৰে তাক যথাযথভাৱে জনাব লাগিছিল। কিন্তু তাক কোনো ধৰণৰ আলোচনাৰ প্ৰচেষ্টা কৰা নহল।

সন্মানিত উপাধ্যক্ষ মহোদয়, অদূৰদশী চিন্তাধাৰাৰে ভাৰতবৰ্ষৰ জনসাধাৰণৰ তথা ভাৰতবৰ্ষৰ শাসনতন্ত্ৰ নিয়ন্ত্ৰণ কৰা সেই সমূহ চিন্তাধাৰাই আজি ভাৰতবৰ্ষৰ নব্বৈ কোটি জনসাধাৰণক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি পঠাইছে। আনন্দপুৰ চাহি প্ৰস্তাৱৰ বিপৰীতে পাঞ্জাৱৰ জনসাধাৰণে যি সংগ্ৰাম কৰিছিল তাৰ ওপৰত গুলি চলোৱা হৈছিল, অত্যাচাৰ কৰা হৈছিল। তাৰ পিচত বাধ্য হৈ পাঞ্জাৱৰ জনসাধাৰণে বাধ্য হৈ সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ আৰম্ভ কৰিছিল। এই কাৰণেই অসমৰ বুকুতো হোৱা বিভিন্ন সংগ্ৰামৰ পদ্ধতি গণতান্ত্ৰিক আছিল যদিও তেনে গণতান্ত্ৰিক সংগ্ৰামী শক্তিক দমন কৰিবলৈ কৰা প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে আজি অসমৰ উঠি অহা যুৱক যুৱতীয়ে গণতান্ত্ৰিক পদ্ধতিৰ সংগ্ৰামৰ প্ৰতি আস্থাহীন হৈ পৰিছে। তাৰ ফলতেই সশস্ত্ৰ সংগ্ৰামৰ পথত এচাম যুৱক যুৱতী আগবাঢ়ি আহিবলৈ বাধ্য হৈ পৰিছে। ইয়াৰ কাৰণে বাস্তৱসন্মত পদ্ধতি উদ্ভাৱন কৰিব পাৰিব লাগিব ভাৰতবৰ্ষৰ সমগ্ৰ অৱহেলিত নিষ্পেষিত সকলে নতুন পথৰ সন্ধান পাই আগবাঢ়িব পাৰিলেহে বিচ্ছিন্নতাবাদী চিন্তাধাৰাক বাধা দিব পাৰিব। এই ক্ষেত্ৰত আমি আমাৰ ঐতিহাসিক দায়িত্ব পালন কৰিব লাগিব। ভাৰতবৰ্ষৰ বুকুত থকা সকলো শ্ৰেণীৰ জনসাধাৰণৰ মৰ্মবেদনা উপলব্ধি কৰিব লাগিব। সকলো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বাৰ কাৰণে তেওঁলোকৰ চৰকাৰে সঠিক দিশত কাম কৰাতো সমীচীন হ'ব। বৰ্ত্তমান ভাৰতবৰ্ষত সংবিধানৰ নামত যিবিলাক ব্যৱস্থা চলি আছে সেইবিলাক কেন্দ্ৰীভূত হৈ থকাৰ বাবে ৰাজ্যসমূহক সংকুচিত কৰা হৈ আছিছে। সেয়েহে এই সংবিধানৰ

ওপৰতো তাৰ ব্যৱস্থাৱলীৰ সংক্ৰান্তত কিছু আলোচনা হোৱাৰ প্ৰয়োজন আছে। প্ৰথম কথা হ'ল ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগ এটা অসাংবিধানিক ব্যৱস্থা পৰিকল্পনা আয়োগ সংবিধানৰ সংন্নিবিষ্ট নহয়। একো ব্যৱস্থা নথকাকৈয়ে পৰিকল্পনা আয়োগ গঠন কৰা হ'ল। যি আয়োগে সমগ্ৰ দেশখনৰে ৰাজ্য চৰকাৰ সমূহক পৰিকল্পনাৰ ব্যৱস্থাৰে আবণ্টন কৰি সমূহ কাৰ্য্য কলাপ নিয়ন্ত্ৰণ কৰি আছে। এইটো এক ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। পৰিকল্পনা আয়োগৰ সভাপতিকে ধৰি চাৰিজন সদস্য ৰাষ্ট্ৰপতি মহোদয়ে নিয়োগ কৰিব আৰু ভাৰতবৰ্ষৰ পৰিকল্পনা নিয়ন্ত্ৰণ কৰিব। এইটো আচৰিত কথা। সমগ্ৰ ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ পৰিকল্পনা মাত্ৰ চাৰিজন সদস্যই নিয়ন্ত্ৰণ কৰাটো কেতিয়াও বিকেন্দ্ৰীয়ভূত চিন্তাধাৰা হব নোৱাৰে। ই অবৈজ্ঞানিক চিন্তাধাৰাহে মাথোন। এই প্ৰক্ৰিয়াৰ এই ব্যৱস্থাৰ বিৰোধীতা কৰিব লাগে আৰু এই পদ্ধতিৰ বিলুপ্তি সাধন হোৱা উচিত। প্ৰতিখন ৰাজ্যৰ পৰা সম পৰিমাণৰ আৰু সম পৰ্য্যায়ৰ সদস্যৰ দ্বাৰা পৰিকল্পনা আয়োগ গঠন কৰা হলেহে প্ৰতিখন ৰাজ্যলৈ সুষম আবণ্টন আৰু সমদৃষ্টি দিয়া সম্ভৱ হব। পৰিকল্পনা আয়োগৰ দ্বাৰা চলাই থকা নিয়ন্ত্ৰণ কেৱল কেন্দ্ৰীভূত শাসন ব্যৱস্থাৰ প্ৰতি ভুস্বৰূপ হৈ আছে। ৰাজ্যসমূহৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যসমূহক পৰমুখাপেক্ষী কৰাৰ যি প্ৰতিক্ৰিয়া তাৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ বুকুত জনসাধাৰণৰ বিদ্ৰূপ আৰু আস্থাহীনতা প্ৰকাশ পাবলৈ আৰম্ভ হৈছে। যদি পৰিকল্পনা থাকিবই লাগে তেনেহলে এইবিলাক কথা সংবিধানত সন্নিবিষ্ট হব লাগিব। সেই উদ্দেশ্য আগত ৰাখি সংবিধান সংশোধন বা পৰিবৰ্ত্তন হব লাগিব। এই বিশ্লেষণ আমাৰ চিন্তাধাৰাৰে ব্যক্ত কৰিছো। এক কেন্দ্ৰীক শাসন ব্যৱস্থা প্ৰবৰ্ত্তাই ৰখাৰ কাৰণে বিত্ত আয়োগৰ নিচিনা আয়োগ এটা ভাৰতবৰ্ষত আছে। এই বিত্ত আয়োগ ভাৰতবৰ্ষৰ বুকুত থকা কাৰণেই বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আৰু জাতিসত্বা সমূহৰ আশা-আকাংশা সমানভাবে প্ৰতিফলন কৰিবলৈ সফল

হব পৰা নাই।

বিত্ত আয়োগৰ ক্ষেত্ৰত এই কথাখিনি স্পষ্ট যে এই ক্ষেত্ৰত ৰাজ্যসমূহৰ সম অধিকাৰ থকা উচিত। সম্পদ আহৰণৰ ক্ষেত্ৰত প্ৰতিটো জাতি সত্তাৰে সম পৰ্য্যায়ৰ উচিত সুবিধা থকা প্ৰয়োজন। অসমৰ বুকুত থকা তেলৰ পৰা ৰাষ্ট্ৰই অথচ কেন্দ্ৰীয় চৰকাৰে বৃহৎ পৰিমাণৰ শুল্ক সংগ্ৰহ কৰে। অথচ ৰাজ্য চৰকাৰৰ এই সমূহ সম্পদৰ ওপৰত কোনো সংবিধানিক অধিকাৰ নাই। কেন্দ্ৰীয় চৰকাৰে এই সম্পদ সমূহৰ পৰা শুল্ক সংগ্ৰহ কৰি তাৰ নূন্যতম এটা অংশ মাথোন ৰাজ্য চৰকাৰক দিয়ে। অতি আচৰিত কথা যে কেন্দ্ৰীয় চৰকাৰে অসমৰ তেলৰ ওপৰত সংগ্ৰহ কৰা শুল্কৰ পৰিমাণৰ তুলনাত অসমলৈ প্ৰতি বছৰৰ কেন্দ্ৰীয় চৰকাৰে দিয়া ৰয়েলটি আৰু বাৰ্ষিক পৰিকল্পনাৰ অনুদান এক সামান্য অংশহে মাথোন। কেন্দ্ৰীয় চৰকাৰে কেৱল তেলৰ পৰাই যিটো পুঁজি সংগ্ৰহ কৰে তাৰ শুল্কৰ তুলনাত সামগ্ৰীক ভাৱে অসমৰ পৰিকল্পনা আৰু পৰিকল্পনা বহিভূত টকাৰ পৰিমাণ বহু পৰিমাণে কম। গতিকে বিত্ত আয়োগৰ নিচিনা ব্যৱস্থাৰ দ্বাৰা অসমৰ নিচিনা ৰাজ্য সমূহৰ পৰা সমান অধিকাৰ কাঢ়ি নিয়া হৈছে। ইয়াৰ ফলত ক্ৰমাণ্বয়ে উঠি অহা যুৱক-যুৱতীৰ মাজত অনিশ্চয়তা আৰু শংকাৰ পৰিবেশ গা কৰি উঠি আহিছে। সেই কাৰণেই নতুন প্ৰজন্মই এই ব্যৱস্থাৰ বিলুপ্তি বিচাৰিছে। ইয়াৰ প্ৰতিফল এই বিধান সভাৰ মজিয়াত ঘটিব বুলি আশা ৰাখিছো। ভাৰতবৰ্ষত পৰিকল্পনা আয়োগ বা বিত্ত আয়োগৰ নিচিনা যিবিলাক কেন্দ্ৰীয়ভূত শাসন ব্যৱস্থাৰ বাহক আছে সেইটো বিশ্লেষণ কৰি এই ব্যৱস্থাৰ বিলুপ্তিৰ কাৰণে যথাৰ্থ ব্যৱস্থা লব লাগে। মই ভাবো এই কেন্দ্ৰীভূত ব্যৱস্থা সমূহ পৰিবৰ্ত্তনৰ বাবে আজিৰ সদনত মাননীয় সদস্য সকলেও একমত প্ৰকাশ কৰিব আৰু তেনে পৰিবৰ্ত্তিত ব্যৱস্থা অদূৰ ভবিষ্যতে প্ৰৱৰ্ত্তিত হব বুলিও মোৰ গভীৰ বিশ্বাস আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্য সমূহৰ সম্পদসমূহৰ কৰ নিজে

সংগ্ৰহ কৰাৰ ব্যৱস্থা থাকিব লাগে ৰাজ্য সমূহৰ কেচা সামগ্ৰী সমূহ আৰু প্ৰাকৃতিক সম্পদ সমূহৰ ওপৰত ৰাজ্য চৰকাৰ সমূহৰ পূৰ্ণ বৰ্তিত দিব লাগে। ৰাজ্য সমূহে কেন্দ্ৰীয় চৰকাৰক যি ৰয়েল্টি দিব লাগে সেইটো দিব। যিহেতু ইউনিয়ন ৰাষ্ট্ৰ গতিকে সকলো ৰাজ্যসমূহে, প্ৰতিখনে নিজে নিজে নিজ ৰাজ্যৰ সম্পদৰ ওপৰত ৰয়েল্টি কেন্দ্ৰীয় চৰকাৰক দিব এইদৰে আচলতে নিয়মটো হব লাগিছিল। কিন্তু প্ৰতিয়া এই ব্যৱস্থাৰ বিপৰীত ব্যৱস্থাটোহে আমাৰ ইয়াত চলি আছে।

উপাধ্যক্ষ মহোদয়, প্ৰয়োজনীয় আভ্যন্তৰীন সম্পদ সমূহৰ পূৰ্ণ নিয়ন্ত্ৰণ হাতত ৰাজ্যসমূহৰ থাকিব লাগে। যাতে নিজৰ সম্পদ সমূহ নিজে উপযুক্তভাৱে ব্যৱস্থা কৰিব পাৰে। আৰু অধিক কৰ সংগ্ৰহৰ ব্যৱস্থাটোও কৰিব পাৰে তাৰ বাবে ৰাজ্য সমূহৰ নিজ ৰাজ্যৰ সম্পদ সমূহৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ থকাটো আৱশ্যক। সেয়ে এই ক্ষমতা সমূহ ৰাজ্য সমূহক দিব লাগে যাতে সকলো সম্পদৰ ওপৰত নিজৰ ক্ষমতা প্ৰয়োগ কৰি সকলো ক্ষেত্ৰতে নিজৰ নিয়ন্ত্ৰণ অক্ষুন্ন ৰাখিব পাৰে। মুকলি ভাৱে সকলো বজাৰত অংশ লব পাৰিব লাগিব আৰু বৈদেশিক বজাৰতো অংশ গ্ৰহন কৰিব পাৰিব লাগিব। এইদৰে ব্যৱস্থা হব লাগিব যি ব্যৱস্থাত নিজৰ সম্পদ সমূহ সুন্দৰভাৱে ক্ষমতা চিহ্নিত হব লাগিব যাতে নিজৰ সম্পদৰ ওপৰত ক্ষমতা অক্ষুন্ন ৰাখিব পাৰে। অৰ্থনৈতিক লেকামদাল ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহলৈ যাব। তেতিয়াহে উঠি অহা প্ৰজন্মই নিশ্চিত আশাৰ ৰেঙনি দেখা পাব। সেয়েহে আমি বৰ্ত্তমান ব্যৱস্থাৰ বিপৰীতে এনে নতুন ব্যৱস্থাৰ প্ৰতি আগ্ৰহী। ভাৰতবৰ্ষৰ যি সংবিধান সেই সংবিধানত কেন্দ্ৰীভূত ব্যৱস্থাৰ এক প্ৰশাসনিক ব্যৱস্থাৰ কথা কৈছে। যি ব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰই ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰশাসনক নিয়ন্ত্ৰণ কৰি প্ৰশাসন চলাই থাকিব বিচাৰিছে। প্ৰকৃততে হব লাগিছিল ইয়াৰ বিপৰীত। আজিৰ এই ব্যৱস্থাত কেন্দ্ৰই আই, এ, এচ বিষয়াৰ সেৱাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰি আছে। কিন্তু আমি প্ৰশাসনৰ সকলো পৰ্য্যায়তে নিয়ন্ত্ৰণৰ সম্পূৰ্ণ কতৃত্ব ৰাজ্য সমূহৰ ওপৰত ন্যস্ত হোৱাটো আমি বিচাৰিছো।

প্ৰশাসনৰ লেকামদাল সকলো পৰ্য্যায়তে নিজ নিজ ৰাজ্যসমূহৰ নিজৰ হাতত থকাটোৰ প্ৰতি আমি আগ্ৰহী। সংবিধানমতে আমাৰ তিনিখন তালিকা কৰি দিয়া আছে। কিন্তু তালিকা দুখন হব লাগে এখন যুক্ত ৰাজ্য তালিকা আৰু এখন ৰাজ্য তালিকা। এই ক্ষেত্ৰত বহু ৰাজ্যৰ নানান সংগঠনেও এই ক্ষেত্ৰত একমত হোৱা গৈছে। এই ক্ষেত্ৰত নানা বিশিষ্ট চিন্তাবিদ, ন্যায়াধীশ আদিয়েও এই ক্ষেত্ৰত একমত হোৱা দেখা গৈছে। দিল্লীৰ প্ৰাক্তন ন্যায়াধীশ ভি, কৃষ্ণ আয়াৰে ডাঙৰীয়াইও মুকলি ভাৱে এই ক্ষেত্ৰত মত প্ৰকাশ কৰিছিল, ৰাজ্য সমূহৰ সম্পদৰ বিষয়টো ৰাজ্যৰ হাতত ন্যস্ত কৰা উচিত। ইয়াত যুটীয়া তালিকা কৰাৰ অৰ্থ নাই। ভাৰতবৰ্ষত যি সমান্তৰালীয়া শাসনৰ বাট মুকলি কৰাৰ ব্যৱস্থা ৰাখিছে ইয়াক সোনকালেই বিলুপ্ত কৰাৰ ব্যৱস্থা কৰা উচিত, সেইটোহে আমি বিচাৰিছো। সেয়ে প্ৰয়োজন হলে সংবিধানৰ আমূল পৰিবৰ্তন কৰাটো বিচাৰো। সামগ্ৰীক ভাৱে ৰাজ্য সমূহৰ স্বকীয় নিয়ন্ত্ৰন ৰাজ্য সমূহৰ হাতত সন্নি-বিষ্ট কৰা উচিত। আমি আজি এই চলিত অধিবেশনৰ লগতে তিনিটা বিধান সভাৰ অধিৱেশন দেখিলো। আৰু এই বিধান সভাতে অসম নগালেণ্ড সীমান্তৰ সম্পৰ্কে আলোচনা হোৱাও দেখিছো। তাত অসমৰ মানে ৰাজ্য চৰকাৰৰ যি ভূমিকা সেয়াও দেখিছো। সীমা নিৰ্দ্ধাৰণৰ ক্ষমতা সম্পূৰ্ণ ভাৱে নিজৰ হাতত নথকা কাৰণে চৰকাৰৰ অসহায় অৱ-স্থাও আমি প্ৰত্যক্ষ কৰিছো। কাৰণ সীমা নিৰ্দ্ধাৰণৰ বিষয়টোত ৰাজ্য চৰকাৰক আতৰাই ৰখা হয়। সেয়ে আমি কেন্দ্ৰীয়ভূত শাসন ব্যৱস্থা বিলুপ্ত হোৱাটো আৰু ৰাজ্য চৰকাৰ সমূহৰ হাতত সম্পূৰ্ণ নিয়ন্ত্ৰন ন্যস্ত হোৱাটো বিচাৰো।

নব ভাৰতৰ স্ৰষ্টা হিচাবে আমি জৱাহৰলাল নেহেৰুক জানো, তেখেতে কৈছিল যে ভাৰতবৰ্ষৰ ইউনিয়ন বৰিস্থাত ৰাজ্য চৰকাৰ সমূহক অধিক ক্ষমতা প্ৰদান কৰিব লাগিব ইউনিয়ন হিচাপে জীয়াই ৰখাৰ স্বাৰ্থতে। আইন প্ৰনয়ণ কৰি হলেও ৰাজ্য চৰকাৰ সমূহৰ হাতত অধিক ক্ষমতা ন্যস্ত কৰিব লাগিব। বৰ্তমানেও ৰাজ্যসমূহৰ ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো

কেন্দ্ৰীয় চৰকাৰৰ ওপৰতে সকলো ন্যস্ত কৰা আছে। এই ব্যৱস্থাটো পৰিবৰ্ত্তন কৰাটো বিচাৰো। এইটো বিধানসভাৰ দুই তৃতীয়াংশ সদস্যৰ মত সাপেক্ষে এখন অধিস্ চনা জাৰি কৰি ব্যৱস্থাটো কৰি লো া উচিত। নহলে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহে নিজৰ নিজৰ ভাষিক অস্তিত্ব বিলুপ্ত হোৱাৰ শংকা কৰি অনিশ্চয়তাৰ লগতে সংশয় প্ৰকাশ কৰিছে। আমাৰ ধাৰণা এই শংকা আৰু শংসয় আদিয়েই কিছু লোক শসস্ত্ৰ সংগ্ৰামৰ ব'ৰে আগ্ৰহী কৰি তুলিছে।

উপাধ্যক্ষ মহোদয়, বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল সমূহ নিয়োগ কৰে কেন্দ্ৰীয় চৰকাৰে। এই ব্যৱস্থাটো পৰিবৰ্ত্তন হোৱাটো উচিত। ৰাজ্যপাল সকলক ৰাজ্য চৰকাৰ সমূহে নিজে নিয়োগ কৰাৰ ব্যৱস্থা হব লাগে। আৰু লগতে সংবিধানত ৰাজ্যপাল সকলৰ ক্ষমতাৰ সুনিৰ্দ্দিষ্ট সীমা অংকন কৰা উচিত।

উপাধ্যক্ষ মহোদয়, ৰাজ্যসভাখনে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তিত প্ৰতিনিধিত্ব কৰাৰ যি ব্যৱস্থা আছে ইয়াৰ সফল ভূমিকা নোহোৱাৰ কাৰণেই বিভিন্ন ৰাজ্য সমূহত চিন্তাধাৰা প্ৰতিফলিত হৈ উঠিব পৰা নাই। বিভিন্ন ৰাজ্যৰ সম অধিকাৰৰ কথা চিন্তা কৰি যদি প্ৰান্তীয় ৰাজ্য সমূহৰ প্ৰতিনিধিত্ব ৰাজ্য সভাত নঘটে তেতিয়াহলে প্ৰান্তীয় ৰাজ্য সমূহ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বাসমূহ অবহেলিত হৈ থাকিব। সেই কাৰণে সমপৰিমাণৰ প্ৰতিনিধিত্ব আৰু সম অধিকাৰ থকাটো নিতান্তই উচিত।

মাননীয় উপাধ্যক্ষ মহোদয়, সংবিধানৰ ৩৫২ বা ৩৫৫ ধাৰাত যি ব্যৱস্থা ন্যস্ত কৰা আছে সেই ব্যৱস্থা ৰোধ বা বিলুপ্ত কৰিব লাগে। বহিঃদেশীয় ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ ৰাজ্য চৰকাৰৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যি ব্যৱস্থাৰে শাসন কাৰ্য্য চলাই আছে সেয়া দাসত্বৰ বাহিৰে আন একো নহয়। ১৯৭৫ চনত অসমত জৰুৰী অৱস্থা প্ৰৱৰ্ত্তনৰ সময়ত আমি দেখিবলৈ পাইছো ভাৰতবৰ্ষ বহিঃদেশ হিচাবে প্ৰযোজ্য হোৱাত আজি সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো।

সন্মানীয় উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰ আৰু ৰাজ্যত আইনৰ দ্বাৰা প্ৰবৰ্ত্তন হোৱা নাগৰিকত্বই অখণ্ড ভাৰতবৰ্ষক সহায় কৰিব। ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাক একগোট কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ভোটাৰ তালিকা যিটো সেইটো কেন্দ্ৰীয় নিৰ্ব্বাচনী ইস্তাহাৰৰ পৰা ৰাজ্য চৰকাৰৰ হাতলৈ অনা উচিত। ৰাজ্য বিলাকলৈ হস্তান্তৰিত হোৱা উচিত। যাৰ ফলত ৰাজ্যৰ নিৰ্ব্বাচনীৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ ৰাজ্য চৰকাৰৰ হাতত ৰাখিব পৰা ব্যৱস্থাটো ঘোষণা কৰিলে ভাল হয়। য'ত যথেষ্ট ত্যাগ আৰু চলেৰে স্বাধীন ভাৰতবৰ্ষৰ ইতিহাস ৰচনা কৰিছিল। স্বাধীনতা সংগ্ৰামত আগুৱাই লৈ গৈছিল ভাৰতবৰ্ষক একত্ৰিত কৰি। কিন্তু ভাৰতবৰ্ষত বৃটিছ শাসনৰ কালছোৱাত বৃটিছে বিচ্ছিন্নতাবাদ আনি এটা গুৰুত্বপূৰ্ণ অধ্যায় কৰিলে। ভাৰত স্বাধীন হোৱাৰ পিছত ৰাজ্য সমূহে সকলো জাত-প্ৰাত, মান মৰ্য্যাদা জীয়াই ৰখাৰ সুবিধা পাব। স্বাধীন ৰাজ্যত যিখন সংবিধান গ্ৰহণ কৰা হ'ল। যিয়ে ইতিহাস ৰচনা কৰিলে সেই ইতিহাসৰ মৰ্মবেদনা প্ৰতিফলিত কৰাত ব্যৰ্থ হব। সকলো জাতি সত্তাই একপ্ৰকাৰ আগুৱাই গৈ আছে। আজি আমি ভাৰতবৰ্ষৰ এই অনিলিপ্ত কাম হোৱাটো বিচাৰিছো আৰু অতি আন্তৰিকতাৰে সন্মানিত সদস্য সকলক আকৰ্ষণ কৰিছো। আমি সকলো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাত সকলো অধিকাৰ দিয়া হয় আৰু সম্পূৰ্ণ মৰ্য্যাদা দিয়া হয় তেতিয়া প্ৰতিজন ব্যক্তিয়ে নিজৰ ভৰিত থিয় দিয়াৰ সুবিধা পাব। ই এক অতি চিৰন্তন কথা। এতিয়া আমি কিছুমান বিষয় প্ৰাধান্য দি চিন্তা চৰ্চ্চা কৰি যাব লাগিব। ভাৰতবৰ্ষত দেখা গৈছে কেইখনমান ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ মৰম জড়িত হৈ আছে। সকলো ৰাজ্যতে কেন্দ্ৰীয় চৰকাৰৰ মৰম নাস্ত হোৱাটো আমি বিচাৰো। কেইখনমান ৰাজ্যৰ বাহিৰে প্ৰায়বোৰ ৰাজ্যত সেই সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা গৈছে। বৈষম্যমূলক আচৰণো হোৱা দেখা গৈছে। সামাজিক চিৰাচৰিত সত্য মানি লব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰ কিমানজন লোকে জাতি সত্বাৰ উন্নতিৰ বাবে জয় গান গাব নাজানে । প্ৰতিখন সৰু ৰাজ্যই নিজৰ নিজৰ সত্বা ৰক্ষা কৰি নিজৰ নিজৰ নিয়ন্ত্ৰণ ৰক্ষা কৰি জীয়াই থাকিবলৈ সক্ষম হব পাৰিব । আৰু এই ভাৰতবৰ্ষৰ সেৱা কৰিবৰ বাবে দায়িত্ব পালন কৰিব লাগিব । প্ৰতিজন অসম বিধান সভা সদস্যই জাতি তথা ৰাজনৈতিক সংগ্ৰামত ব্ৰতী হৈ এদিনলৈ হলেও লৈ যাব সেই দিল্লীৰ লালকিল্লালৈ । যত ভাৰতবৰ্ষ পুনৰ বিন্যাস হব । সন্মিলিত চৰকাৰ আছে কাৰণে নিজৰ নিজৰ সত্বা পুনৰ ঘুৰাই পাব । স্বাধীনতাৰ পিছৰে পৰা এই শাসন ব্যৱস্থা যুক্ত ৰাষ্ট্ৰৰ আহিত হোৱা উচিত । চলিত চৰকাৰ আৰু বিভিন্ন আঞ্চলিক দল সমূহে ভাৰতবৰ্ষৰ ইতিহাসত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য সমূহৰ প্ৰতি প্ৰথমে দৃষ্টি নিক্ষেপ কৰিছিল । প্ৰাক্তন প্ৰধান মন্ত্ৰী ভি, পি, সিংৰ নেতৃত্বত ভাৰতবৰ্ষত এখন কুৱালিচন চৰকাৰ হৈছিল তেতিয়া আমাৰ অসমত এ, জি, পি চৰকাৰ হৈছিল আৰু এতিয়া কেন্দ্ৰত এই চৰকাৰখন হোৱাৰ কাৰণে তেনেকুৱা এখন কুৱালিচন চৰকাৰ হৈছে । অসমত এতিয়া যিটো অনুশীলন হৈছে সেই অনুশীলনৰ মৰ্য্যদা যুক্ত ৰাষ্ট্ৰৰ ব্যৱস্থাৰ দৰে হৈ পৰিছে ।

মাননীয় উপাধ্যক্ষ মহোদয়, ঠিক একে ধৰণে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰে অসম উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰতি একে দৃষ্টি ভঙ্গী নোহোৱাটো দেখিবলৈ পাইছো । ৰাষ্ট্ৰ পৰ্য্যায়ত কেন্দ্ৰীভূত শাসন ব্যৱস্থা থকা, বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য সমূহক লৈ সক্ষম নহলেও যুক্ত ৰাষ্ট্ৰীয় পদ্ধতি প্ৰস্তুত হৈছিল । কিন্তু অসমত ক্ষুদ্ৰ ৰাজ্য সমূহে সক্ষম হব পাৰে বুলি আমি দেখিবলৈ পাইছো ।

উপাধ্যক্ষ মহোদয়, সংবিধান প্ৰণয়ন কৰোতা সকলে সংবিধান ৰচনা কৰাৰ পিছত আজি ৫০ বছৰৰ পিছত ভাৰতবৰ্ষ কেনে চিন্তা ধাৰাৰে আগুৱাই যাব পাৰিব তাৰ বাবে এটা সমস্যাৰ সৃষ্টি হৈছে । আমাৰ দায়িত্ব আছে, ৰাইজৰ আশা-আকাংশা পূৰণ কৰিবলৈ চেষ্টা

কৰিছো, ৰাইজক দিয়া প্ৰতিশ্ৰুতি বাস্তৱত ৰূপ দিবৰ কাৰণে আমি দায়িবদ্ধ। অসমৰ জনসাধাৰণ তথা ভাৰতবৰ্ষৰ জনসাধাৰণক কেন্দ্ৰীভূত শাসন ব্যৱস্থাই শোষন কৰি আছে। যিহেতু ৰাইজক প্ৰতিশ্ৰুতি দিয়া আছে, তেওঁলোকৰ মনৰ বেদনা আছে, এই কাৰণে বাস্তৱ সন্মত ভাৱে তেওঁলোকৰ বেদনা উপলব্ধি কৰিব লাগিব। এই পদ্ধতিৰে স্বাধীন ভাৰতবৰ্ষ আগুৱাই যাব যাতে এখন নতুন ভাৰতবৰ্ষ সৃষ্টি কৰাত সক্ষম হব। তেতিয়াহে আমি বাস্তৱ সন্মত ভাৱে জীয়াই থকাৰ সুবিধা পাম।

উপাধ্যক্ষ মহোদয়, সংবিধান প্ৰনেতা আম্বেদকাৰে বিচাৰিছিল, তেখেতৰ চিন্তা ধাৰা ব্যক্ত কৰিছিল, তেখেতে কৈছিল— সংবিধান প্ৰণয়ন কৰা সকলক আমি সন্মান জনাও, কিন্তু বৰ্ত্তমান এই ব্যৱস্থা পৰিবৰ্ত্তনৰ বাবে আমি চিন্তা চৰ্চা কৰিছো। এইটো প্ৰতিজন সদস্যই সমৰ্থন কৰা উচিত। অম্বেদকাৰ বা জাতিৰ জনক মহাত্মা গান্ধীৰ নাম কৈ ভাৰতবৰ্ষত ৰাজনীতি চলাই থকা বহুত ৰাজনৈতিক দল আছে। গতিকে জাতিৰ জনক মহাত্মা গান্ধী, আম্বেদকাৰ, জৱহৰলাল নেহেৰুৱে নিজৰ যি চিন্তা ধাৰা আছিল তেনেকৈ আগুৱাই আহক। আঞ্চলিকতাবাদ বিচ্ছিন্নতাবাদ আদি নহয়; আমি অখণ্ড ভাৰতবৰ্ষ বিচাৰিছো। ই সম্ভৱ হব, এইটো মোৰ বিশ্বাস আছে। আঞ্চলিকতাবাদৰ বীজ ৰোপন কৰি এক অখণ্ড ভাৰতবৰ্ষ হিচাবে জীয়াই ৰখাটো সম্ভৱ হব যদিহে আমি সংবিধানৰ স্থায়ী দিশ সমূহ, অসন্তুষ্ট হব পৰা দিশ সমূহৰ পৰিবৰ্ত্তন ঘটাব পাৰো।

উপাধ্যক্ষ মহোদয়, যিদিনা সমগ্ৰ ভাৰতবৰ্ষৰ জনসাধাৰণে পাৰস্পৰিক বুজাবুজিৰে যুক্তৰাজ্যক মুকলিকৈ কব - এই মুক্ত অৱস্থাত শাসন ব্যৱস্থা চলি থাকে, এক নতুন ব্যৱস্থা হয়। এইটো হলে আমি নিজে নিজক চিনি পোৱাৰ এক সুবিধা হব। সেয়ে সকলোৰে সমৰ্থন জনালে প্ৰস্তাৱটো গৃহীত হব। মই আশা ৰাখিছো সকলোবোৰ জাতি সত্বাই মিলি এক নতুন দিনলৈ বাট চাম, সেই দিন সমাগত। এইখিনিতে মোৰ বক্তব্য।

মাননীয় উপাধ্যক্ষ : এতিয়া ২৫ মিনিট সময় আছে, মই মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ জাতীয় জীৱনত এটা ভয়ানক আৰু উদ্বেগজনক সময়ত এই সদনৰ মজিয়াত এটা প্ৰস্তাৱ উত্থাপন কৰিছে। বৰ্ত্তমান সংবিধানে ভাৰতবৰ্ষৰ জাতিসত্বা সমূহৰ আশা-আকাংশা পূৰণ কৰাত ব্যৰ্থ হোৱা বুলি বিভিন্ন মহলত দেখা গৈছে। বৰ্ত্তমান ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰত ৰাজনৈতিক ভাবে বাধা দিবৰ কাৰণে যুক্ত ৰাষ্ট্ৰীয় ব্যৱস্থাৰ দাবী উৎথাপন কৰি অসম বিধান সভাত সৰ্ব্বসন্মত প্ৰস্তাৱ লবৰ কাৰণে এই প্ৰস্তাৱ ইয়াত উৎথাপন কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱ ইয়াত উৎথাপন কৰিবলগীয়া হোৱা হেতু যি অৱস্থা ইয়াত আলোচনা কৰাৰ আগতে আমি উভতি চাব লাগিব। আমাৰ অতীতত ভাৰতবৰ্ষ স্বাধীনতা লাভ কৰাৰ সময়ত এখন সংবিধান প্ৰণয়ন কৰা হৈছিল। কিন্তু পৰিস্থিতিৰ সৃষ্টি কৰিছে যে সেই সময়ত অশুভ পন্থীয়ে এচাম মানুহৰ স্বাৰ্থৰ ভাৰতবৰ্ষত এৰি গৈছে ৰুটছক কায়েম কৰাৰ কাৰণে। সেই সময়ত বাক্-বিতণ্ডা হৈছিল, ভবিষ্যত পৰামৰ্শ দিছিল যদিও সেই সময়ত গ্ৰহণ কৰা নহ'ল। মই তেনেকুৱা বিষয় উত্থাপন কৰিবৰ কাৰণে বিচাৰিছো। যিখন সংবিধান প্ৰণয়ন কৰা হ'ল সেইখন সংবিধানত কেন্দ্ৰীয় চৰকাৰক সমস্ত ক্ষমতা অৰ্পণ কৰা হ'ল। এই বিষয়ে ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীজগদীশ ভূঞাই কৈ গৈছে। আমাৰ ইউনিয়ন গভৰ্নমেণ্ট, চেণ্ট্ৰল গভৰ্নমেণ্টে বিভিন্ন ৰাজ্যক গোট খুৱাই ভাৰতবৰ্ষ হৈছে। সেই কাৰণে প্ৰদেশ বিলাকত ক্ষমতা থাকিব লগা হৈছে।

যোৱা সময়ছোৱাত প্ৰাদেশিক যিবিলাক চৰকাৰ, ৰাজ্যিক যিবিলাক চৰকাৰ, এই চৰকাৰ বিলাক জনসাধাৰণে নিৰ্ব্বাচিত কৰাৰ পিচত ৰাজনৈতিক স্বাৰ্থত সেইবিলাক ভঙা পতা কৰা হৈছে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত নতুন ভাৰতত নতুন সংবিধান

বলৱৎ কৰাৰ পৰাই আৰম্ভ হৈছিল ৰাজ্য সমূহৰ ওপৰত কেন্দ্ৰৰ চদাৰী। নিৰ্ব্বাচিত ৰাজ্য চৰকাৰক ক্ষমতাচ্যুত কৰি জাপি দিয়া হৈছিল ৰাষ্ট্ৰপতিৰ শাসন। ১৯৫১ চনৰ ২০ জুনৰ পৰা ১৯৫২ চনৰ ১৭ এপ্ৰিললৈ পুব পঞ্জাৱত, ১৯৫৩ চনৰ ৫ মাৰ্চৰ পৰা ১৯৫৪ চনৰ ৭ মাৰ্চলৈ পেপচুত, ১৯৫৪ চনৰ ১৫ নৱেম্বৰৰ পৰা ১৯৫৫ চনৰ ২৮ মাৰ্চলৈ অন্ধ্ৰপ্ৰদেশত, ১৯৫৬ চনৰ ২৩ মাৰ্চৰ পৰা ১৯৫৭ চনৰ ৫ এপ্ৰিললৈ ট্ৰাবাংকুৰ-কোচিনত ১৯৫৯ চনৰ ৩১ জুনৰ পৰা ১৯৬০ চনৰ ২২ ফেব্ৰুৱাৰীলৈ কেৰেলাত, ১৯৬১ চনৰ ২ ফেব্ৰুৱাৰীৰ পৰা ১৯৬১ চনৰ ২৩ জুনলৈ উৰিষ্যাত, ১৯৬৪ চনৰ ১০ চেপ্তেম্বৰৰ পৰা ১৯৬৫ চনৰ ২৪ মাৰ্চলৈ (দ্বিতীয়বাৰৰ বাৰে) কেৰেলাত, ১৯৬৫ চনৰ ২৫ মাৰ্চৰ পৰা ১৯৬৭ চনৰ ৬ মাৰ্চলৈ (তৃতীয়বাৰৰ বাৰে) ২৯ জুনৰ পৰা ১৯৬৯ চনৰ ২৬ ফেব্ৰুৱাৰীলৈ বিহাৰত, ১৯৬৮ চনৰ ২৩ আগষ্টৰ পৰা ১৯৬৯ চনৰ ১৭ মাৰ্চলৈ পণ্ডিচেৰীত আৰু ১৯৬৯ চনৰ ২৪ জুলাইৰ পৰা পুনৰ বিহাৰত।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ যিটো অৱস্থাৰ পৰিণত হৈছে প্ৰান্তে প্ৰান্তে এক বিচ্ছিন্নতাবাদী চিন্তা। আমাৰ ৰাজ্যখনতো এচাম যুবকে শসস্ত্ৰ সংগ্ৰামৰ যোগেদি সংযুক্ত মুক্তি বাহিনীয়ে স্বাধীন অসম বিচাৰিছে। এই স্বাধীনতা বিচৰা যি সংগ্ৰাম, যি ৰাজনৈতিক ধাৰা সেইটো নতুন নহয়। এনে প্ৰবণতা, এনে চিন্তা কিয় উদ্ভৱ হৈছে। ১৯৬৮ চনত 'লাচিত সেনা' সংগঠন হৈছিল। তেওঁলোকে ওৱালে ওৱালে ওৱালিং কৰিছিল আৰু কৈছিল 'আসাম ফৰ আসামিচ'। আজি দেখা গৈছে সৰু সৰু প্ৰান্তত সভ্যতা সাংস্কৃতিক বিকাশৰ কাৰণে দুটা ধাৰা আছে। এটা গণতান্ত্ৰিক আৰু আনটো শসস্ত্ৰ সংগ্ৰাম। আজি কেৱল অসমতেই নহয় ভাৰতৰ প্ৰান্তে প্ৰান্তে এই ভাবধাৰাৰ চিন্তা উদ্ভৱ হৈছে। ভাৰতবৰ্ষৰ সকলো স্তৰতে নিজ নিজ জাতি জন-গোষ্ঠী সভ্যতা সংস্কৃতিক বিকাশৰ কাৰণে এটা সংগ্ৰামী ধাৰা তৈয়াৰ কৰা হৈছে। সেই কাৰণে ইতিহাসৰ দিশ আছে। ইতিহাসৰ সঠিক মীমাংসা বিচাৰিব লাগিব। কোনোবাই গণতান্ত্ৰিক মাধ্যমেৰে আৰু কোনোবাই সংগ্ৰামৰ যোগেদি।

ইয়াৰ এটা উপায় কৰক। আজি শসস্ত্ৰ মুক্তি বাহিনীক ৰাজনৈতিকভাৱে মীমাংসা কৰিব কাৰণে কোৱা হৈছে। তেওঁলোকক আলোচনালৈ মাতিছে। আলোচনালৈ আহিলে তেওঁলোকৰ ভিত্তি কি হব? আলোচনাত বহিলে আলোচনা কি কৰিব। এই সমস্যাটো সমাধান কৰাৰ কাৰণে ৰাজনৈতিকভাৱে মীমাংসা কৰিব কাৰণে প্ৰস্তাৱ উৎথাপন কৰা হৈছে। মই ভাবো এইটো তেওঁলোকৰ সঠিকভাৱে গণতান্ত্ৰিক বিশ্বাসেৰে আমি ইয়াৰ পথ উলিয়াব পাৰিম। হিংসাই হিংসা সৃষ্টি কৰে। আমি কৈছো তেওঁলোকৰ যিবিলাক মৌলিক প্ৰশ্ন আছে সেইবিলাক ৰাজনৈতিকভাৱে আলোচনা হোৱা প্ৰয়োজন। আলোচনা পথ সম্ভৱ হলে মীমাংসা পথ উলিয়াব পৰা যাব। আমাৰ আজি প্ৰস্তাৱকে যিটো প্ৰস্তাৱ উৎথাপন কৰিছে সেইটো সদনৰ বাহিৰে ভিতৰে ব্যাপকভাৱে আলোচনা হোৱা প্ৰয়োজন। ভাৰতবৰ্ষৰ সংবিধানৰ যি ব্যৱস্থা এই বিধি ব্যৱস্থাৰ মাজেদি ভাৰতবৰ্ষৰ সকলো অঞ্চলৰ প্ৰান্তে প্ৰান্তে থকা ভাষিক জাতি জনগোষ্ঠীৰ সভ্যতা সংস্কৃতি অৰ্থনৈতিক বিকাশ সম্ভৱ নহয়। বৰঞ্চ এচাম পুঁজিবাদী স্বাৰ্থন্বেষী লোকে ন্যস্ত স্বাৰ্থৰ কাৰণে এই সংবিধানক প্ৰবৰ্ণতা কৰা হৈছে। মই ইয়াৰ পিচত কেইটামান বক্তব্য কম।

উপাধ্যক্ষ মহোদয়, সংবিধান প্ৰণয়ন সভাত অমিয় কুমাৰ দাসে এটা গুৰুত্বপূৰ্ণ কথা কৈছিল। ১৯৪৭ চনৰ ২৫ জানুৱাৰীত সংবিধান সভাই স্বাধীন ভাৰতৰ কেন্দ্ৰ আৰু প্ৰদেশৰ ক্ষমতা সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবলৈ এখন কমিটি গঠন কৰিছিল। পণ্ডিত জৱহৰলাল নেহেৰুৰ সভাপতিত্বত গঠিত সেই কমিটিৰ আন আন সদস্যসকল আছিল গোবিন্দ বল্লভ পান্থ, বি, এল মিট্ৰাস আদি।

২১/৮/৪৭ তাৰিখৰ সংবিধান সভাত বিতৰ্কত ভাগ লৈ অমিয় কুমাৰ দাসে কৈছিল যে যুক্তৰাষ্ট্ৰীয় সংবিধানত ক্ষমতা ভাগ বটোৱাৰা কৰাটো অতি জটিল কাম। অৱশিষ্ট ক্ষমতা সম্পৰ্কে ইয়াৰ পূৰ্বেও বহু বছৰ ধৰি বিতৰ্ক হৈছিল এতিয়াও কোনোৱেই অৱশিষ্ট ক্ষমতা কেন্দ্ৰৰ হাতত থাকিব লাগে বুলি দাবী কৰিছে আৰু আন কোনোৱে প্ৰদেশৰ হাতত

থকাৰ সপক্ষে যুক্তি দৰ্শাইছে। কিন্তু কিমান অৱশিষ্ট ক্ষমতা কেন্দ্ৰৰ হাতত থাকিব লাগে তাৰ যুক্তি মই শুনি বিচাৰি পোৱা নাই। তেওঁ আক্ষেপ কৰি কৈছিল বিত্তীয় ক্ষেত্ৰত পূৰ্বৰ চৰকাৰৰ প্ৰশাসনীক ব্যৱস্থাকেই অনুকৰণ কৰি প্ৰদেশ সমূহ দুৰ্বল কৰি কেন্দ্ৰক শক্তিশালী কৰাৰ পক্ষ-পাতিতা কৰা হৈছে। পৰিবৰ্তিত পৰিস্থিতিত কেন্দ্ৰ শক্তিশালী কৰাটো দৰকাৰ। কিন্তু প্ৰদেশ সমূহক দুৰ্বল কৰাটো উচিত নহয়। যিহেতু কংগ্ৰেছৰ কৰ্মসূচী ৰূপায়ণৰ দায়িত্ব প্ৰদেশবোৰেই বহন কৰিব লাগিব। কিন্তু এতিয়া বিত্তীয় ক্ষমতা ভাগ বটোৱাৰা কৰি কেন্দ্ৰ শক্তিশালী কৰি প্ৰদেশ সমূহক উন্নয়নমূলক কৰ্মসূচী ৰূপায়ণত সংকটলৈ ঠেলি দিব বিচৰা কাৰ্য্যই পূৰ্বৰ চৰকাৰৰ দৃষ্টি ভংগী আৰু নীতিৰ সলনি হোৱা বুলি আমাক পতিয়ন নিয়াব পৰা নাই।

কেন্দ্ৰই অসমক কৰি অহা অন্যায় আৰু শোষণৰ দৃষ্টান্ত দাঙি ধৰি অমিয় কুমাৰ দাসে কৈছিল — মোৰ প্ৰদেশ অসমে কেন্দ্ৰীয় পুঁজিলৈ বিশেষ ধৰণে যোগাই আহিছে। অকল চাহ আৰু পেট্ৰলৰ পৰা কেন্দ্ৰই ৰাজহ হিচাপে বছৰি প্ৰায় ৮ কোটি টকা পাই আহিছে। তাৰ পৰিবৰ্তে অসমে পাই মাত্ৰ ৩০ লাখ টকাহে।

আজি ৫০ বছৰৰ পিচতো আমি অমিয় কুমাৰ দাসে সেই ঐতি-হাসিক মন্তব্য দিয়া কথাখিনি কৰলগীয়া হৈছে। আমি সদনত থাকি অনুভব কৰিছো যে বৃটিছ যোৱাৰ পিচতো সেই পৰিস্থিতিৰ সলনি হোৱা নাই। আজিও সেই পৰিস্থিতি একেদৰেই আছে। যোৱা কালি মই মোৰ এটা প্ৰশ্নৰ উত্তৰত যিখিনি হিচাব পাইছো সেই হিচাবমতে চাহ কৰৰ পৰা ১৫ কোটি ৬২ লাখ টকা, ক্ৰুড অইলৰ পৰা বিক্ৰী আৰু ৰয়েলটি মিলাই ৩৬০ কোটি টকা, কয়লাৰ ৰয়েলিটি মিলাই ২৪ কোটি টকা, কৃষি কৰৰ পৰা ৪৬ কোটি ৯৬ লাখ টকা আৰু ভূমি ৰাজহ ২৯ কোটি ১৭ লাখ মুঠ ৪৪১ কোটি ১৭ লাখ টকা পাইছো। কিন্তু আজি কেইদিনমান আগতে ছেন্টিনেল কাকতত প্ৰকাশ পাইছে যে অকল চাহ বাগান সমূহৰ পৰাই ১৫ হাজাৰ কোটি টকা লৈ যোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ সম্পদৰ জৰিয়তে ধন

আহৰণ কৰি কেন্দ্ৰীয় চৰকাৰৰ পুঁজি টনকিয়াল কৰিছে। কিন্তু তাৰ বিনিময়ত আমাৰ ৰাজ্যখনে কি পাইছে ? আমাৰ ৰাজ্যখন অৰ্থনৈতিক দিশত আগবঢ়াবলৈ ১৯৯০ চনলৈকে ৩০ শতাংশ অনুদান আৰু ৭০ শতাংশ লোণ হিচাবে পৰিকল্পনাৰ ধন লবলৈ বাধ্য কৰিছিল। নেচনেল চেম্পুল চাৰ্ভেৰ ৰিপোৰ্ট অনুসৰি অসমত সাতশৰো অধিক চাহ বাগিচা আছে। কিন্তু অসম গণ পৰিষদৰ চৰকাৰ গঠন হোৱাৰ আগলৈকে মাত্ৰ ৩০ শতাংশহে অনুদান আৰু ৭০ শতাংশ লোণ হিচাবে পৰিকল্পনাৰ ধন দিয়া হৈছিল। কিন্তু অসম গণ পৰিষদ দলৰ চৰকাৰ গঠন হোৱাৰ পিচতেই আমি পৰিকল্পনাৰ ধন বিতৰণৰ সেই আসোঁৱাহ বিলাক দেখুৱাই দিয়াৰ পিচত ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ লোণ হিচাবে পৰিকল্পনাৰ ধন দিয়া হ'ল। অসমৰ জনসাধাৰণক যি অন্যায় কৰা হৈছিল, যি বঞ্চনা কৰা হৈছিল আৰু তাৰ ফল স্বৰূপেই আজি এই ঐতিহাসিক বিদ্ৰোহৰ সৃষ্টি হৈছে। আজি যি পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটোৰ বাবে কোনোবাই হাতত বন্দুক তুলি লৈছে আৰু আমি গণতান্ত্ৰিক পদ্ধতিৰে সেই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে আগবাঢ়িছো। ৰাজনৈতিক দৃষ্টিৰে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা পৰিচালনা কৰা হৈছিল। এই পৰিচালনাত যিবিলাক খুট আছিল সেই খুটবিলাক ডাঙি ধৰাৰ কাৰণে নাইকীয়া কৰাৰ কাৰণে চেষ্টা চলাইছো। ভাৰতবৰ্ষৰ সংবিধান কাৰ স্বাৰ্থত ৰচনা কৰা হৈছিল। নিশ্চয় মেহনতি আৰু দুখীয়া নিচলা মানুহৰ স্বাৰ্থত ৰচনা কৰা হোৱা নাই। আমাৰ ৰাজ্যখনক কোনেধৰণে বঞ্চনা কৰা হৈছে তাৰ এটা ঐতিহাসিক দিশ আছে। আমাৰ ৰাজ্যত থকা তেল, কয়লা, চাহপাত আদি সম্পদ নহয়। সম্পদ হৈছে পানী। আমেৰিকা যুক্তৰাষ্ট্ৰই খেতিৰ কাৰণে শ শ মাইল দূৰৰ পৰা পানী আনিবলগীয়া হৈছে। কিন্তু আমাৰ ৰাজ্যত যিখিনি পানীৰ ব্যৱস্থা আছে তাৰ যথোপযুক্ত ব্যৱহাৰ কৰিব পৰা নাই। মাত্ৰ দুটামান হাইড্ৰ ইলেকট্ৰিকেল প্ৰজেক্ট হৈছে। ৰঙাপাৰাত ৪০০ আৰু অন্য এঠাইত ৬০০ মুঠ ১০০০ মেগাৱাত বিদ্যুৎ উৎপাদন কৰা হব। কিন্তু সেই বিদ্যুৎ উত্তৰ

পূৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহে গোটেইখিনি নাপায়। তাৰে বেছি ভাগ এন, টি. ডি. চিয়ে লৈ যাব। ৰাজ্য চৰকাৰৰ পুজিৰ অভাৱৰ কাৰণে ডেনে-কুৱা প্ৰজেক্ট কৰাতো সম্ভৱো নহয়। গতিকে কিছুমান ক্ষেত্ৰত চৰম দুৰ্নীতি হৈছে। কিছুমান ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰৰো দোষ আছে। গেলাবিলত ২২০ কে. ভি বিদ্যুৎ উৎপাদন কৰিব পাৰিলেহেঁতেন। মাটিখিনি কিনাৰ পিচত তাত পানী সোমোৱাৰ কাৰণে ২৫ লাখ টকাৰ ডেভেলপমেণ্টৰ কাম কৰিছে আৰু দলং বনোৱাৰ কাৰণে প্ৰায় ১ কোটিমান টকা লাগিব। কিন্তু ইয়াৰ যিটো মূল্য সেইটো আছিল মাত্ৰ ২ লাখ ৫০ হাজাৰ টকা। গতিকে কেন্দ্ৰীয় চৰকাৰেই হওক বা ৰাজ্য চৰকাৰেই হওক এই বিলাক ক্ষেত্ৰত দৃষ্টি দিয়া নাই। ২ লাখ ৫০ হাজাৰ টকাৰ কাম কৰোতে এতিয়া ৩ কোটিমান টকা লাগিব। একোটা ট্ৰেনচ ফৰমাৰ বছৰ বছৰ ধৰি বেয়া হৈ পৰি আছে। আমি এষ্টিমেট কমিটিত সেই-বিলাক কথা উত্থাপন কৰাৰ পিচত তাৰ কিছুমান বিষয়া কৰ্মচাৰীক ট্ৰেনচ ফাৰ কৰা হৈছে আৰু অফিচ বিলাকো বন্ধ কৰি দিয়া হৈছে। আঞ্চলিক চিন্তা চৰ্চা নথকাৰ কাৰণেই এই অঞ্চল বিলাকৰ উন্নয়নৰ ক্ষেত্ৰত ব্যাঘাট জন্মিছে। লৰাই বন্দুক হাতত লৈছে আৰু লবলৈ বাধ্য হৈছে। আজি চিভিল, মেকানিকেল, ইলেকট্ৰিকেল, ইঞ্জিনীয়াৰিং কলেজ খুলিব পৰা যাব কিন্তু টেক্সটাইল টেকনোলোজি খুলিব পৰা নাযায়। ১৯৬৪ চনৰ পৰা ১৯৮৫ চনলৈকে চিভিল, মেকানিকেল আৰু ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিং কলেজ আৰু ইনষ্টিটিউট খুলি ছাত্ৰ ছাত্ৰীক পঢ়িবলৈ দিয়া হ'ল আৰু বহুতো ছাত্ৰ-ছাত্ৰী পাচ কৰিলে। কিন্তু টেকস্‌টাইল ইঞ্জিনি-য়াৰিং পঢ়ি থকা লৰা নাই। কাৰণ টেক্সটাইল ইঞ্জিনীয়াৰিং পাছ কৰা লৰা থাকিলে ইয়াত ভালে কেইটা কাপোৰৰ মিল গঢ়ি উঠিলেহেঁতেন। আজি অসমত যিটো এপলো উদ্যোগ আছে সেই উদ্যোগত তৈয়াৰী কাপোৰে অসমৰ বাহিৰতো জনপ্ৰিয়তা লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ আইন মতে এটা টেকনিকেল টেকনোলোজি খুলিবলৈ হলে কলিকতা বা দিল্লীৰ পৰা পাৰ্মিচন লব লাগিব। কিন্তু তেওঁলোকে টেক্সটাইল টেকনোলোজি

খুলিবলৈ নিদিয়ে। নিদিয়াৰ কাৰণ কি? ইয়াতি নিশ্চয় কাৰোবাৰ স্বাৰ্থ জড়িত হৈ আছে। অসমত ৰোভাৰ চাইকেল কোম্পানী নামৰ এটা ভাল চাইকেল তৈয়াৰ কৰা ফেক্টৰী আছিল। কিন্তু সেইটো হবলৈ নিদিলে। আমাৰ ৰাজ্যত যথেষ্ট মৰাপাট উৎপাদন হোৱা স্বত্বেও স্বৰ্গীয় ফকৰুদ্দিন আলি চাহাবে স্থাপন কৰিবলৈ লোৱা মৰাপাট উদ্যোগটোও নহল। অথচ আমাৰ ৰাজ্যৰ পৰাই সৰ্ব্বাধিক মৰাপাট উৎপাদন হয়। গতিকে আগতে যিবিলাক ৰাজ্যত মৰাপাট উদ্যোগ গঢ়ি লৈ উঠিছে সেই উদ্যোগ বিলাক গঢ় লৈ উঠাৰ ক্ষেত্ৰত যিবিলাক বিধি ব্যৱস্থা আছে তাৰ জৰিয়তে আমাৰ ৰাজ্যত মৰাপাট উদ্যোগ গঢ়ি নোতোলাৰ কাৰণে আমাৰ ৰাজ্যৰ ক্ষমতা হৰণ কৰা হৈছে। যোৱা ৫ বছৰত ৪০ হাজাৰ লোকক শিক্ষকৰ চাকৰিত নিযুক্তি দিয়া হৈছে। এই ৪০ হাজাৰ শিক্ষকক দৰমহা দিবলৈ মাহে ১২ কোটি আৰু বছৰত ১৪৪ কোটি টকা লাগে। ৪০ হাজাৰ শিক্ষক যে এপইণ্টমেণ্ট দিছে তাৰ কাৰণে দিবলগীয়া এই ১৪৪ কোটি টকা কৰ পৰা আহিব। এতিয়া হয়তো তুমাহৰ দৰমহা দিয়া নাই, তাৰ পিচত হয়তো ৪ মাহ হব। তাৰ কাৰণে এ. জি, পি চৰকাৰ দায়ী নহয়। আমাৰ এই বৈচিত্ৰময় অসমত সাংস্কৃতিক বিকাশ হবলৈ দিয়া নাই। এই কথাবিলাক কওতে তেখেত সকল থকা হলে ভাল হলহেতেন। মই সেই সময়ত শিক্ষামন্ত্ৰী থাকোতে অসমৰ টেকনিকেল শিক্ষাৰ উন্নয়নৰ কাৰণে ৩৪ কোটি বিচাৰিছিলো। প্ৰথমবাৰ ৰাজীৱ গান্ধীৰ চৰকাৰে এই টকাতো নিদিলে। বহুতো যুজ বাগৰ কৰাৰ পিচত ১৯৯০ চনত এই টকাতো আহিল। কিন্তু ইতিমধ্যে আমাৰ চৰকাৰ ভংগ হৈছিল। এষ্টিমেট কমিটিত এই ৩৪ কোটি টকা কলৈ গল মই প্ৰশ্ন সুধিছিলো। এই টকাতো সম্পৰ্কত মোক ভালে কেইজন বিধায়কে কলে যে সেই সময়ত শিক্ষামন্ত্ৰীয়ে বৈছে যে আগৰজন শিক্ষামন্ত্ৰীয়ে খৰচ কৰিব নোৱাৰিলে, মই কৰিলো। ১২ কোটি টকা ডাইভাৰ্ট কৰা হৈছিল। সেই দলৰ যিবিলাক চিন্তা-ধাৰা তাৰ লগত আঞ্চলিক চিন্তাধাৰাৰ কোনো সম্পৰ্ক নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মই যেতিয়া শিক্ষামন্ত্ৰী আছিলো তেতিয়া ৰাজ্যখনত টেকনিকেল এডুকেচনৰ সম্প্ৰসাৰণৰ কাৰণে ২৪ কোটি টকা থৈছিলো। এতিয়া এষ্টিমেট কমিটিত পাইছো এই ২৪ কোটি টকা ক'লৈ গ'ল। যোৱাবাৰো আলোচনা হৈছিল। তেতিয়া কৈছিল আগৰ শিক্ষামন্ত্ৰীয়ে খৰচ কৰিব নোৱাৰিলে। এতিয়া মই কৰিম। আজি যি সময়ত ৰাজ্যখনৰ বিভিন্ন সমস্যাই সমাধান কৰিব পৰা নাই তেনেক্ষেত্ৰত দিল্লীৰ অনুগামী হৈ তেওঁলোকৰ জয়গান গাই থকা হৈছে। উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো আমাৰ কিছুমান ল'ৰাই মৃত্যুক সাৱটি লৈছে। কুটুমৰ তেজেৰে এই দেশ ৰক্তাক্ত হৈছে। ই কম দুৰ্ভাগ্যজনক কথা নে? বাতৰি কাকতত নিতৌ কেৱল যুৱকৰ মৃত্যু আৰু হত্যাকাণ্ডই আমাৰ মনবিলাক হতাশাগ্ৰস্ত কৰি পেলাইছে। সেয়ে উপাধ্যক্ষ মহোদয় মই এটি গুৰুত্বপূৰ্ণ বিষয় ডাঙি ধৰিব বিচাৰিছো। সেই হ'ল জননেতা অমিয় কুমাৰ দাস দেৱে সংবিধান সভাত ডাঙি ধৰিছিল 'আমি দেখিব পাইছো কেন্দ্ৰৰ তালিকাত দুটা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। এটা হৈছে প্ৰব্ৰজন আৰু আনস্বাভাৱিকীকৰণ। মই ভাবো এই বিষয় দুটা যুটীয়া তালিকাত অন্তৰ্ভুক্ত কৰা উচিত বা এনে প্ৰকাৰ ব্যৱস্থা ৰাখিব লাগে যাতে প্ৰাদেশীক চৰকাৰ সেই বিষয়ত কাৰ্য্যব্যৱস্থা লোৱাৰ সুযোগ পায়। আন প্ৰদেশবোৰে কি ভাবে মই নাজানো। কিন্তু আমাৰ বাবে এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। আমি জানো কি ভাবে ব্যাপক প্ৰব্ৰজনে প্ৰদেশখনৰ জনগাঠনি সলনি কৰিব ধৰিছে। সাম্প্ৰদায়িক সুবিধা আৰু সাম্প্ৰদায়িক সংৰক্ষণৰ ব্যৱস্থা কৰি প্ৰদেশখনলৈ ব্যাপক প্ৰব্ৰজনৰ সুযোগ দিয়াটো আমাৰ বাবে মুঠেই মঙ্গলজনক নহয়। অনুপ্ৰৱেশকাৰীক উচ্ছেদ কৰা স্বত্বেও সেইসকলে চৰকাৰী মাটি বেদখল কৰিছে আৰু বহুতে সম্পৰ্কীয়ৰ আশ্ৰয় লৈছে। এই ভয়াবহ পৰিস্থিতিৰ বিষয়ে কেমিটিৰ সদস্যসকলে নিশ্চয় উপলব্ধি কৰি আৰু এই দুটা বিষয়ত প্ৰাদেশীক চৰকাৰৰ কাৰ্য্যব্যৱস্থা লোৱাত সুযোগ দিব। যদি জন্মভূমি অসমতে অসমীয়া মানুহক আমি সুৰক্ষা দিব নোৱাৰো তেনেহলে মোৰে বা এই

সদনত থকাৰী কি যুক্তি থাকিব পাৰে। অসমীয়া মানুহৰ সংস্কৃতি আন প্ৰদেশবোৰৰ পৰা পৃথক — পৃথক গতিকে প্ৰাদেশিক চৰকাৰক ক্ষমতা প্ৰয়োগৰ সুযোগ দিবলৈ কমিটিৰ সদস্যসকলৈ তেওঁ অনুৰোধ জনাইছিল। গতিকে মই আজিৰ এই সদনত কব বিচাৰিছো। আজি ৫০ বছৰ আগতে এজন নায়ক অমিয় কুমাৰ দাসে সংবিধান সভাত যি উক্তি ডাঙি ধৰিছিল সেই উক্তিৰ কথা আমাৰ বিধান সভাৰ সদনৰ প্ৰতিজন মাননীয় সদস্য ও বিধায়কে মনত ৰখা উচিত — যদি আমি এই বিধান সভাৰ সদনৰ প্ৰতিজন মাননীয় সদস্য ও বিধায়কে মনত ৰখা উচিত — যদি আমি এই বিধান সভাৰ প্ৰতিনিধি হৈ আৰু জনসাধাৰণৰ প্ৰতিনিধি হৈও যদি ৰাইজৰ সুৰক্ষা দিব নোৱাৰো তেতিয়াহলে আমাৰ প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ ক'ত? বা অৰ্থ কি হব পাৰে। আজি যিখন আই এম দি টি এক্ট আছে এই আই এম দি টি এক্টে আমাক কি দিছে। আমাৰ এই ৰাজ্যত বিদেশী প্ৰব্ৰজন অনন্ত কাললৈ চলি থাকিব। তাক কোনেও বাধা দিয়াৰ অধিকাৰ নাই। আমাৰ নিজা ভূমি অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন জাতি উপজাতিৰ মাজত এনেধৰণে সংঘাটৰ সৃষ্টি কৰি দিল্লীত সেইসকল লোকে আৰামত বহি ৰং চাই আছে। ৰাজ্যখনত কেনেধৰণে বৈষম্য সৃষ্টি কৰি বিভাজন আনিব পাৰি তাৰেই চেষ্টাত তেওঁলোকে ব্যস্ত আছে। অন্যান্য ৰাজ্যবিলাক যেনে পশ্চিমবংগত তেওঁলোকে বিদেশী প্ৰব্ৰজনৰ আৰু বিভাজনৰ ক্ষেত্ৰত ১৯৫১ চনে বাছি লৈছে। সেইদৰে মণিপুৰেও ৫১ চনে লৈছে। কিন্তু আমাৰ ৰাজ্যত ১৯৭১ চনে আমি মানি লৈছো। তাৰ পিছতে বিদেশী নাগৰিকৰ বিতৰণৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ কোনো কামে হোৱা নাই। কেৱল টকা পইচাহে এই শিতানত খৰচ হৈ আছে।

আই, এম, ডি টি এক্টে কি দিলে, অসম ভূখণ্ডলৈ বিদেশী প্ৰব্ৰজন অনন্ত কাললৈ চলি থকাৰ এটি বাট মোকলাই দিয়া হ'ল। তেওঁলোকক বাধা দিয়াৰ অধিকাৰ নাথাকিব। বহুবিলাক কাৰণত আমাৰ যুৱক সকলৰ মাজত বিচ্ছিন্নতাৰ মনোভাৱ গা কৰি উঠিল। ১৯৪৩ চনৰ পৰা

১৯৬৪ চনলৈকে এই সময়ছোৱাৰ ভিতৰত এজন আৰ্মী অফিচাৰ এচ, এম চোৱীয়ে এখন কিতাপ লিখিছিল যিখন কিতাপত সেই সময়ৰ সমকালিন চিন্তাৰ কথা সন্নিবিষ্ট আছিল তাত কোৱা হৈছে ইণ্টাৰনেল আৰু এক্সটাৰনেল আউটচাইদাৰচৰ কথা। সেই সময়তে কিতাপখনত যিবিলাক কথা কোৱা হৈছিল এতিয়া সেই কিতাপত লিখা ঘটনা বিলাক ঘটি আছে। আজি যিবিলাক ঘটনা সংঘটিত হৈছে সেইবিলাক এচ্ আই, এ কৰা নাই কৰা নাই এ, জি, পিয়ে, ঐতিহাসিক পটভূমিত এই ঘটনা বিলাক ঘটি গৈ আছে, জনজাতীয় ৰাইজ বিভিন্ন জনগোষ্ঠীৰ ৰাইজ আজি ক্ষুব্ধ হৈছে। বিগত ৫০ বছৰ আগতে জননেতা অমিয় কুমাৰ দাস ডাঙৰীয়াই কৈ যোৱা কথাবিলাক আৰু সেই আৰ্মী অফিচাৰজনে লিখা কিতাপৰ ঘটনা বিলাক এতিয়া ঘটি আছে। বহু সময়ত দেখা গৈছে প্ৰচণ্ড অৱহেলাৰ কাৰণে বিচ্ছিন্নতাবাদে দেখা দিছে, ওড়ালগুৰীত যোৱা ৪৯ বছৰে দলংৰ কাম কৰা নহ'ল। গহপুৰতো তেনে ধৰণ জনজাতীয় ৰাইজ বঞ্চিত হব লগা হৈছে। সেয়ে তেওঁলোক আজি ক্ষুব্ধ। দেশত সংস্কৃতিৰ কথা কোৱা হয় কিন্তু কিয় সকলো জনগোষ্ঠীৰ লগত একাত্ম হব নোৱাৰিলে। মই যেতিয়া শিক্ষা মন্ত্ৰী আছিলো তেতিয়া ৰোমানৰ কথা কৈছিল, তেতিয়া মই মিচিং ভাষা ইত্যাদি নাজানো বুলি কৈছিলো কিন্তু মই তেতিয়া তেওঁলোকক কৈছিলো আপোনালোকে বিশেষজ্ঞৰ লগত আলোচনা কৰক আৰু প্ৰয়োজন হলে আমি ৰোমান লিপি হোৱাৰ কাৰণে সহায় কৰি দিম। কিন্তু আজি কি হ'ল ৰোমান লিপি যদিও হ'ল প্ৰাথমিক স্তৰতে অসমীয়া ভাষাতেই মাধ্যম চলি আছে। অৱশ্যে কিছুমান ক্ষেত্ৰত ক্ষোভ কৰিবলগীয়া কথা আছে যেতিয়া ঘণ্টাৰ পিচত ঘণ্টা যেতিয়া অপেক্ষা কৰি থাকি দেখা কৰিব নোৱাৰি বিষাদ মন লৈ ঘূৰি যাব লগা হয় তেতিয়া তেওঁলোকৰ মনত ক্ষোভ সৃষ্টি হোৱাটো স্বাভাৱিক। ১৯৫৫ চনৰে পৰা আজিলৈকে মিচিং সকলৰ যিটো সমস্যা আছিল সেইটো এতিয়াও পৰিসমাপ্তি হোৱা নাই। দিল্লীৰ পুঁজিপতি সকলৰ স্বাৰ্থত আমাৰ জনসাধাৰণৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হৈছে।

আজি যি ভাতৃঘাটি সংঘৰ্ষ সংঘটিত হৈছে, পৃথক পৃথক ৰাজ্যৰ যি দাবী উঠিছে সেইয়া কাৰ দোষৰ কাৰণে হৈছে? অসমত যিটো ইচলামাইজেশ্যন হৈছিল পৃথিৱীত বিৰল, কতো নাই। আজি আমাৰ যুৱক সকলে কিয় বিচ্ছিন্নতাবাদী মনোভাৱ পোষন কৰি কিয় আতৰি যাব লগা হৈছে, ইয়াৰ পটভূমি কি এই সকলো বিলাক কথা চিন্তা কৰিব লগীয়া বিষয় হৈ পৰিছে।

আজি অসমৰ যুৱকসকল বিচ্ছিন্নতাবাদী মনোভাৱ লৈ ওলাই আহিছে, কিন্তু ইয়াৰ আচল পটভূমি কি বা ক'ত তাক বিচাৰ কৰাৰ সময় আহি পৰিছে। তেওঁলোকৰ মনত আজি সন্দেহ আৰু অবিশ্বাস জন্মিছে গতিকে জনসাধাৰণৰ লগত বুজাপৰা কৰি এটা ৰাজনৈতিক পৰিবেশ তৈয়াৰ কৰিব লাগিব আৰু এই পৰিবেশ তৈয়াৰ কৰাৰ দায়িত্ব বৰ্ত্তমানৰ বিধান সভাৰে আছে। আজিৰ জনসাধাৰণৰ মাজত যদিও নানান সমস্যাই দেখা দিছে আৰু সমাধানৰ বাট বিচাৰি হাৰা-শাস্তি খাইছে, বৰ্ত্তমানৰ চৰকাৰৰ পৰা হতাশ হৈছে তথাপিও বহু সংখ্যক লোকে যি গণতন্ত্ৰত বিশ্বাস ৰাখিছে তেওঁলোকৰ দৃষ্টিভংগী বৰ্ত্তমানৰ চৰকাৰৰ প্ৰতি অটুত আছে। তেওঁলোকে এই চৰকাৰৰ পৰা সুবিধা পৰিবেশ আশা কৰে। কিন্তু আজিৰ যুৱক সমাজৰ কিছুমানে বহুতো ডাকাইটি কাৰ্য্যত লিপ্ত হৈ টকা ঘটিছে, পুলিচে ধৰিলে, দোষী সাব্যস্ত কৰিলে তেওঁলোক চৰকাৰকেই দোষাৰোপ কৰে। কাৰণ তেওঁলোকে উপাৰ্জনৰ পথ বিচাৰি পোৱা নাই সেয়েহে সমাজৰ যিবিলাক তথাকথিত ধনীলোকে আছে তেওঁলোকৰ পৰাই বাৰাট্ৰাক আদিৰ পৰা ধনলোট কৰাৰ কামত লিপ্ত হয়। কাৰণ যিবিলাক পুলিচে তেওঁলোকক ধৰাপেলাই, সেই পুলিচেই ডাঙৰ ডাঙৰ ট্ৰাক আদিৰ পৰা টকা দাবী কৰিলে। মই জনাত উদালগুৰি ফালৰ ট্ৰাকত যেতিয়া অন্যান্য মাল আদি কঢ়িয়াই নিয়ে পুলিচে তাৰ পৰা গাড়ী ৰখাই টকা আদায় কৰাৰ দৃষ্টান্তও পোৱা যায়। গতিকে মই ভাবো আমাৰ এই ৰাজনৈতিক চিচটেম টোকে সলনি কৰিব লাগে। আমিও বহুতো পুলিচৰ মাৰ খাইছে এই বিধান সভালৈ

আহিছিলোঁ। বহুতো সমস্যাৰ যুঁজ দিছিলোঁ। এইদৰে এ জি পি চৰকাৰ গঠন কৰিছিলোঁ। কিন্তু আমাৰ আজি যি ৰাজনৈতিক চিচটেম সেইটোৰ ওপৰত অসমৰ জনসাধাৰণে অসন্তোষ প্ৰকাশ কৰিছে কাৰণ তেওঁলোকে সমস্যা সমাধান কৰিব পৰা নাই। সেয়েহে আজি সময়োপযোগি আঞ্চলিকতাবাদৰ জন্ম হৈছে। অসমৰ বাইজে ভাবে এই ৰাজ্যত উৎপাদিত সামগ্ৰি বিলাকৰ অফিচবা তেনেধৰণৰ অনুষ্ঠান সমূহক আদি ইয়াতেই কৰাহলে আমাৰ যুৱক সকলে নিয়োগ আদিৰ সুবিধা পালেহেঁতেন আৰু তেওঁলোকে কেতিয়াও বিচিন্নবাদক প্ৰশয় নিদিলেহেঁতেন। আজি অন্য এটা কথা হ'ল বিদেশী প্ৰব্ৰজনৰ বিষয়টো এইটোৱেই অতি গুৰুত্বপূৰ্ণ বিষয়। ৰাইজে আমাক এই বিষয়ৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰ গঠন কৰিবলৈ আৰু বিদেশী সমস্যা সমাধান কৰিবলৈ নিৰ্ব্বাচিত কৰি পঠাইছিল। কিন্তু আমি যদি ৰাইজৰ সমস্যাবোৰেই সমাধান কৰিব নোৱাৰো এই বিধান সভাত বহি থকাৰেই বা কি অধিকাৰ আছে।

কিন্তু এই আইন কানুনে আমাক শিকলীৰে বান্ধি ৰাখিছে। এই বিলাক ভাঙিব পাৰিলেহে ৰাজনৈতিক পৰিবৰ্ত্তন আনিবলৈ সক্ষম হব। আমাৰ চাহ বোৰ্ড কলিকতাত আছে ইয়ালৈ আনিবৰ কাৰণে দাবী কৰিছো। দক্ষিণ ভাৰতত কফি হয় কাৰণে কফি বোৰ্ড দক্ষিণ ভাৰতত আছে। অসমত সৰ্ব্বাধিক চাহ হয় কিন্তু চাহ বোৰ্ড ইয়াত কিয় নহয়? আমাৰ উত্তৰ অঞ্চলত কফি উৎপাদন হৈছে, ইয়াত যিটো অফিচ আছিল কলিকতালৈ লৈ গ'ল। যিজন মানুহে কলিকতালৈ অফিচটো লৈ গল তেওঁৰ কলিকতা আৰু গুৱাহাটীৰ মাজত দূৰত্বৰ কোনো ধাৰণা নাই। দক্ষিণ ভাৰতৰ কফি বাৰসামত আন প্ৰতিযোগী হৈ ওলাব নোৱাৰে তাৰ কাৰণে এইটো কৰা হৈছে। আজি যিবিলাক চাহ বা অইলৰ চেলটেক্স সেইবিলাক আমাক দিছে নেকি? আমাক আজি অন্যায় কৰা হৈছে। বাগান বিলাকক পুজি দিছে। পৰিকল্পনাৰ যিখিনি ধ্যান ধাৰণা সেই মতে চাৰি পাচ কোটি টকাৰ কাৰণে দিল্লীলৈ যাব লাগে। সেই কাৰণে আমি দাবী কৰো যে ঋণখিনি নাইকিয়া কৰিব লাগে। এই টো

হলেও এটা সাময়িক ব্যৱস্থা হে হব। সম্পদৰ ওপৰত অধিকাৰ লাগে। আত্মপ্ৰচেষ্টাৰ সুবিধা অসমীয়া মানুহে পাব লাগিব। তাৰ জোৰ নাই তেন্তে শেষ হৈ যাব। দিল্লীৰ আইন কানুনৰ জৰিয়তে বিকাশত বাধা দিয়া হৈছে। পৰিকল্পনা আমি কৰিব নোৱাৰো। চকিদাৰ চৰকাৰ হৈ আছো। পৰিকল্পনা কৰিব দিল্লীয়ে। ওডালগুৰীত ট্ৰাইবেলট ডেভেলাপমেণ্ট অধোৰিটিৰ অফিচ এটা আছে। তাৰ পৰিকল্পনা দিশপুৰত কিয় কৰিব লাগে? তাৰ বাপ্টী ঘাতৰ পৰিকল্পনা তাৰ বাইজে কৰিব। ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হ'ব লাগে। আজি নৱম পৰিকল্পনাৰ বিষয়ে ৰাইজে নাজানে। কেৱলাৰ মানুহ জৰিত হৈ আছে। নৱম পৰিকল্পনাৰ ভৱিষ্যতে কি হব ৰাইজে নাজানে। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে পৰিকল্পনা কাৰ্যান্বিত কৰি তুলিব লাগিব। জনসাধাৰণৰ মাজত যি ক্ষোভৰ সৃষ্টি হৈছে তাৰ নিৰাময়ৰ কাৰণে ব্যৱস্থা হব লাগিব। উদাৰকৰণৰ জৰিয়তে এন. আৰ. আইৰ নামত পাচশ মিলিয়ন টকা ভাৰতৰ বাহিৰলৈ গুচি গ'ল। শ্ৰীদামবৰমৰ অৰ্থনৈতিক বুনিয়াদত উৎসাহিত হব লগা কি আছে? আমাৰ টকাখিনি আমেৰিকালৈ লৈ গ'ল। তাতে গ্ৰীন কাৰ্ডলৈ চলাই আছে। সেই টকাখিনিকে আকৌ উভতি আহিবলৈ সুবিধা কৰি দিয়া হৈছে। ঔষধৰ দাম বাঢ়িছে। ১৩ টকাৰ পৰা ১৮ টকা হৈছে। এই কেইটা দিনত বস্তুৰ দাম আকাশ লংঘী মূল্য বৃদ্ধি হৈছে। অসমৰ সম্পদ হৈছে জল সম্পদ। তেল বা কয়লা জল সম্পদ। তেল বা কয়লা সম্পদ নহয়। জল সম্পদ ব্যৱস্থাৰ কৰাৰ কাৰণে ধ্যান ধাৰণাৰ অভাৱত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ নহল। জৰ্জ ফাৰ্নেন ডেইজে উল্লেখ কৰিছে চেম্পা নদীখন বন্ধ লাষ্ট কৰি নদীৰ গতি সলনি কৰিব বিচাৰিছে। এই ক্ষেত্ৰত চিন্তা কৰিবলৈ প্ৰয়োজন আছে। অসম খন যদি পানী নাইকীয়া হয় সকলোৱে ভাবিব বালা পানী নহয় ভাল হব। কিন্তু অসমখন মৰুভূমিত পৰিণত হব। এই পানীখিনি ব্যৱহাৰ কৰিবলৈ আমাৰ পৰিকল্পনা আৰু চিন্তা চৰ্চাৰ দৰকাৰ আছে। এই অঞ্চলৰ উৎপাদনৰ ক্ষেত্ৰত যোৱা ৫০ বছৰে চিন্তা নকৰিলে উদ্যোগৰ

ক্ষেত্ৰত শতকৰা ২ ভাগহে আমাৰ ইয়াত বিনিয়োগ হৈছে। আমি কেৱল স্কুলৰ এল, পি বা হাইস্কুলৰ চাকৰিৰ কথাহে চিন্তা কৰো। ইলেকট্ৰনিক্স, এগ্ৰিকালচাৰ ইঞ্জিনিয়াৰিং, টাইক্ক টেকনলজী হ'ল বিজ্ঞান প্ৰযুক্তিৰ মূল বিষয়। কিন্তু সেই বিলাকৰ কথা আমি নাভাবিলো। অসমখনত নতুন ভাৱে পৰিচালিত কথাৰ কোনো ব্যৱস্থা কৰা নহল। হস্ত তাঁত শিল্পৰ প্ৰদৰ্শনী হৈছে এইটোত মই ভাল পোৱা নাই। আমাৰ মৰাপাটৰে পশ্চিমবঙ্গত জুটমিলত বেগ আদি বনাই আমাৰ অসমতেই একজিভিচন কৰি পইচা লৈ যাব এই একজিভিচন আমিহে অসমৰ বাহিৰত পাতি টকা লৈ আহিব পাৰিব লাগিছিল।

আজি অৰ্থনৈতিক স্বাধীনতা যদি অসমৰ জনসাধাৰণে লাভ কৰিব নোৱাৰে তেনেহলে আমি কেইজনমান এম, এল, এ হৈ থাকি লাভ নাই। সেইকাৰণে এইখন চৰকাৰৰ পৰা জনসাধাৰণে কিমান আশা কৰিব পাৰে সেইটো চাব লাগিব। অসমৰ জনসাধাৰণৰ আত্ম বিকাশৰ কাৰণে চেষ্টাৰ প্ৰয়োজন হব। আজি ভাৰত জুৰি এটা পৰিবেশ সৃষ্টি কৰিব লাগিব। আজি সকলো ৰাজ্যতে সমস্যাৰ সৃষ্টি হৈছে। জম্মু কাশ্মীৰত হৈছে ভাৰতবৰ্ষৰ প্ৰত্যেকখন প্ৰান্তীয় ৰাজ্যতে সমস্যাৰ সৃষ্টি হৈছে। সেইকাৰণে মই ভাবো যে আজি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ লৈ যিবোৰ দাবী উত্থাপিত হৈছে সেই দাবীবোৰ উত্থাপিত হলেই তাক বিচ্ছিন্নতাবাদ বুলি কব নোৱাৰি। আমাৰ ৰাজ্য সমূহৰ উন্নয়নৰ কাৰণে সকলো জনগোষ্ঠীৰ সম বিকাশৰ কাৰণে আমি বিধান সভাৰ মজিয়াত বা পাৰ্লিয়ামেণ্টত আলোচনা কৰিবই লাগিব। এই কথাবোৰ আমি সকলো স্তৰতেই পাতিম। ইয়াৰ আগৰবাৰো মই এই কথাবিলাক উত্থাপন কৰিছিলো। শ্ৰীহেমেন দাস দেৱেও এটা কথা কৈছে যে এইখন আমি পাৰ্লিয়ামেণ্টত দাবি ধৰিব পাৰিম নে নোৱাৰিম? এইখন আমি নিশ্চয় পাৰ্লিয়ামেণ্টত উত্থাপন কৰিব পাৰিব লাগিব অসমৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত অসমৰ মানুহেই আলোচনা বিলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব লাগিব। আজি তেজপুৰ বিশ্ববিদ্যালয়ৰ সম্পৰ্কত যিকোনো কথা

অসমৰ বাহিৰে অসমৰ শিক্ষা মন্ত্ৰীয়ে নাজানিলে নহব। সকলো কাম দিল্লীৰ পৰাই পৰিচালনা কৰিলে নহব। অসমৰ ভৱিষ্যতৰ লগত জৰিত যিকোনো কথাকেই আমি জানিব লাগিব। যদি কিবা ক্ষেত্ৰত বাধা দিবও খোজে তেনেহলে আমি আইনগত ভাবে হলেও যুজিব লাগিব। আজি অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত জৰিত সকলো কথা অসমৰ বাইজে আৰু অসম চৰকাৰে জানিব লাগিব আৰু এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আজি কিছুদিন আগতে উত্তৰ পূৰ ৰেলওৱেই ২৪ হাজাৰ যুৱক যুৱতীক চাকৰিৰ পৰা বঞ্চিত কৰিছে। আজি অসমৰ ল'ৰাই চাকৰি নাপাব কেন্দ্ৰীয় চেক্টৰত এই অঞ্চলৰ মানুহে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰি কেইটা পোৱাত নিশ্চিত নহব সেইটো হব নোৱাৰে। এই ক্ষেত্ৰত যি আইন কানুন তাৰ এটা ৰিভিউ হোৱা ভাল। আজি উত্তৰ পূৰ্ব্বাঞ্চলত যিবিলাক ৰাষ্ট্ৰীয়কৃত বেংক আছে সেইবিলাকে ইয়াৰ পৰা কিমান উপাৰ্জন কৰিছে আৰু সেই উপাৰ্জিত ধনৰ কিমান ধন এই অঞ্চলৰ উন্নয়নৰ বাবে বিনিয়োগ কৰিছে সেইটো পৰ্য্যালোচনা কৰি চোৱা প্ৰয়োজন হৈছে। আজি ই, এ, এচ ব্লকৰ নামত কেইটামান টকা দিছে, জে, আৰ, ওৱাইৰ নামত কেইটামান টকা আমি পাইছো যদিও আমি সেই টকা কেইটাতে ব্যস্ত থাকি কোনে কি চাপ্লাই পাব কোনে কামটো কৰিব সেই লৈয়ে ব্যস্ত আছো। আজি আমি বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ কথা কৈছো। এই ক্ষেত্ৰত পৃথিবীৰ সকলো ৰাজ্যই আগবাঢ়ি গৈছে। কিন্তু আমি পৰিচিত হব পৰা নাই ৰিমট কণ্ট্ৰোল হৈ আছো। আমাক আইন-শৃঙ্খলাৰ নামত সকলো ফালৰ পৰা আৱদ্ধ কৰি ৰখা হৈছে। আজি এই ধৰণৰ বহুতো বিতৰ্কৰ বিষয়বিলাক। আজি আমি যিবিলাক সমস্যাত জৰ্জৰিত হৈ আছো সেইবিলাক সমাধান কৰাতহে আমি গুৰুত্ব দিব লাগে। কোনো এটা পৰিস্থিতিকে আমি জনজাতীয়, অ-জনজাতীয়, ভাষা, ধৰ্ম্মক দোহাই দি পেলাই ৰাখিব নালাগে। আজি আমাৰ মানুহ শুই আছে। কিন্তু এদিন চীনে সাৰ পালে আমাৰ বিপদ হব। আজি লাখ লাখ প্ৰাক্তন চাহ বনুৱা অসমত আছে। তেওঁলোকে চাকৰিৰ কোনো

পথ পোৱা নাই। আনহাতে বাগান বিলাকে লাহে লাহে ইয়াৰ পৰা উঠি যাব ধৰিছে। এই বিলাক পৰ্য্যায় ক্ৰমে ভাৰতৰ বাহিৰলৈ গুছি গৈছে। ইয়াৰ বাগান বিলাকত কোনো ধৰণৰ ইনভেষ্টমেণ্ট কৰা নাই যাৰে এই বিলাক এদিন ধ্বংস হব। তেওঁলোকে ইয়াৰ পৰা সকলো শোষণ কৰি লৈ যাব কিন্তু থাকি যাব অগনন মানুহ। তেওঁলোকক সংস্থাপন কত দিম? অহা ১০/১৫ বছৰৰ পিচত এনে এটা ভয়ানক ৰাজনৈতিক পৰিস্থিতিৰ উদ্ভৱ হব যিটো কথা ৫০ বছৰৰ আগতে এচ, এম, চুৰি আৰু অমিয় কুমাৰ দাসে কৈছিল। এনে পৰিস্থিতি চলি থাকিলে অসমৰ পৰিস্থিতি আৰু ভয়ানক হব। গতিকে ১০/১৫ বছৰৰ পিচত আমি যদি এটা ভাল পৰিবেশ দিবলৈ বিচাৰো তেনেহলে আমি এটা শুদ্ধ ৰাজনৈতিক চিন্তা চৰ্চ্চা কৰিব লাগিব। সেই কাৰণে মই অনুৰোধ কৰিব বিচাৰো যে আমাৰ যিবিলাক মৌলিক প্ৰশ্ন সেই বিলাকৰ ওপৰত ঘণ্টাৰ পিচত ঘণ্টা ধৰি আলোচনা হওক। কাৰণ আমি এটা ৰাষ্ট্ৰ উলিয়াব লাগিব। আমি জলন্ত সমস্যা সমূহ নেদেখাৰ ভাও জুৰি বালিত মুৰ গুজি থাকিলে নহব। কোনো সমস্যা বা বিপদ আতৰি নাযায়। আজি যি ভয়ানক অৱস্থাৰ সৃষ্টি হৈছে তাতোকৈও ভয়ানক দিন আহি আছে। গতিকে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিবলৈ বিচাৰিছো। তাৰ কাৰণে মই ৩ টা কথাৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো। সেই কেইটা হৈছে অসমৰ পৰা আনে কি পাইছেনে নাই সেইটোৰ দৰকাৰ নাই কিন্তু আমি অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব লাগিব। অসমে নিজৰ সম্পদৰ ওপৰত অধিকাৰ পাব লাগিব। কিন্তু অসমে যি ৰাষ্ট্ৰাৰে আগবাঢ়ি যাব খুজিছে, আত্ম বিকাশৰ কাৰণে যি চেষ্টা কৰিব বিচাৰিছে তাত কেন্দ্ৰীয় চৰকাৰৰ কোনো আইনে বাধা দিব নোৱাৰিব। তাৰ কাৰণে প্ৰয়োজন হলে সংবিধান সংশোধন কৰা হওক। আজি অৰ্থ-নৈতিক বিকাশৰ কাৰণে, সম্পদ বিকাশৰ কাৰণে সংবিধান সংশোধন কৰি হলেও জনসাধাৰণক কতৃত্ব দিব লাগিব। দিল্লীত বহি তেল, কয়লা আদিক ৰাষ্ট্ৰীয় সম্পদ বুলি লৈ যাব নোৱাৰিব। সম্পদৰ অধিকাৰ আমাক

দিব লাগিব। দিল্লীয়ে সম্পদৰ অধিকাৰ লব আৰু আমি সমস্যাৰ অধিকাৰ লম এইটো হব নোৱাৰিব। অসমৰ জন জীৱনৰ বিকাশৰ কাৰণে পৰিকল্পিত গাঠনিত অৰ্থনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক স্বাধীনতা আমি পাব লাগিব। আজি যি সকলে বন্দুক বাৰুদ হাতত তুলি লৈছে তেওঁলোককো আমি গনতান্ত্ৰিক প্ৰক্ৰিয়াৰে অসমৰ সমস্যা সমূহ সমাধান কৰাৰ ক্ষেত্ৰত পতিয়ন নিয়াব পাৰিব লাগিব। এই অঞ্চলৰ প্ৰত্যেকটো জনগোষ্ঠীৰ যি বিকাশ তাক তৰান্বিত কৰিব লাগিব। অৰ্থই হৈছে ইহকাল পৰকালৰ বস্তু। এই প্ৰশ্ন বিলাক আমি ৰাজনীতিৰ মাজলৈ টানি নানি এই অঞ্চলৰ প্ৰত্যেকটো জনগোষ্ঠীৰ সম বিকাশৰ কাৰণে ব্যৱস্থা হাতত লব লাগিব। এই ক্ষেত্ৰত ভাষা, ধৰ্ম যিয়েই নহওক প্ৰত্যেকটো জনগোষ্ঠীয়ে নিজস্ব জীৱন ধাৰা ইয়াত সংৰক্ষিত হব লাগিব। কাৰণ বৈচিত্ৰময় এই জীৱন ধাৰা। সকলো জনগোষ্ঠীৰে মাজত শান্তি অনাৰ বাবে এটা পৰিবেশ সৃষ্টি কৰিব লাগিব। তাৰ কাৰণে বড়োলেণ্ড দিয়া হৈছে, কাৰবি আংলঙত এখন কাউন্সিল দিয়া হৈছে। ইয়াৰ পৰা তেওঁলোকৰ সমস্যাবিলাক সমাধান হব বুলি আমি আশা কৰিছো। কিন্তু তাতকৈ আমি বেছি নাযাও। আমি সকলোৱে ইয়াতে একেলগে থাকিম।

প্ৰত্যেকটো জনগোষ্ঠীৰ বিকাশৰ কাৰণে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ব্যৱস্থা ৰাখি আমাৰ সংবিধান প্ৰনয়ন কৰিব লাগিব। আজি আমাৰ যিবিলাক মৌলিক প্ৰশ্ন আছে সেইবিলাক জনজাতীয়ই হওঁক বা অ জনজাতীয়ই হওঁক সকলোৱে সমান অধিকাৰ কথাষাৰৰ প্ৰতি দৃষ্টি ৰাখি আমি গণতান্ত্ৰিক পদ্ধতিৰে সমাধান কৰাৰ কাৰণে প্ৰয়োজন হৈ পৰিছে। আজি আমি যিসকলে চৰকাৰ চলাইছো বা আমি যি সকল বিধান সভাৰ সদস্য হিচাবে ইয়াত আছো সেই সকলে এটা কথা প্ৰমাণ কৰিব লাগিব যে সকলোৱে সামাজিক ন্যায় পাব, সামাজিক অধিকাৰ পাব। আমি কেৱল পুলিচ মিলিটেৰীৰ ওপৰত গুৰুত্ব দি থাকিলেই নহব। যি চৰকাৰে পুলিচ বেচি ব্যৱহাৰ নকৰে সেই চৰকাৰেই

কল্যাণকামী চৰকাৰ হয়। তাৰ কাৰণে আমি ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব। পুলিচ, মিলিটেৰী বেৰেকত ৰাখিব পাৰিলেহে আমাৰ কৃতিত্ব বাঢ়িব। আজি যি সকলে সশস্ত্ৰ সংগ্ৰামত নামিছে তেওঁলোকৰ সন্মুখতো আমি এটা নতুন ৰাজনৈতিক চিন্তাধাৰা দাঙি ধৰা প্ৰয়োজন। তাৰ কাৰণে আজি সদনত যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে আৰু এই সম্পৰ্কত যি সকল মাননীয় সদস্যই দিহা পৰামৰ্শ দিছে তেখেত সকলক মই ধন্যবাদ জনাইছো। এই বিষয় বিলাক আগবঢ়াই নিবৰ কাৰণে আমি এটা আলোচনাৰ পৰিবেশ তৈয়াৰ কৰিব লাগিব আৰু সমান্তৰালভাবে জনসাধাৰণৰ সন্মুখত বিকল্প প্ৰক্ৰিয়া এটা দাঙি ধৰিব লাগিব যাতে তেওঁলোক পতিয়ন যায়। সেই কাৰণে অসম বিধান সভাৰ এই দশম অধিবেশনত এটা গুৰুত্বপূৰ্ণ দায়িত্ব আহি পৰিছে। যদি এই বিধান সভাতে আমি এটা বিকল্প প্ৰক্ৰিয়াৰ সৃষ্টি কৰিব পাৰো তেনেহলে মই ভাবো এই সমস্যা বিলাকৰ সমাধান হব। আজি এই বিষয়টোৰ ওপৰত আমি ভালেখিনি কথা হৈয়াত দাঙি ধৰিছো আৰু এই নিৰ্দ্দিষ্ট বিষয়টো সম্পৰ্কত মই বিশেষকৈ দুটা দিশত কথাখিনি কৈ সামৰিব বিচাৰিছো। সেইটো হৈছে আমি আমাৰ ৰাজ্যখনত ক্ৰমে এটা বাতাবৰণ তৈয়াৰ কৰিব লাগিব। এই বাতাবৰণ হৈছে আমি জনসাধাৰণক জনাই দিব লাগিব আমি কি স্থিতিত আছো। আজি ৰাজনৈতিক ক্ষেত্ৰত বহুতৰে বিশ্বাস নাইকীয়া হৈছে। ক্ৰেদিবিলিটি নাইকীয়া হৈছে। বিশ্বাস ঘুৰাই অনাৰ বাবে আমি চেষ্টা কৰিব লাগিব। গতানুগতিকভাবে কাম নকৰি কাম-কাজৰ পৰিবৰ্তন আনিব লাগিব। এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব অধিক। সকলো জনসাধাৰণৰ মৰ্য্যাদা অক্ষুন্ন ৰাখিব লাগিব। এই ক্ষেত্ৰত মই এজন পুলিচ বিষয়াৰ কথা কব খোজো যে, তেজপুৰত এজন পুলিচ এচ, আইয়ে এজন জন প্ৰতিনিধিৰ বিৰুদ্ধে ৰাজহুৱাভাৱে সমালোচনা কৰিছে। তেওঁৰ যিটো নৈতিক দায়িত্ব সেইটো পালন কৰিব পৰা নাই। আজি মই তেওঁক শাস্তি দিবলৈ কোৱা নাই। এই এইটোহে কব বিচাৰিছো যে, এজন

পুলিচ বিষয়াই এজন জন প্ৰতিনিধিৰ বিৰোদ্ধে যদি সমালোচনা কৰিব পাৰে তেনেহলে সেই জন প্ৰতিনিধি জনৰ মূল্যাই থাকিল ক'ত? তেওঁলোকৰ চিন্তা চৰ্চ্চাৰ পৰিবৰ্ত্তন হোৱা নাই। অলপতে এ, জি, পিৰ কালৰ পৰা অসম বন্ধ আহ্বান দিওতে এজন পুলিচ বিষয়াই মোক সুধিছিল দোকানৰ দুৱাৰ ভাঙি দিওনেকি তেতিয়া মই তেওঁক কলো আপুনি এই কাপোৰজোৰ পিন্ধি সেই কাম কৰিব নালাগে। গতিকে এনেবোৰ কাৰ্য্যৰ পৰিবৰ্ত্তন সাধিবলৈ হলে আমি সকলো ক্ষেত্ৰতে গণতান্ত্ৰিক ব্যৱস্থাটো কাৰ্য্যক্ষম কৰি তুলিব লাগিব। এই প্ৰস্তাৱ সম্পৰ্কত এইখিনিতে কৈ যি সকল মাননীয় সদস্যই দিহা পৰামৰ্শ দিছে তেওঁলোকক ধন্যবাদ জনাইছো।

Mr. Dy. Speaker : Anybody may speak.

শ্ৰীঅতুল শৰ্মা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভাত মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই যিটো মোচন উৎথাপন কৰিছে সেইটো হৈছে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় জীৱন বৈচিত্ৰ পূৰ্ণ। ৰাষ্ট্ৰখনৰ প্ৰান্তে প্ৰান্তে সুকীয়া সুকীয়া ভাষা সংস্কৃতি, সামাজিক, অৰ্থনৈতিক জীৱনধাৰা আছে। সেয়ে ইয়াৰ বিকাশৰ কাৰণে নিজস্ব পৰিকল্পনাৰ প্ৰয়োজন। পৰিকল্পনা সমূহ কাৰ্য্যকৰী কৰিবৰ কাৰণে স্বকীয় ক্ষমতাৰ প্ৰয়োজন। কেন্দ্ৰীভূত ক্ষমতাই প্ৰান্তীয় সভ্যতা, সংস্কৃতিৰ বিকাশ ত্বৰান্বিত কৰিব নোৱাৰে। ইয়াৰ ফলত ৰাষ্ট্ৰীয় জীৱনত বিপৰ্যায় সৃষ্টি হৈছে। সেয়ে ৰাজ্য সমূহক শক্তিশালী কৰি তুলিবলৈ ৰাজ্যক অতি সোনকালে অধিক ক্ষমতা হস্তান্তৰ কৰিবৰ কাৰণে অসম বিধান সভাই প্ৰস্তাৱ গ্ৰহন কৰে আৰু দাবী জনায়। এই প্ৰস্তাৱটো মই সমৰ্থন জনাইছো আৰু এই সম্পৰ্কত মাননীয় সদস্য জগদীশ তুৰ্ঞা আৰু বৃন্দাবন গোস্বামী ডাঙৰীয়াই যুক্তি প্ৰদৰ্শন কৰিছে। আমি এটা কথা দেখা পাইছো যে সকলো স্তৰতে উন্নয়নৰ সম বিকাশ হোৱা নাই আৰু তাৰ কাৰণে আজি বিশৃংখলতাই গা কৰি উঠিছে বুলি আমি স্বীকাৰ কৰিব লাগিব। সেই কাৰণে এই প্ৰস্তাৱৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো।

আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে প্ৰতিটো জনগোষ্ঠীৰে সম বিকাশ হলে এই বিশৃংখলতা নাইকীয়া হব আৰু তাৰ কাৰণে আমি তৃনমূল পৰ্য্যায়লৈ উন্নয়নমূলক কাম কৰিব লাগিব। আজি বিভিন্ন সময়ত দাবী উঠিছে যে কেন্দ্ৰীয় চৰকাৰে মাত্ৰ প্ৰতিৰক্ষা, বঙ্গি: পৰিক্ৰমাৰ বাহিৰে বাকী সকলো ক্ষমতা ৰাজ্য চৰকাৰক হস্তান্তৰ কৰিব লাগে আৰু এইটো কৰিলেহে ৰাজ্য সমূহৰ সমৃদ্ধি হব বুলি আমি কব পাৰিম। আজি উগ্ৰপন্থী সংগঠন সমূহে বিভিন্ন সময়ত বিভিন্ন দাবী উৎথাপন কৰিছে এই দাবী সমূহ পূৰণৰ বাবে আমিও আহ্বান জনাইছো। এই ক্ষেত্ৰত আমি এটা ইতিবাচক প্ৰচেষ্টাৰে, আন্তৰিকতাৰে সমৰ্থন কৰিব কাৰণে আমি সকলোকে আলোচনাৰ মাজলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাইছো। আমি পৰোক্ষ ভাবে হলেও এটা কথা স্বীকাৰ কৰিছো যে কেন্দ্ৰীয়ৰ গাঠনিৰে হে বিভিন্ন জনগোষ্ঠীৰ সম বিকাশ সম্ভৱ হব। ব্যক্তিগত ভাৱে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়াই মই মোৰ বক্তব্য সামৰিছো।

উপাধ্যক্ষ : ১৯৯৭ চনৰ ১২ তাৰিখৰ ৯ বজালৈকে সদন স্থগিত ৰখা হল।

## ADJOURNMENT

The House then stood adjourned at 1.30 P. M. till 9.00 A. M. on 11th March, 1997.

DISPUR :
The 11th March, 1997.

D. Talukdar
Secretary
Assam Legislative Assembly

## Annexure—I

| Scheme | Expenditure 1991-92 | 1992-93 | Plan 1993-94 | 1994-95 | 1995-96 |
|---|---|---|---|---|---|
| Direction & Admn. | 81.09 | 73.00 | 118.30 | 86.00 | 85.63 |
| Literacy in rural Urban & Industrial area. | 94.89 | 90.01 | 120.48 | 51.00 | 46.00 |
| Training programme | 14.20 | 13.00 | 11.25 | 13.10 | 5.18 |
| P. L. & F. U. | 24.50 | 30.50 | 23.00 | 26.25 | 22.03 |
| Instructional materials. | 9.05 | 15.00 | 20.00 | 29.37 | 9.43 |
| Incentive awards | 5.42 | 9.41 | 6.25 | 9.65 | 6.93 |
| Maintainance SRC | 8.38 | 7.90 | 9.00 | 9.68 | 10.72 |
| Other programme | 15.03 | 8.99 | 11.80 | 52.25 | 27.62 |
| T. L. C. | — | — | 117.92 | — | — |
| | 252.56 | 247.81 | 438.00 | 277.30 | 213.54 |

Sd/—
Director,
Non-Formal & Adult Education, Assam,
Jatia, Guwahati-6.

## Annexure—I

Expenditure Non-Plan

| | | 1991-92 | 1992-93 | 1993-94 | 1994-95 | 1995-96 |
|---|---|---|---|---|---|---|
| 1· | Direction & Admn. | 59.75 | 75.42 | 67.77 | 77.73 | 88.41 |
| | 21 (b) maintance of | | | | | |
| 2. | C. D. Block | 23.50 | 26.31 | 27.41 | 31.03 | 41.31 |
| 3. | Grant in aid. | 1.03 | — | 3.85 | — | — |
| | V. O.S | | | 8.16 | 8.56 | 1.51 |
| 4. | Instructional materials | 9.60 | 8.16 | | | |
| | Total Non-plan | 93.88 | 109.90 | 107.17 | 117.32 | 131.23 |

Districtwise amount spent for Non-Formal Education, 1991

Under Plan

1991—92.

| | | | |
|---|---|---|---|
| 1. | Purchase of White paper | Rs. | 30.00 lakhs |
| | 1992—93 | | |
| 2. | Printing of Books & Ware Housing rent. | — Rs. | 4.19 lakhs |
| | 1993-1994. | | |
| 3. | Patrol Lubricant, | — Rs. | 8.32 lakhs |
| 4. | Purchase of teaching learning materials, | — Rs. | 304.07 lakhs |
| 5. | Programme | — Rs. | 4.74 lakhs |
| 6. | Training | — Rs. | 17.14 lakhs |
| 7. | Dist. Contingency, | — Rs. | 0.04 lakhs |
| 8. | TA / DA. | — Rs. | 0.16 lakhs |
| 9. | Project Contingency. | — Rs. | 4.50 lakhs |
| | Total | — Rs | 338.97 lakhs |
| | 1994-95 | | |
| 3. | Equipment | Rs. | 20.00 lakhs |

Non-Plan

| | | Office Contingency. | T. A. |
|---|---|---|---|
| 1. | 1991-92 | Rs. 1.48,817.00 | Rs. 2528.00 |
| 2, | 1992-93 | Rs. 18,707.00 | Rs. 1295.00 |
| 3. | 1993-94 | Rs. 60,000.00 | Rs. 4334.00 |
| 4. | 1994-95 | Rs. 77,829.00 | Rs. 5060.00 |